www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

☐ PRGI REGD. NO. : ASASS/25/A2361

মুখৰ সৌন্দৰ্যৰ লগত অন্তৰৰ সৌন্দৰ্যৰ মিল নাথাকিলে কোনো নাৰীয়েই সুন্দৰ হ'ব নোৱাৰে। — জৰ্জ বাৰ্ণাড শ্ব

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

☐ ষষ্ঠ বছৰ ☐ সংখ্যা - ২১১ ☐ সোমবাৰ ☐ ১৩ অক্টোবৰ, ২০২৫ চন ☐ ২৭ আহিন, ১৯৪৭ শক ☐ VOL - 6 ☐ NO.- 211 ☐ Monday ☐ 13th October, 2025 ☐ মূল্য ঃ ১০.০০ টকা ☐ মুঠ পৃষ্ঠা ঃ ৮

### বিশুদ্ধ পানীৰ অভাৱত অভিযুক্ত; নতুন পানীৰ টেংক স্থাপনৰ ব্যৱস্থা

## চিআইডিৰ লকআপত মহৰ উপদ্ৰৱত অতিষ্ঠ সিদ্ধাৰ্থ, শ্যামকানু; ফগিঙৰ ব্যৱস্থা



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১২ অক্টোবৰ ঃ** গুৱাহাটীৰ চিআইডিৰ কাৰ্যালয়ৰ লকআপত থকা অভিযুক্ত সকলৰ মাজত মহৰ কামোৰৰ উপদ্ৰৱে অতিষ্ঠ কৰি তুলিছে। শ্যামকানু আৰু সিদ্ধাৰ্থৰ লগতে ▸▸ ৬ পৃষ্ঠাত

কালি গোটেই ৰাতি বৌৱে কান্দি আছিল ঃ অৰুণ গাৰ্গ

## নৱেম্বৰত দিল্লীত ধৰ্ণা কাৰ্যসূচী ঘোষণা এবছুৰ

## বিটিআৰ চুক্তি ৰূপায়ণ আৰু ১২৫ তম্ সংবিধান সংশোধনী গৃহীত কৰাৰ দাবী



**ষ্টাফ ৰিপ'ৰ্টাৰ, কোকৰাঝাৰ, ১২ অক্টোবৰ ঃ** ২০২০ চনৰ বড়ো শান্তি চুক্তিৰ প্ৰতিটো দফা পূৰ্ণৰূপে কাৰ্যকৰী কৰাৰ দাবী জনাই অল বড়ো ষ্টুডেণ্টছ ইউনিয়ন (এবছু)ৰ সভাপতি দ্বীপেন বড়োৱে তীব্ৰ আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰিছে। কোকৰাঝাৰৰ বড়োফা হাউচত অনুষ্ঠিত ▸▸ ৬ পৃষ্ঠাত

গুৱাহাটীৰ বশিষ্ঠত চাঞ্চল্যকৰ ঘটনা

## প্ৰেমজনিত কাৰণত অট্টালিকাৰ তৃতীয় মহলাৰ পৰা জাঁপ ২২ বছৰীয়া যুৱতীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১২ অক্টোবৰ ঃ** অসমৰ ৰাজধানী গুৱাহাটীৰ বশিষ্ঠ এলেকাত এখন চাঞ্চল্যকৰ ঘটনাই সকলোকৰ মনত উদ্বেগ জগাই দিছে। বশিষ্ঠৰ বাক্ৰাপাৰাৰ শুভ এনক্লেভ নামৰ অট্টালিকাৰ ▸▸ ৬ পৃষ্ঠাত

## চিআইডি কাৰ্যালয়ত সাক্ষ্য দিলে অৰুণ গাৰ্গে



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১২ অক্টোবৰ ঃ** আজি প্ৰথমবাৰৰ বাবে চিআইডিৰ ▸▸ ৬ পৃষ্ঠাত

### গাজা শান্তি সন্মিলনলৈ নৰেন্দ্ৰ মোদীক আমন্ত্ৰণ


**অনলাইন ডেস্ক, অসম বাৰ্তা, ১২ অক্টোবৰ ঃ** গাজাত চলি থকা দীৰ্ঘদিনীয়া যুদ্ধৰ অন্ত পেলাবলৈ বিশ্ব সম্প্ৰদায়ে নতুন উদ্যোগ গ্ৰহণ কৰিছে। ইজিপ্তৰ শ্বাৰম এল-শ্বেখত ১৩ অক্টোবৰত ▸▸ ৬ পৃষ্ঠাত

### বিদ্যুৎ বিতৰণ ব্যৱস্থাত প্ৰতিযোগিতাৰ ফলত গ্ৰাহকসকলে উন্নত সেৱা লাভৰ আশংকা

# ব্যক্তিগত কোম্পানীক বিদ্যুৎ বিতৰণৰ দায়িত্ব

### কেন্দ্ৰীয় চৰকাৰৰ নতুন পদক্ষেপ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১২ অক্টোবৰ ঃ** কেন্দ্ৰীয় চৰকাৰে দেশৰ বিদ্যুৎ বিতৰণ ব্যৱস্থা ব্যক্তিগত খণ্ডৰ হাতলৈ হস্তান্তৰৰ প্ৰস্তুতি আৰম্ভ কৰিছে। এই উদ্দেশ্যে এখন নতুন বিধেয়কৰ খচৰা চূড়ান্ত কৰা হৈছে, যাৰ জৰিয়তে ৰাজ্যসমূহত বিদ্যুৎ বিতৰণৰ ক্ষেত্ৰত ব্যক্তিগত কোম্পানীসমূহক ▸▸ ৬ পৃষ্ঠাত



### মোদী চৰকাৰৰ দিনত দুৰ্বল হৈ পৰিছে তথ্য জনাৰ অধিকাৰ আইনঃ দেৱব্ৰত শইকীয়া

**অসম বাৰ্তা, গুৱাহাটী, ১২ অক্টোবৰ ঃ** দুটা দশক পূৰ্ণ কৰিলে তথ্য জনাৰ অধিকাৰ আইন (আৰটিআই)য়ে। নাগৰিকৰ ওচৰত চৰকাৰী তন্ত্ৰৰ জবাবদিহিতাৰ ▸▸ ৬ পৃষ্ঠাত

### তদন্তত আত্মবিশ্বাস বৃদ্ধি কৰিছে চিআইডিক

## ভিছেৰা ৰিপ'ৰ্টত তদন্তৰ নতুন দিশ !




### আজি ছিংগাপুৰৰ চাৰিজন প্ৰবাসী অসমীয়াই সাক্ষ্য দিব চিআইডিত

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১২ অক্টোবৰ ঃ** দেওবাৰে নিশা ফেচবুক লাইভযোগে ▸▸ ৬ পৃষ্ঠাত

### বৰপেটাৰ আতজবাচী কেন্দ্ৰক আমি মৰিবলৈ নিদিওঁ ঃ মুখ্যমন্ত্ৰী

## জুবিনক বুকুত লৈ আমি দিপাৱলী পালন কৰিম

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১২ অক্টোবৰ ঃ** দেওবাৰে ফেচবুক লাইভযোগে মুখ্যমন্ত্ৰীয়ে জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত কেতবোৰ তথ্য প্ৰকাশ কৰে। দেৱালীৰ আতচবাজিৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয়, "জুবিন গাৰ্গ থকা হ'লে তেওঁ ক'লেহেতেন দিপাৱলীত থলুৱা ▸▸ ৬ পৃষ্ঠাত



### জুবিন গাৰ্গৰ মৃত্যুৰ স্বচ্ছ তদন্তৰ দাবীত শিল্পী সমাজৰ অনলাইন আবেদন

**ডিজিটেল ডেস্ক, অসম বাৰ্তা, ১২ অক্টোবৰ ঃ** অসমৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ১৯ ছেপ্টেম্বৰৰ অকাল মৃত্যুৰ ঘটনাৰ স্বচ্ছ আৰু পুংখানুপুংখ তদন্তৰ দাবীত অসমৰ শিল্পী সমাজে অনলাইন আবেদন দাখিল কৰিছে। 'আমি অসমৰ শিল্পী সমাজ' শীৰ্ষক এই আবেদনখনে সামাজিক মাধ্যমত তীব্ৰ গতিত ▸▸ ৬ পৃষ্ঠাত

### মন্ত্ৰী পীয়ুষ হাজৰীকাৰ তীব্ৰ বিৰোধিতা

## জুবিন গাৰ্গৰ সমাধিক্ষেত্ৰত লগুণ ছিঙি পেলালে যুৱকে; ব্ৰাহ্মণ সমাজৰ গৰিহণা



**ষ্টাফ ৰিপ'টাৰ, অসম বাৰ্তা, ১২ অক্টোবৰ ঃ** প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ সোণাপুৰস্থিত সমাধিক্ষেত্ৰত এজন যুৱকৰ দ্বাৰা লগুণ ছিঙি পেলাই দিয়া ঘটনাই ৰাজ্যজুৰি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। চান ভাগৰতী নামৰ এই যুৱকে নিজৰ লগুণ ছিঙি পেলাই দিয়াৰ ভিডিঅ'টো ▸▸ ৬ পৃষ্ঠাত



## চচলত ভূমি উচ্ছেদ, নিগমলৈ অবৈধ ভূমি হস্তান্তৰৰ বিৰুদ্ধে বৃহৎ প্ৰতিবাদ

**ষ্টাফ ৰিপ'টাৰ, দিছপুৰ, ১২ অক্টোবৰ ঃ** চচলত দেওবাৰে ভূমি উচ্ছেদ আৰু নিগমলৈ অবৈধ ভূমি হস্তান্তৰৰ বিৰুদ্ধে ▸▸ ৬ পৃষ্ঠাত

## অমিত শ্বাহৰ মুছলমান জনসংখ্যা বৃদ্ধিৰ বিবৃতিত বিৰোধীৰ তীব্ৰ আক্ৰমণ



### নিৰ্বাচনী সুবিধাৰ বাবে বিভাজনকাৰী মন্তব্য বুলি অভিযোগ

**অনলাইন ডেস্ক, অসম বাৰ্তা, ১২ অক্টোবৰ ঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সম্প্ৰতি প্ৰকাশিত এটা বিতৰ্কিত মন্তব্যই দেশৰ ৰাজনৈতিক মহল তোলপাৰ ▸▸ ৬ পৃষ্ঠাত

### পাকিস্তান-আফগানিস্তান সীমান্তত ভয়াৱহ সংঘৰ্ষ

## তালিবানৰ আক্ৰমণত নিহত ১২জন পাকিস্তানী জোৱান



**অনলাইন ডেস্ক, অসম বাৰ্তা, ১২ অক্টোবৰ ঃ** সীমান্তৰ উত্তেজনা তীব্ৰতৰ বৃদ্ধি পোৱাৰ লগে লগে শনিবাৰে সন্ধিয়া পাকিস্তান-আফগানিস্তান সীমান্তত গুলীচালনা সংঘটিত হয় আৰু ▸▸ ৬ পৃষ্ঠাত

## আমেৰিকাৰ ১০০% শুল্কক ডাবল ষ্টেণ্ডাৰ্ড বুলি সমালোচনা চীনৰ

**ইণ্টাৰনেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১২ অক্টোবৰ ঃ** চীনে আমেৰিকাৰ চীনা সামগ্ৰীৰ ওপৰত অতিৰিক্ত ১০০ শতাংশ শুল্ক আৰোপৰ সিদ্ধান্তক কঠোৰভাৱে সমালোচনা কৰি ইয়াক "ডাবল ▸▸ ৬ পৃষ্ঠাত



### স্বাভিমান ৰেলীত শ্বহীদৰ পৰিয়ালক সাহায্য

## সেনা জোৱানৰ ত্যাগৰ বাবেই দেশবাসী শান্তিত ঃ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য




**অসম বাৰ্তা, গুৱাহাটী, ১২ অক্টোবৰ ঃ** অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কয় যে, "সেনা জোৱানৰ সীমান্তত অতন্দ্ৰ প্ৰহৰীৰ ভূমিকাৰ বাবেই দেশৰ পতাকা গৌৰৱৰ সৈতে উৰি থাকে ▸▸ ৬ পৃষ্ঠাত



### অভিযুক্ত যুৱকৰ মৃত্যুৰ তদন্তৰ নিৰ্দেশ

## যোৰহাট সদৰ থানাৰ লক-আপত আত্মহত্যা অভিযুক্তৰ

**ষ্টাফ ৰিপ'টাৰ, যোৰহাট, ১২ অক্টোবৰ ঃ** যোৰহাট সদৰ থানাৰ লক-আপত এক শিহৰণকাৰী ঘটনা সংঘটিত হৈছে। শনিবাৰে নিশা আটক কৰা এজন অভিযুক্ত যুৱকৰ লক-আপৰ ▸▸ ৬ পৃষ্ঠাত



# কাকপথাৰ পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ পঞ্চম প্ৰতিষ্ঠা দিৱস উদযাপন



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ১২ অক্টোবৰ ঃ** তিনিচুকীয়া জিলাৰ কাকপথাৰ-ডিৰাকৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়, কাকপথাৰ পঞ্চম প্ৰতিষ্ঠা দিৱসটি আজি আড়ম্বৰপূৰ্ণ কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। এই উপলক্ষে পুৱা মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে পৰিচালনা সমিতিৰ সভাপতি ড° দীপক গোস্বামীয়ে। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ শিক্ষক সমাজ আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰচেষ্টাত নিৰ্মাণ কৰি উলিওৱা "জুবিন গাৰ্গ স্মৃতি উদ্যান" উদ্বোধন কৰে তিনিচুকীয়াৰ বনকৰ্মী কৃষ্ণকান্ত গগৈয়ে। দিনৰ ১২ বজাৰ পৰা আৰম্ভ হোৱা মুকলি সভা। এটি প্ৰাৰ্থনা সংগীতেৰে শুভাৰম্ভ হোৱা সভাত ইয়াৰ পিছতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয় সংগীত পৰিৱেশন কৰে। বিগত বৰ্ষৰ মহাবিদ্যালয়ৰ কৰ্মসূচীৰ এক পাৱাৰ পইণ্ট উপস্থাপন আগবঢ়ায় শিক্ষাতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক বিতুৰাজ গোহাঁইয়ে। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক কিৰণ মৰাণে আঁত ধৰা সভাখনত অতিথিসকলৰ পৰিচয় কৰাই দিয়ে শিক্ষাতত্ত্ব বিভাগৰ বিভাগীয় প্ৰধান বিতুৰাজ গোহাঁইয়ে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ৰাজনীতি বিজ্ঞান বিভাগৰ বিভাগীয় প্ৰধান ড° পূজা দিহিঙীয়াই। মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° দীপক গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত আদৰণী ভাষণ আগবঢ়ায় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ঠানুৰাম মজিন্দাৰে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ তথা বিশিষ্ট অনাতাঁৰ শিল্পী বীণা দেৱী বৰদলৈ, ডুমডুমা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা ড° ৰুমী খালেন, বৰডিৰাক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ কেশৱ বেজবৰুৱা, মটক স্বায়ত্ব শাসিত পৰিষদৰ সদস্য পূৰ্ণানন্দ বুঢ়াগোহাঁই, সমাজকৰ্মী ললিত মৰাণ, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য ব্ৰহ্মেশ্বৰ মহন্ত, কাকপথাৰ প্ৰেছ ক্লাৱৰ সভাপতি-সম্পাদক ক্ৰমে ৰাতুল কলিতা আৰু ইন্দ্ৰজিৎ গগৈ, সাংবাদিক ঋষিকেশ দত্ত, সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ উপদেষ্টা হিৰুজ শইকীয়া, বনকৰ্মী কৃষ্ণকান্ত গগৈ, ইউনুচ খান, তিনিচুকীয়া জিলা চুতীয়া ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক সত্যব্ৰত চুতীয়া, সদৌ মৰাণ ছাত্ৰ সন্থাৰ ডিৰাক আঞ্চলিক সমিতিৰ শিক্ষা সম্পাদক পৰাগজ্যোতি মৰাণ, মটক যুৱ-ছাত্ৰ পৰিষদৰ সহকাৰী সম্পাদক উদীপ্ত বাঘ বৰা, সাংগঠনিক সম্পাদক অভিজিত চুতীয়া, কপাহতলি যুৱ সংঘৰ সভাপতি দীনেশ নেওগ আৰু ইউটিউবাৰ মৃণাল গোহাঁইকে ধৰি স্থানীয় বিভিন্ন দল-মঞ্চৰ প্ৰতিনিধিসকল উপস্থিত থাকে। উপস্থিত অতিথিসকলে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। এই অনুষ্ঠানৰ লগতে সংগতি ৰাখিছটা বিভাগৰ পৰা প্ৰকাশিত ছখন প্ৰাচীৰ প্ৰত্ৰিকাও শুভ উন্মোচন হয়। প্ৰাচীৰ পত্ৰিকাসমূহৰ মাজত শ্ৰেষ্ঠ বিবেচিত সমাজ শাস্ত্ৰ বিভাগৰ পত্ৰিকা 'সমন্বয়'ক মুকলি সভাতে পুৰস্কৃত কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা গ্ৰন্থ উন্মোচনী অনুষ্ঠানৰ আঁত ধৰে অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান ড° পঞ্চানন হাজৰিকাই। এই অনুষ্ঠানত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ পৰা প্ৰকাশিত বাৰ্ষিক আলোচনী 'পদ্মপ্ৰজ্ঞা', নিউজ লেটাৰ 'লেগুস্কেপ', মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সংবিধানৰ মুদ্ৰিত ৰূপ, উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ হাতেলিখা আলোচনী 'নৱোন্মেষ', ৰাজনীতি বিজ্ঞান বিভাগৰ হাতেলিখা আলোচনী 'পলিটিকা', অৰ্থনীতি বিভাগৰ হাতে লিখা আলোচনী 'ইক'নমিয়া' উন্মোচন কৰা হয়। উক্ত সভাতে চলিত বৰ্ষত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰা ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী পূজা দিহিঙীয়াক মহাবিদ্যালয় পৰিয়ালে সম্বৰ্ধনা জ্ঞাপন কৰে। লগতে ২০২৫ বৰ্ষৰ শ্ৰেষ্ঠ স্নাতক ৰিতু মৰাণকো সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। সভাত ছাত্ৰ-ছাত্ৰীসকলে গীত-নৃত্য পৰিৱেশন কৰাৰ লগতে জুবিন গাৰ্গ সোঁৱৰণী এক সংগীতানুষ্ঠানো অনুষ্ঠিত হয়। শলাগৰ শৰাই আগবঢ়ায় ইংৰাজী বিভাগৰ বিভাগীয় প্ৰধান আকাংক্ষিতা শৰ্মাই।

## প্ৰাক্তন আছু কৰ্মী তথা জুবিন অনুৰাগীক আৰক্ষীৰ নিৰ্মম প্ৰহাৰক লৈ সৰ্বত্ৰে প্ৰতিক্ৰিয়া

# জুবিন অনুৰাগীক গুৰুলা গুৰুলকৈ প্ৰহাৰ আৰক্ষীৰ

**অসম বাৰ্তা, হাজো, ১২ অক্টোবৰ ঃ** অসমীয়াৰ হিয়াৰ আমঠু হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ ১৯ ছেপ্তেম্বৰত ছিংগাৰপুৰত ৰহস্যজনক মৃত্যুৰ পিছত আজিও সমগ্ৰ ৰাজ্যৰ লগতে বিভিন্ন প্ৰান্তৰ জুবিন অনুৰাগী সকল শোকত ম্ৰিয়মাণ হৈ আছে। কিন্তু সেই সময়তে কামৰূপৰ শুৱালকুছি আৰক্ষী থানাৰ কৰ্মকাণ্ডই সকলোকে আচৰিত কৰি তুলিছে। উল্লেখ্য যে শুৱালকুছি থানাৰ অন্তৰ্গত বামুণ্দীৰ এগৰাকী সৰবৰহী যুৱক তথা প্ৰাক্তন আছু কৰ্মী জুবিন অনুৰাগী অজিত ভুএগক আৰক্ষীয়ে মাজ নিশা শোৱা পাটিৰ পৰা উঠাই নি গুৰুলাগুৰুলকৈ প্ৰহাৰ কৰি নিৰ্মম ভাৱে অত্যাচাৰ চলোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। আনকি আৰক্ষীৰ নিৰ্মম অত্যাচাৰৰ বলি হোৱা যুৱক গৰাকীয়ে ভালকৈ বহিব নোৱাৰা, খোজ কাঢ়িবই নোৱাৰা অৱস্থা হৈছে। আৰক্ষীৰ প্ৰহাৰত গুৰুতৰভাৱে আহত যুৱক গৰাকীক পুৱাৰ নৈত্যনৈমত্তিক কৰ্ম সমাপন কৰিবলৈও মাতৃ-ভাতৃয়ে ধৰি নিব লগা অৱস্থাৰ সৃষ্টি হৈছে। উল্লেখ্য, জুবিন গাৰ্গৰ মৃত্যুৰ পিছত নশ্বৰ দেহ গুৱাহাটী বিমান বন্দৰ অহাৰ প্ৰাকক্ষণত লাখ লাখ জুবিন অনুৰাগী উপস্থিত হৈছিল গুৱাহাটীৰ বিমান বন্দৰৰ চৌহদত। সেই সকল লাখ লাখ জুবিন অনুৰাগীৰ মাজতে প্ৰাণৰ শিল্পী জুবিনক চাবলৈ উপস্থিত হৈছিল বামুণ্দীৰ প্ৰাক্তন আছু কৰ্মী তথা জুবিন অনুৰাগী যুৱক অজিত ভুএগ। কিন্তু সেইসময়তে প্ৰাণৰ শিল্পী গৰাকীৰ নশ্বৰ দেহ বিমান বন্দৰলৈ অনাৰ আগমুহূৰ্তত একাংশ জুবিন অনুৰাগী আৰু আৰক্ষীৰ মাজত বিমান বন্দৰৰ চৌহদত অপ্ৰীতিকৰ ঘটনা সংঘটিত হৈছিল। সেই সময়ছোৱাত ঘটনাস্থলীত অজিত ভুএগ নামৰ বামুণ্দীৰ যুৱক গৰাকীও উপস্থিত থকাৰ অভিযোগ আৰক্ষীৰ। এই অভিযোগৰ ভিত্তিত ৭ অক্টোবৰত শুৱালকুছি আৰক্ষীয়ে মাজনিশা ঘৰৰ পৰা উঠাই লৈ যায় অজিত ভুএগক। প্ৰথম নিশা শুৱালকুছিত আৰক্ষী থানাত ৰাখে যদিও পিছদিনা পুৱাই আৰক্ষীয়ে যুৱক জনক লৈ আজৰা আৰক্ষী থানালৈ নিয়ে। আজাৰা আৰক্ষী থানাত যুৱক জনক নিয়ে গুৰুলাগুৰুলকৈ প্ৰহাৰ কৰা উপৰিও উপৰ্যুপৰি প্ৰহাৰ কৰি আৰক্ষীয়ে তালিবাণী শাস্তি দিয়ে বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে ভুক্তভোগী যুৱক গৰাকীয়ে। আনকি, হাৰ্টথ্ৰৱ জুবিনৰ নাম লৈ যুৱক গৰাকীক প্ৰহাৰ কৰাৰ লগতে জয় জুবিন দা বুলি ক'বলৈ দি "এতিয়া জুবিনে বচাবলৈ আহিব নেকি?" বুলিও আৰক্ষীয়ে যুৱক গৰাকীক প্ৰশ্ন কৰা বুলি যুৱক গৰাকীয়ে চাঞ্চল্যকৰ মন্তব্য কৰিছে। সম্প্ৰতি শাৰীৰিক আৰু মানসিক ভাৱে ভাগি পৰা যুৱকজন অতি গুৰুতৰভাৱে অসুস্থ হৈ পৰিছে। আনহাতে, বামুণ্দী অঞ্চলৰ সৰবৰহী যুৱক অজিত ভুএগক আৰক্ষীয়ে প্ৰহাৰ কৰা ঘটনাক লৈ ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। যি সময়ত প্ৰাণৰ শিল্পী জুবিনৰ ন্যায় বিচাৰিছে সমগ্ৰ ৰাজ্যই তেনে সময়ত এগৰাকী জুবিন অনুৰাগীক আৰক্ষীয়ে মাজনিশা বিছনাৰ পৰা উঠাই নি তানিবাণী শাস্তি প্ৰদান কৰা ঘটনা গৰিহণাযোগ্য বুলি মন্তব্য কৰিছে স্থানীয় ৰাইজে। আইন হাতত তুলি নিৰ্মম প্ৰহাৰ কৰা আৰক্ষী বিষয়া গৰাকীক বিহিত ব্যৱস্থা লবলৈ মুখ্যমন্ত্ৰীলৈ আহ্বান জনাইছে স্থানীয় ৰাইজে।

# অভয়াপুৰী বিধানসভা সমষ্টিত মেগা স্বাস্থ্য শিবিৰ

**অসম বাৰ্তা, লেংটিছিঙা, ১২ অক্টোবৰ ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী বিধানসভা সমষ্টিৰ সমষ্টিভিত্তিক মেগা স্বাস্থ্য শিবিৰ"শুশ্ৰূষা সেঁতু" কালি অভয়াপুৰী সমজিলাৰ অভয়েশ্বৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত ৰাতিপুৱা ৯-০০বজাৰ পৰা অনুষ্ঠিত হয়। শূন্যৰ পৰা ১৮বছৰ বয়স পৰ্যন্ত ল'ৰা-ছোৱালীক প্ৰাধান্য দি অনুষ্ঠিত কৰা এই মেগা স্বাস্থ্য শিবিৰত জিনগত বেমাৰ, হৃদৰোগ, চকু আৰু কাণৰ বিকাৰ আদিকৰি মুঠ ৫০টা বেমাৰত আক্ৰান্ত ল'ৰা-ছোৱালীৰ চিকিৎসা আগবঢ়োৱায়। কালি এই মেগা স্বাস্থ্য শিবিৰৰ দ্বাৰ মুকলি কৰে অভয়াপুৰী পৌৰসভাৰ পৌৰপতি সুশান্ত পোদ্দাৰে। মেগা স্বাস্থ্য শিবিৰ মুকলি অনুষ্ঠানত অভয়াপুৰী সমজিলাৰ সমজিলা আয়ুক্ত শান্তা কাৰ্কী ছেত্ৰী, সমজিলা আৰক্ষী অধীক্ষক অনুপ কুমাৰ বৰা, বিশিষ্ট সমাজ সেৱক ৰুদ্ৰ কুমাৰ পাঠক, অভয়াপুৰী পৌৰসভাৰ উপ-পৌৰপতি প্ৰবিন দাস, চক্ৰ বিষয়া ৰাজেশ সিং, সহকাৰী আয়ুক্ত প্ৰশান্ত বৰা, আফান খান, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক (ভাৰপ্ৰাপ্ত)ডাঃ গোপাল চন্দ্ৰ ৰায়কে আদিকৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

# ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ত ১৩ অক্টোবৰত ড° যোগীৰাজ বসু স্মাৰক বক্তৃতানুষ্ঠান

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১২ অক্টোবৰ ঃ** ডিব্ৰুগড়ৰ হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্বশাসিত) গোট, অসম কলেজ শিক্ষক সংস্থাৰ উদ্যোগত ১৩ অক্টোবৰত অষ্টবিংশতিতম পণ্ডিতপ্ৰৱৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ড° যোগীৰাজ বসু স্মাৰক বক্তৃতানুষ্ঠান আয়োজন কৰা হৈছে। অনুষ্ঠানটিত 'চলচ্চিত্ৰ এক মাধ্যম আৰু ইয়াৰ সামাজিক দায়বদ্ধতা' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰিব আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন চলচ্চিত্ৰ নিৰ্মাতা পদ্মভূষণ জাহ্নু বৰুৱাই। মহাবিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° আতিকুদ্দিন আহমেদে উদ্বোধন কৰিবলগীয়া বক্তৃতানুষ্ঠানটিত আদৰণী ভাষণ প্ৰদান কৰিব অসম কলেজ শিক্ষক সংস্থাৰ কানৈ মহাবিদ্যালয় গোটৰ সভাপতি ড° মধুমিতা পুৰকায়স্থই। অনুষ্ঠানটিত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই শুভেচ্ছামূলক বক্তব্যপ্ৰদান কৰিব। ১৯৮৫ চনৰ পৰা অনুষ্ঠিত কৰি অহা ড° যোগীৰাজ বসু স্মাৰক বক্তৃতানুষ্ঠানত সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা, ডৰ্বীৰেন্দ্ৰ নাথ দত্ত, ড° শিশিৰ কুমাৰ দত্ত, ড° ভূবন মোহন দাস, ড° অমিতাভ ৰয়, ড° নগেন শইকীয়া, ড° দিলীপ কুমাৰ দত্ত, অধ্যাপক উদয়াদিত্য ভৰালী, ড° মালিনী, ড° জয়ন্তী চুতীয়া, ড° অমলেন্দু চক্ৰৱৰ্তী ইত্যাদিৰ দৰে বহুকেইগৰাকী স্বনামধন্য শিক্ষাবিদ, সাহিত্যিক আৰু বিজ্ঞানীয়ে তেওঁলোকৰ বহুমূলীয়া বক্তব্য এই মহাবিদ্যালয়ত প্ৰদান কৰি গৈছে। মহাবিদ্যালয়ৰ শিক্ষক গোটে সমূহ শুভাকাংক্ষী ৰাইজৰ উপস্থিতিৰ লগতে সহযোগিতা কামনা কৰিছে।

# ছুমাইয়াৰ জন্মদিন উপলক্ষে জুবিন গাৰ্গৰ নামত শিৱসাগৰৰ আজান পীৰ দৰ্গাহত নাহৰ গছৰ পুলি ৰোপণ



**ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ১২ অক্টোবৰ ঃ** কামৰূপ জিলাৰ ৰঙিয়া কেন্দ্ৰীয় বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী ছুমাইয়া শ্ববনমে তেওঁৰ জন্মদিনত আজি শিৱসাগৰৰ সৰাগুৰি চাপৰিৰ আজানপীৰ দৰ্গাহলৈ আহি জুবিনদাৰ নামত নাহৰৰ গছ পুলি ৰোপণ কৰি জুবিনদাৰ ন্যায় বিচাৰে। শিৱসাগৰৰ সৰাগুৰি চাপৰিৰ আজানপীৰ দৰ্গাহলৈ অহাৰ পথত ৰঙিয়াৰ পৰা গুৱাহাটী সোণাপুৰৰ কমাৰকুছিস্থিত জুবিনদাৰ সমাধিত এখন ফুলাম গামোছাৰে শ্ৰদ্ধাঞ্জলি জনাই আহে। আজানপীৰ চাহাবে জিকিৰ আৰু জাৰীৰে হিন্দু - মুছলমানৰ মাজত সমন্বয় গঢ়ি তুলিবলৈ প্ৰয়াস কৰাৰ দৰে জুবিন দাই সকলো জাতি-জনগোষ্ঠীৰ মাজত সমন্বয়েৰে বৰঅসম গঢ়িব বিচাৰিছিল বাবেই ছুমাইয়াই এই বছৰ জন্মদিন উদযাপন নকৰি জুবিনদাৰ ন্যায়ৰ দাবীত নাহৰ গছ পুলি ৰোপণ কৰে। উল্লেখ্য যে- বিশিষ্ট জিকিৰ শিল্পী আজিমুদ্দিন আহমেদ, শিৱসাগৰৰ বিশিষ্ট সাংবাদিক ইনামুল হাজৰাকা, ইছমাইল আলী, এনামুদ্দিন আহমেদ আৰু শিৱসাগৰৰ যুৱ ব্যৱসায়ী গোবিন্দ গগৈক দাপোণ কাকতৰ তৰফৰ পৰা এখনি ফুলাম গামোছা আৰু প্ৰতীক পদেৰে সম্বৰ্ধনা জ্ঞাপন কৰে।

# নৰেন শৰ্মা স্মৃতি পথাৰৰ কাব্য ঋষি নীলমণি ফুকন ক্ষেত্ৰত দেৰগাঁও গ্ৰন্থমেলা আৰু সাহিত্য উৎসৱ-২০২৫

**অসম বাৰ্তা, দেৰগাঁও, ১২ অক্টোবৰ ঃ** সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থা, অসম প্ৰকাশন পৰিষদ, অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ, নুমলীগড় শোধনাগাৰ লিমিটেড, দেৰগাঁও সমজিলা প্ৰশাসন, বিভিন্ন সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান আৰু বৃহত্তৰ দেৰগাঁওবাসীৰ সহযোগত প্ৰকৃতি সংগঠন আশ্ৰয়ে ১০ অক্টোবৰৰ পৰা ১৬ অ'ৈবৰৈ ৭দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবলৈ লোৱা দেৰগাঁও গ্ৰন্থমেলা আৰু সাহিত্য উৎসৱ-২০২৫ শুকুৰবাৰৰ পৰা দেৰগাঁও নৰেন শৰ্মা স্মৃতি পথাৰৰ কাব্য ঋষি নীলমণি ফুকন ক্ষেত্ৰত অনুষ্ঠিত হ'ব। প্ৰথম দিনা পুৱা গ্ৰন্থমেলা আৰু সাহিত্য উৎসৱ ২০২৫ৰ সভাপতি ড° চৌধুৰী নাথ শইকীয়াই পতাকা উত্তোলন কৰাৰ পাছতে শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই দেৰগাঁও লেখিকা সমাৰোহৰ সৌজন্যত 'মায়াবিনী ৰাতিৰ...' গীতটো পৰিৱেশন কৰা হ'ব। যোৰহাট জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ড° জ্যোতি প্ৰসাদ শইকীয়াই উদ্বোধন কৰিব লগা গ্ৰন্থমেলাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব অসম চৰকাৰৰ কৃষি মন্ত্ৰী অতুল বৰা, সন্মানীয় অতিথি হিচাপে কাজিৰঙা সংসদীয় সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু দেৰগাঁও বিধানসভা সমষ্টিৰ বিধায়ক ভবেন্দ্ৰ নাথ ভৰালী উপস্থিত থাকিব। ড° চৌধুৰী নাথ শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত হ'ব লগা উদ্বোধনী সভাত গোলাঘাট জিলাৰ আয়ুক্ত পুলক মহন্ত, আৰক্ষী অধীক্ষক ৰাজেন সিং সন্মানীয় অতিথি হিচাপে উপস্থিত থকাৰ লগতে দেৰগাঁও সম জিলাৰ আয়ুক্ত সক্ষমা, সহকাৰী আয়ুক্ত ভাৰ্গৱ কলিতা, দেৰগাঁৱৰ চক্ৰ বিষয়া মনীষা কলিতা, দেৰগাঁও পৌৰসভাৰ পৌৰনেত্ৰী মধুমিতা বৰা, দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জিত কুমাৰ বৰদলৈ, দেৰগাঁও দক্ষিণ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া গৌৰৱ বৰঠাকুৰ, দেৰগাঁও উন্নয়ন প্ৰাধিকৰণৰ সভাপতি ৰাজমোহন শৰ্মা, দেৰগাঁও পৌৰসভাৰ কাৰ্যবাহী বিষয়া লিণ্টু গোহাঁই, প্ৰাক্তন পৌৰপতি অৰুণাভ কলিতা, দেৰগাঁও বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ অধ্যক্ষ আব্দুল লতিফ শেইখ বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। এই সভাতে দেৰগাঁৱৰ এশগৰাকী জ্যেষ্ঠ নাগৰিকক সম্বৰ্ধনা জনোৱা হ'ব। ইয়াৰ পাছতে 'জ্যেষ্ঠ নাগৰিকৰ স্বাস্থ্য যতন' শীৰ্ষক আলোচনা-চক্ৰত সমল ব্যক্তি হিচাপে উপস্থিত থাকিব ডাঃ অৰুণ জ্যোতি হাজৰিকাই। বিয়লি দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° মনোজ জ্যোতি হাজৰিকাৰ সঞ্চালনাত অনুষ্ঠিত হ'ব লগা 'যুক্তিৰ আধাৰত নতুন সমাজ গঢ়োঁ' শীৰ্ষক আলোচনা-চক্ৰ উদ্বোধন কৰিব দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° যোগেশ বৰাই আলোচক হিচাপে উপস্থিত থাকিব দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ যুগৰ নাথ আৰু ইষ্টাৰ্ন কাৰ্বি আংলং মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° নয়নমণি মেধি। সন্ধিয়া জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই বহ্নিমান সাংস্কৃতিক মঞ্চৰ উদ্যোগত অনুষ্ঠিত হ'ব লগা সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব বিশিষ্ট যুৱ সমাজকৰ্মী আকাশ ফুকনে। ১১ অক্টোবৰত দিনৰ এঘাৰ বজাত 'যুৱ সমাজ, গ্ৰন্থৰ পৃথিৱী, লেখন শৈলী ইত্যাদি প্ৰসংগ' বিষয়ত যুৱ সন্মিলনত গ্ৰন্থমেলাৰ স্মৃতিগ্ৰন্থ 'গ্ৰন্থকথা' উন্মোচন কৰিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকাই। বিয়লি দুই বজাৰ পৰা অজিত কুমাৰ শৰ্মা সোঁৱৰণী কবি সন্মিলন, সন্ধ্যা দেৰগাঁও কমল - দুৱৰা মহাবিদ্যালয়ৰ সৌজন্যত ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পৰিৱেশিত অনুষ্ঠান, ১২ অক্টোবৰত পুৱা ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকণ প্ৰতিযোগিতা, বিয়লি 'গ্ৰন্থ অধ্যয়নৰ যোগেদি জীৱন শৈলী' বিষয়ত আলোচনা, ১৩ অক্টোবৰত দিনৰ এঘাৰ বজাৰ পৰা 'শিশুৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ যত্নঃ অভিভাৱক আৰু শিক্ষকৰ ভূমিকা' বিষয়ত আলোচনা, বিয়লি 'অসমীয়া সাহিত্যত নাৰীৰ জয়যাত্ৰা' বিষয়ত আলোচনাৰ ব্যৱস্থা কৰা হৈছে। ১৪ অক্টোবৰত পুৱা ৯ বজাত গ্ৰন্থ যাত্ৰাৰ পাছতে কৃতী শিক্ষক অতুল ঠাকুৰ সোঁৱৰণী সদৌ অসম প্ৰাইজমানি তৰ্ক প্ৰতিযোগিতা আৰু বিয়লি অনুষ্ঠিত হ'ব অসমীয়া শিশু সাহিত্য বিষয়ত আলোচনা। ১৫ অক্টোবৰত পুৱা দহ বজাৰ পৰা কৃতী শিক্ষক ধীৰেন্দ্ৰনাথ গোস্বামী সোঁৱৰণী সদৌ অসম প্ৰাইজমানি কুইজ প্ৰতিযোগিতা, বিয়লি দুই বজাৰ পৰা 'আমাৰ খাদ্য আৰু পৰিৱেশ' বিষয়ত আলোচনা অনুষ্ঠিত হ'ব। ১৬ অক্টোবৰত দিনৰ এঘাৰ বজাৰ পৰা 'মুক্ত কণ্ঠ' অনুষ্ঠান আৰু বিয়লি দুই বজাৰ পৰা অনুষ্ঠিত হ'ব গ্ৰন্থমেলাৰ সামৰণী অনুষ্ঠান।

## দেৱদত্ত ৰাভাক সভাপতি আৰু উদ্ধৱ চন্দ্ৰ নাথক সম্পাদকৰ দায়িত্ব অৰ্পণ

# আগিয়া প্ৰেছ ক্লাৱৰ ১৬ জনীয়া কমিটি গঠন



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১২ অক্টোবৰ ঃ** দীৰ্ঘদিন ধৰি আগিয়া প্ৰেছ ক্লাৱৰ স্থায়ী গৃহ নোহোৱাকৈ অস্থায়ী ভাৱে সাজি লোৱা গৃহটে সংবাদ পৰিৱেশন কৰি অহাৰ লগতে বিভিন্ন সমস্যাৰ মাজেৰে আজি বছৰ বছৰ ধৰি আগিয়াৰ সাংবাদিক সকলে সাংবাদিকতাৰ দৰে পবিত্ৰ বৃত্তিত নিজকে জড়িত কৰি আহিছে। ইয়াৰ মাজতে যোৱা ১০ অক্টোবৰ দিনৰ ১১:০০বজাত আগিয়া প্ৰেছ ক্লাৱত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। আগিয়াৰ জ্যেষ্ঠ সাংবাদিক দেৱদত্ত ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত আগিয়াস্থিত সাংবাদিক সকলৰ উপৰিও সংবাদ জগতক ভালপোৱা বৃহত্তৰ আগিয়া অঞ্চলৰ শুভাকাঙ্ক্ষীসকল উপস্থিত থাকে। উল্লেখ্য যে, সভাৰ আৰম্ভণিতে অসমীয়াৰ হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গৰ আত্মাৰ চিৰশান্তি কামনাৰ্থে একমিনিট মৌন প্ৰাৰ্থনা জনোৱাৰ লগতে শাৰদীয় দুৰ্গোৎসৱৰ সময়ত মৃত্যুবৰন কৰা আগিয়া যোগেন্দ্ৰ নাথ মেমোৰিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দুগৰাকী মহান শিক্ষক অৱসৰপ্ৰাপ্ত অধ্যক্ষ অধিৰথ পাটগিৰি আৰু বিজ্ঞান শিক্ষক দিব্যলোচন দাসৰ আত্মাৰ চিৰশান্তিৰ বাবেও আগিয়া প্ৰেছ ক্লাৱে এক মিনিট মৌন প্ৰাৰ্থনা জনায়। ইয়াৰ পিছত সভাত সকলোৰে মতামত সাপেক্ষে আগিয়া প্ৰেছ ক্লাৱৰ কমিটি গঠন কৰা হয়। সভাপতি হিচাপে দেৱদত্ত ৰাভা, উপ-সভাপতি উৎপল ৰাভা, সম্পাদক উদ্ধৱ চন্দ্ৰ নাথ, সহকাৰী সম্পাদক পৰমেশ্বৰ ৰায় আৰু কাৰ্য্যালয় সম্পাদক হিচাপে জিণ্টু নাথৰ লগতে তিনিজন উপদেষ্টা আৰু আঠজন সদস্যৰে ১৬ জনীয়া কমিটিখন গঠন কৰা হয়।

# বনৰীয়া চৰাই চিকাৰীৰ বিৰুদ্ধে বটদ্ৰৱা আৰক্ষীৰ অভিযান

**অসম বাৰ্তা, বটদ্ৰৱা, ১২ অক্টোবৰ ঃ** নগাঁও জিলাৰ বটদ্ৰৱাত উদ্ধাৰ ১১টাকৈ বিৰল প্ৰজাতিৰ বনৰীয়া চৰাই। জলবায়ু পৰিবৰ্তনৰ লগে লগে বৃহত্তৰ বটদ্ৰৱা অঞ্চলতো আগমন ঘটিছে বিভিন্ন প্ৰজাতিৰ চৰাই। তাৰ মাজতে, শৰালি হাঁহ, ডেকৰ, দেও হাঁহ, ৰাজ হাঁহকে ধৰি বিভিন্ন প্ৰজাতিৰ চৰাই। সেই সময়তেই বটদ্ৰৱাৰ ধনীয়ভেটি, কালা বজাৰ, ধনীয়ভেটি পথাৰ, কদমনি, চলাপথাৰ, শান্তিজানপাৰ আদি অঞ্চলৰ জলাশয়, পথাৰ আদিত বিভিন্ন কৌশল অৱলম্ভন কৰি অসাধু চক্ৰয় নামি পৰিছে চৰাই নিধনযজ্ঞত। আজি বটদ্ৰৱা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া গৌৰৱ জ্যোতি মহন্তৰ নেতৃত্বত যোৱা এদল আৰক্ষীয়ে ধনীয়ভেটি কালা বজাৰ অঞ্চলত এক চৰাই চিকাৰী চক্ৰৰ বিৰুদ্ধে অভিযান চলাই। অভিযানত ১১টা বিৰল প্ৰজাতিৰ শৰালি হাঁহ উদ্ধাৰ কৰিবলৈ সক্ষম হয় যদিও এন্ধাৰৰ সুযোগ লৈ পলায়ন কৰে চিকাৰীৰ দলটি। বৰ্তমান উদ্ধাৰ হোৱা চৰাইখিনি বনভিবাগত হস্তান্তৰ কৰে বটদ্ৰৱা আৰক্ষীয়ে।

# পথালিপাহাৰত এদিনীয়া প্ৰাইজমানি অ'ন ব্ৰীজ প্ৰতিযোগিতাৰ আয়োজন

**অসম বাৰ্তা, বান্দৰদেৱা, ১২ অক্টোবৰ ঃ** লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱৰ্তী বান্দৰদেৱাৰ সমীপৰ পথালিপাহাৰ ব্ৰীজ সন্থাৰ সৌজন্যত লখিমপুৰ জিলা ব্ৰীজ সন্থাৰ সহযোগত অহা ইংৰাজী ১২ অক্টোবৰ তাৰিখ দেওবাৰে পথালি পাহাৰ সন্মিলিত নাট্য সমাজৰ প্ৰেক্ষাগৃহত এখন একক টেবুল নক আউট এদিনীয়া প্ৰাইজমানি অ'ন ব্ৰীজ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। জিলাখনৰ সকলো প্ৰান্তৰ বহু সংখ্যক খেলুৱৈ সকলে অংশগ্ৰহণ কৰিব লগীয়া প্ৰতিযোগিতা খনিত সকলো ৰাইজৰ সহায় সহযোগিতা কামনা কৰিছে সভাপতি ড মহেন্দ্ৰ বৰা কাৰ্যকৰী সভাপতি দিলীপ দত্ত আৰু সম্পাদক কুলধৰ কলিতাই।

## বিদ্যালয়ৰ প্ৰধান শিক্ষকসহ পাঁচ জুৱাৰীক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ

# দিকচু মাউতত আমগুৰি আৰক্ষীৰ অভিযান

**অসম বাৰ্তা, আমগুৰি, ১২ অক্টোবৰ ঃ** শিৱসাগৰ জিলাৰ আমগুৰি আৰক্ষীয়ে যোৱা নিশা এটা জুৱা চক্ৰ উৎখাত কৰিবলৈ সক্ষম হয়। এক গোপন সূত্ৰৰ পম খেদি আমগুৰি আৰক্ষীয়ে দিকচু মাউৎ গাঁৱত অভিযান চলাই বিদ্যালয়ৰ প্ৰধান শিক্ষকসহ মুঠ পাঁচটাকৈ জুৱাৰী গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, দিকচু মাউৎ গাঁৱৰ জ্যোতি তামোলী নামৰ এজন লোকৰ ব্যৱসায়িক প্ৰতিষ্ঠানত দীৰ্ঘদিন ধৰি অবৈধ জুৱাখেল চলি থকা বিষয়ে স্থানীয় ৰাইজে অভিযোগ জনোৱাৰ পিছত আমগুৰি আৰক্ষীয়ে অতৰ্কিত অভিযান চলায়। অভিযানত জুৱা খেলি থকা অৱস্থাত কোযেশ্বৰ দত্ত আদৰ্শ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক অনন্ত শইকীয়া, দীপক তাঁতী, ধ্ৰুৱজিৎ তামোলী, বিজয় কাকতি আৰু জ্যোতি তামোলীক আৰক্ষীয়ে জুৱা খেলি থকা অৱস্থাত হাতে লোটে আটক কৰে। এনে সামাজিক ব্যাধি স্বৰূপ জুৱা খেলৰ সৈতে বিদ্যালয়ৰ প্ৰধান শিক্ষক জড়িত থকাৰ ঘটনাই স্থানীয় ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আৰক্ষীয়ে ঘটনাৰ সন্দৰ্ভত ১৯/২৫ নং গোচৰ ৰুজু কৰি আছাম গেমিং এণ্ড বেটিং এক্টৰ ১৪ আৰু ১৫ ধাৰাত আটাইকেইজনক গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰিছে।

# গোৱালপাৰাৰ ড° জুৰিপ্ৰিয়া ব্ৰহ্মলৈ ২০২৫ বৰ্ষৰ শ্ৰেষ্ঠ মহিলা "Vet Clenician in Medicin" বঁটা

**ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ১২ অক্টোবৰ ঃ** ইণ্ডিয়ান ভেটেনাৰী এছোচিয়েচন ওমেন উইংচৰ উদ্যোগত ৫ অ'"াবৰৰ পৰা ৭অ'"াবৰলৈ চত্তিশগড় দুৰ্গৰ পৃথী পেলেচত অনুষ্ঠিত হোৱা ভেট আইকন এৱাৰ্ড-২০২৫ ("Vet Icon Award-2025") আৰু ভেটিকো কুইন অব ইষ্ট ইণ্ডিয়া-২০২৫ ("Vetico Queen of east india"-2025)ৰ বঁটা প্ৰদানৰ এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত কামৰূপ হেকেৰাস্থিত মাণ্ডলিক পশুধন গৱেষণা কেন্দ্ৰৰ বিজ্ঞানী তথা দৰংগিৰি তাৰাপাৰা নিবাসী ড° জুৰিপ্ৰিয়া ব্ৰহ্মলৈ ২০২৫ বৰ্ষৰ শ্ৰেষ্ঠ ৱেষ্ট ওমেন ভেট ক্লিনিচিয়ান ইন মেডিচিন ("Best Woman Vet Clinician in Medicine") পুৰস্কাৰ আৰু মিচেচ গ্ৰেচিয়াছ ভেটিকো কুইন অব ইষ্ট ইণ্ডিয়া-২০২৫, মিচেচ ইনটেলেকচুৱেল ("Mrs Gracious Vetico Queen of east india-2025", Mrs Intellectual) বঁটা প্ৰদান কৰা হয়। ৰাষ্ট্ৰীয় পৰ্যায়ত অনুষ্ঠিত হোৱা এই প্ৰতিযোগিতাত ড° জুৰিপ্ৰিয়া ব্ৰহ্মৰ সাফল্যই পৰিয়ালৰ লগতে অঞ্চলস্থ ৰাইজ আৰু গোৱালপাৰা জিলালৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য যে ডং জুৰিপ্ৰিয়া ব্ৰহ্মই তামিলনাডু ভেটনাৰী এণ্ড এনিমেল চাইন্স ইউনিভাৰচিটিৰ পৰা বেষ্ট পিএইচডি ৰিচাৰ্জৰ বাবে ২০২৪ বৰ্ষত সোণৰ পদক লাভ কৰিছিল। ড° জুৰিপ্ৰিয়া ব্ৰহ্মই বঁটা প্ৰদান অনুষ্ঠানত বিহুৰ লগতে অসমৰ কৃষ্টি সংস্কৃতি পৰিৱেশন কৰি সকলোকে আপ্লুত কৰিছিল।

# অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নাজিৰা মহাবিদ্যালয় গোট গঠন

**অসম বাৰ্তা, গেলেকী, ১২ অক্টোবৰ ঃ** অসমৰ অন্যতম শক্তিশালী জাতীয় সংগঠন অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নাজিৰা মহাবিদ্যালয় গোট গঠনৰ উদ্যেশ্যৰে সংগঠনৰ টকৌআলিস্থিত কাৰ্যালয়ত এখনি সভা অনুষ্ঠিত হয়। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নাজিৰা মহাবিদ্যালয় গোটৰ সাধাৰণ সম্পাদক অভিজিৎ কোঁৱৰে আঁতধৰা সভাপতি ৰঞ্জনা দত্তৰ সভাপতিত্বত আয়োজন কৰা উক্ত সভাত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ শিৱসাগৰ জিলা সমিতিৰ সাংগঠনিক সম্পাদক ভাস্কৰ জ্যোতি মহন্ত, নাজিৰা আঞ্চলিক সমিতিৰ প্ৰাক্তন সভাপতি ৰুহিত বৰুৱা, নাজিৰা মহাবিদ্যালয় গোটৰ উপদেষ্টা বিকাশ হাজৰিকা আৰু নাচিৰুদ্দিন আলী উপস্থিত থাকে। সভাত বিগত বৰ্ষৰ কাৰ্যসূচী সমূহৰ বিষয়ে আলোচনা কৰাৰ লগতে অনাগত দিনত ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক আৰু মানসিক বিকাশৰ বাবে বিভিন্ন কাৰ্যসূচী লোৱাৰ কথা সিদ্ধান্ত গ্ৰহণ কৰে। এই সভাতেই পুৰণা সমিতি ভংগ কৰি সৰ্বসন্মতিক্ৰমে ৰঞ্জনা দত্তক সভাপতি, জানমণি কুৰ্মী আৰু ৰূপচানা বেগমক উপ-সভাপতি, অংশুমান গগৈক সাধাৰণ সম্পাদক, শ্ৰদ্ধা চেতিয়া আৰু কৃষ্ণামণি শইকীয়াক যুটীয়া সম্পাদক, ৰহমত আলী, চাহিদ আফ্ৰীদিক সাংগঠনিক সম্পাদক, প্ৰগতি গগৈক সাংস্কৃতিক সম্পাদক, চুহেন আলিক প্ৰচাৰ সম্পাদক, অংকুৰজ্যোতি মেছক সমাজসেৱা সম্পাদক, আৰিফ আলীক শিক্ষা সম্পাদক, প্ৰকৃতি গগৈক সাহিত্য সম্পাদক, আচিফ আলীক কাৰ্যালয় সম্পাদক হিচাপে লৈ মুঠ ৩৫ জনীয়া অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নাজিৰা মহাবিদ্যালয় গোট গঠন কৰা হয়।

# কটহগুৰি জুনিয়ৰ কলেজৰ এন এছ এছ গোটৰ ড্ৰাগছ বিৰোধী ব্যতিক্ৰমী পদক্ষেপ

**অসম বাৰ্তা, বটদ্ৰৱা, ১২ অক্টোবৰ ঃ** নগাঁও জিলাৰ ধিং থানাৰ অন্তৰ্গত বৃহত্তৰ টুকটুকী অঞ্চলত অৱস্থিত কটহগুৰি কনিষ্ঠ মহাবিদ্যালয়ৰ এন এছ এছ (NSS) গোটে আজিৰ দিনটোত এক ব্যতিক্ৰমী ড্ৰাগছ বিৰোধী প্ৰয়াস হাতত লৈছে। টুকটুকী অঞ্চলত ড্ৰাগছৰ প্ৰভাৱ দিনে দিনে বৃদ্ধি পাই থকা পৰিপ্ৰেক্ষিতত এই পদক্ষেপটি যথেষ্ট প্ৰশংসনীয় বুলি জনাইছে স্থানীয় ৰাইজে। এন এছ এছ গোটৰ স্বেচ্ছাসেৱীসকল, শিক্ষকবৃন্দ আৰু টুকটুকী প্ৰেছক্লাৱৰ সাংবাদিকসকলে একেলগে ড্ৰাগছৰ ঘাটি হিচাপে চিহ্নিত অঞ্চলবোৰ ভ্ৰমণ কৰি স্থানীয় ৰাইজৰ সৈতে আলোচনা কৰে। এই আলোচনা সভাত ড্ৰাগছৰ ভয়ংকৰ প্ৰভাৱ, ইয়াৰ পৰা সমাজ আৰু যুৱপ্ৰজন্মৰ ক্ষতি, আৰু মুক্তিৰ পথৰ বিষয়ে গভীৰভাৱে আলোচনা কৰা হয়। এই সভাই স্থানীয় ৰাইজৰ মাজত সচেতনতা সৃষ্টি কৰাৰ লগতে সমাজত এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰিছে। এন এছ এছ গোটৰ এই সদিচ্ছাপূৰ্ণ পদক্ষেপে ভৱিষ্যতে অঞ্চলটোত ড্ৰাগছ বিৰোধী পদক্ষেপত অধিক গতিশীল কৰিবলৈ সহায় হ'ব বুলি আশা প্ৰকাশ কৰিছে সচেতন মহলে।

## সম্পাদকীয়

# গণতন্ত্ৰৰ জয় নে ৰাজনীতিৰ খেল ?

২০২৫ চনৰ শান্তিৰ নোবেল বঁটাৰ বিজয়ী হিচাপে ঘোষণা কৰিলে ভেনিজুৱেলাৰ সক্ৰিয়বাদী ৰাজনীতিবিদ মাৰিয়া ক'ৰিনা মাচাডোক। একনায়কত্ববাদী শাসনৰ বিৰুদ্ধে শান্তিপূৰ্ণ সংগ্ৰাম আৰু গণতান্ত্ৰিক অধিকাৰৰ পোষকতাৰ বাবে তেওঁক এই সন্মান প্ৰদান কৰা হৈছে। এই সিদ্ধান্তই আন্তঃৰাষ্ট্ৰীয় স্তৰত যথেষ্ট মনোযোগ আকৰ্ষণ কৰিছে, বিশেষকৈ আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ বাবে, যি নিজেও এই বঁটাৰ বাবে প্ৰাৰ্থী হোৱাৰ আশা ৰাখিছিল। নোবেল কমিটীয়ে তেওঁৰ সন্দৰ্ভত উল্লেখ কৰা মতে, "ভেনিজুৱেলাৰ জনগণৰ গণতান্ত্ৰিক অধিকাৰৰ পক্ষত নিৰন্তৰ সংগ্ৰামৰ লগতে একনায়কত্বৰ বিৰুদ্ধে ন্যায়সংগত আৰু শান্তিপূৰ্ণভাৱে প্ৰতিৰোধ গঢ়ি তোলাৰ বাবে" মাচাডোক এই বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে। ভেনিজুৱেলাৰ বৰ্তমানৰ শাসন ব্যৱস্থাৰ এক গুৰুত্বপূৰ্ণ সমালোচক হিচাপে মাচাডো আন্তঃৰাষ্ট্ৰীয়ভাৱে চিনাকি। তেওঁৰ এই সাফল্যই কেৱল ব্যক্তিগত নহয়, ভেনিজুৱেলাৰ গণতান্ত্ৰিক আন্দোলনৰ বাবেও এক ডাঙৰ সন্মান। আশা কৰা হৈছে যে, এই স্বীকৃতিয়ে দেশখনত গণতন্ত্ৰ পুনৰ্স্থাপনৰ আন্দোলনলৈ নতুন গতি আৰু প্ৰেৰণা যোগাব। ইফালে, এই ঘোষণাই আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পক হতাশ কৰিলে। ট্ৰাম্পে দীৰ্ঘদিন ধৰি নিজকে শান্তিৰ নোবেল বঁটাৰ যোগ্য প্ৰাৰ্থী বুলি দাবী কৰি আহিছে। পূৰ্বতে তেওঁ গাজাত হামাছ আৰু ইজৰাইলৰ মাজত হোৱা যুদ্ধবিৰতিৰ কৃতিত্ব নিজৰ বুলি প্ৰকাশ কৰি এই বঁটা লাভৰ আশা বান্ধিছিল। কিন্তু নোবেল কমিটীৰ এই সিদ্ধান্তই তেওঁৰ সেই আশাত বাধা দিলে। ট্ৰাম্পৰ সমৰ্থকসকলৰ ফালৰ পৰা এই সিদ্ধান্তৰ সমালোচনাও উঠিছে। আনহাতে, বহুতে মাচাডোৰ এই সন্মান লাভক যুক্তিসংগত আৰু সঠিক বুলি স্বাগতম জনাইছে। বিশ্বৰ ৰাজনৈতিক মহলত এই সিদ্ধান্তই মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এই ঘটনাই সাধাৰণ নাগৰিকৰ মনত কেইটামান গুৰুত্বপূৰ্ণ প্ৰশ্নৰ সৃষ্টি কৰিছে। নিৰ্বাচনৰ মাপকাঠীটো কি? নোবেল শান্তি বঁটাৰ বাবে নিৰ্বাচনৰ মাপকাঠী সম্পৰ্কে সদায়ে আলোচনা হয়। ট্ৰাম্পৰ দৰে ৰাজনীতিবিদসকলে কেনেকৈ শান্তি স্থাপনৰ চেষ্টা কৰিলে, সেইটো বিবেচনা কৰা হয় নে? মাচাডোৰ শান্তিপূৰ্ণ সংগ্ৰামক অগ্ৰাধিকাৰ দিয়াৰ সিদ্ধান্তটোৱে নোবেল কমিটীৰ অগ্ৰাধিকাৰৰ ক্ষেত্ৰটো স্পষ্ট কৰিছে। বঁটাই প্ৰকৃত শান্তি স্থাপনলৈ কেনেদৰে অৰিহণা যোগাব? এটা বঁটাই শান্তিৰ প্ৰকৃত প্ৰক্ৰিয়াত কেনেদৰে অৰিহণা যোগাব, সেই সম্পৰ্কেও প্ৰশ্ন উঠিছে। মাচাডোৰ এই সন্মানে ভেনিজুৱেলাত শান্তি আৰু গণতন্ত্ৰ স্থাপনলৈ উল্লেখযোগ্য অৰিহণা যোগাব পাৰিব নে? আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ ওপৰত ইয়াৰ প্ৰভাৱ? এই সিদ্ধান্তই ভেনিজুৱেলা আৰু আমেৰিকাৰ দৰে ৰাষ্ট্ৰৰ মাজৰ সম্পৰ্কৰ ওপৰত কেনে প্ৰভাৱ পেলাব? ই ৰাজনৈতিক অৱস্থাৰ উন্নতি কৰিব নে হেনাস্থিতি বেয়াৰ ফালে ঘূৰাব? ২০২৫ চনৰ শান্তিৰ নোবেল বঁটাৰে মাৰিয়া ক'ৰিনা মাচাডোক সন্মানিত কৰাৰ সিদ্ধান্তটোৱে বিশ্বজুৰি গণতন্ত্ৰ আৰু মানৱাধিকাৰৰ হকে সংগ্ৰামীসকললৈ এক শক্তিশালী বাৰ্তা প্ৰেৰণ কৰিছে। ই একনায়কত্ববাদী শাসনৰ বিৰুদ্ধে শান্তিপূৰ্ণ সংগ্ৰামক আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি দিয়াৰ এক প্ৰয়াস। যদিও এই সিদ্ধান্ত লৈ বিতৰ্কৰ সৃষ্টি হৈছে, তথাপি ই ভেনিজুৱেলাৰ জনগণৰ গণতান্ত্ৰিক আকাংক্ষাক এক গুৰুত্বপূৰ্ণ স্থান দিছে। মাচাডোৰ এই জয়ে কেৱল ভেনিজুৱেলাৰ বাবেই নহয়, সমগ্ৰ বিশ্বৰ গণতান্ত্ৰকামী জনতাক এক নতুন আশাৰ সঞ্চাৰ কৰক।

*শ্যাম কানু, সিদ্ধাৰ্থ আৰু সাংগোপাংগৰ দলে জুবিনৰ উপাৰ্জন আত্মসাৎ কৰিবলৈ সকলো সময়তে তৎপৰ হৈ আছিল, কিন্তু তেওঁক জীয়াই ৰাখিবলৈ সিহঁতৰ কোনো প্ৰয়াস নাছিল। কিমান পৰিশ্ৰম, কিমান সাধনা আৰু অধ্যৱসায় কৰি জুবিনে আজিৰ পৰ্য্যায়ত উপনীত হৈছিল। লগত থকা সেই শিয়াল জাকে জুবিনক মৃত্যুশয্যাত শুৱাই দিলে। কেৱল আইন প্ৰশাসনেই সেইবোৰ মানুহক চিধা কৰিব পাৰিব নে? কোনোবা সংগঠন বা সাধাৰণ মানুহে তেনেকুৱা মানুহৰ ওপৰত সন্দেহ কৰি চকু দি থাকিব লাগিব নেকি?*

# জাষ্টিচ


ড° আৰ কে বেজবৰুৱা

আজি অসমৰ আকাশে বতাহে গুঞ্জৰিত হৈ থকা শব্দটোৱেই হৈছে 'জাষ্টিচ'। সকলো অসমীয়াৰ মনৰ মাজত গুজৰি গুমৰি থকা শব্দটো হৈছে 'জাষ্টিচ'। সকলো অসমীয়াই আজি দাবী তুলিছে 'জাষ্টিচ'ৰ বাবে। দোষী-নিৰ্দোষীক আইন প্ৰদান কৰা ব্যক্তিসকলেও প্ৰকৃত জাষ্টিচৰ সপক্ষে মাত মাতিছে। আনকি যিসকল লোকে জাষ্টিচৰ বিষয়ে সম্পূৰ্ণ জ্ঞাত নাছিল, সেই আবাল বৃদ্ধ বনিতাৰ মুখতো আজি জাষ্টিচৰ কথা। 'জাষ্টিচ' শব্দটো সাৰথি কৰি লৈয়েই কিছুমান দুষ্ট বুদ্ধিৰ লোকে বিভেদ সৃষ্টি কৰিবলৈ প্ৰয়াস অব্যাহত ৰাখিছে। কিছুমানে 'জাষ্টিচ' শব্দটোৰ ব্যৱহাৰেৰে অসমীয়া মানুহৰ মাজত আবেগৰ জোৱাৰ তুলি অশান্ত পৰিস্থিতিৰ সৃষ্টি কৰাৰ বাবেও চিন্তা চৰ্চা অব্যাহত ৰাখিছে। বৰ্তমানৰ প্ৰেক্ষাপটত এই জাষ্টিচৰ একমাত্ৰ লক্ষ্য হৈছে অসমীয়াৰ বুকুৰ আপোন জুবিন গাৰ্গৰ বিদেশৰ মাটিত ৰহস্যাবৃত অপমৃত্যুৰ সত্য উদঘাটন আৰু কু-অভিসন্ধিকাৰীৰ দৃষ্টান্তমূলক শাস্তি। জুবিন গাৰ্গৰ অস্বাভাৱিক মৃত্যুত সকলোৰে মনত সন্দেহ উদ্ৰেক হোৱাৰ অসংখ্য কাৰণ আছে। জুবিনক প্ৰকৃততে ভাল পোৱা সকলোৱে কামনা কৰিছে - উচিত তদন্তেৰে ৰহস্যৰ উন্মোচন হওক আৰু অপৰাধৰ লগত জড়িত সকলৰ শাস্তি হওক। তাৰ মাজতে হয়তো কিছুমানে প্ৰকৃত ন্যায় ব্যৱস্থাৰ ওপৰতো প্ৰশ্ন তুলিব। নিজে বিচৰা ধৰণে তদন্ত আগ নাভাবিলেও প্ৰতিবাদ কৰিব। কিন্তু জনা মতে জনসাধাৰণৰ দাবী আৰু ঘটনাৰ গুৰুত্ব উপলব্ধি কৰি অসমৰ মুখ্যমন্ত্ৰীজনে অতি দক্ষতাৰে তদন্ত প্ৰক্ৰিয়া আগবঢ়াই নিছে। চৰকাৰৰ বিৰোধিতা কৰা বহুতেই সন্দেহ প্ৰকাশ কৰিছে যে অনাগত দিনত এই তদন্তৰ ফলাফল শূন্য হ'বলৈ গৈ আছে। তাৰ বিপৰীতে প্ৰায় সকলো মানুহেই বিশ্বাস কৰে যে অসমৰ মুখ্যমন্ত্ৰীয়ে সত্য উদ্‌ঘাটনত ত্ৰুটি নকৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পৰিস্থিতিৰ গুৰুত্ব বুজি নাপায় বুলিও বিশ্বাস নহয়। কিন্তু আমি ন্যায় প্ৰক্ৰিয়াৰ ওপৰত বিশ্বাস আৰু আস্থা ৰাখিবই লাগিব। তাত ব্যতিৰেকে আন পথ নাই। মনত ক্ষোভ আছে, পোৰণি আছে। কিন্তু শান্তি বিঘ্নিত হোৱা কামো কৰিব পৰা নাযায়। সেই বাবেই আমি সকলোৱে আশা আৰু বিশ্বাস ৰাখিছোঁ - অতি সোনকালে জুবিন গাৰ্গৰ আত্মা আৰু তেওঁৰ পৰিয়ালে সুবিচাৰ নিশ্চয় পাব! জাষ্টিচ পাব!

বৰ্তমানৰ পটভূমিত আৰু কিছুমান জাষ্টিচৰ প্ৰসংগ হয়তো উত্থাপন কৰিবলৈ ঠাই আছে। সেয়ে জুবিন গাৰ্গৰ 'জাষ্টিচ'ৰ পৰা কিছু ফালৰি কাটি আহি অন্য কিছুমান জাষ্টিচৰ প্ৰসংগ উত্থাপন কৰাৰ প্ৰয়াস কৰিছোঁ। জুবিনৰ মৃত্যুৰ আগলৈকে শ্যাম কানু মহন্ত বোলা মানুহজনে দেশৰ সংস্কৃতিৰ ডাঙৰ ডাঙৰ পথাৰবোৰত দপদপাই আছিল। বহুতে সেই মানুহজনৰ কথা আৰু কাম দেখিয়ো কিন্তু মুখত তলা লগাই থৈছিল। ২০১৬ চনৰ আগলৈকে বহুতেই নাম নুশুনা শ্যাম কানু মহন্ত বোলা সাধাৰণ মানুহজনক আজি অসমতেই নহয়, ভাৰতৰ পৰিধি পাৰ কৰি বিশ্বত বাতৰিৰ শীৰ্ষ নাম বনাই দিলে। তাৰ পিছফালে কোন আছিল? আমি সকলোৱেই নাছিলোঁ নে? নীতিগতভাৱে বিচাৰ কৰিলে তাৰ বাবে আমিও নিশ্চয় দোষী সাব্যস্ত হ'ম। সেই দোষৰ দায়িত্ব কোনে ল'ব?

জুবিনৰ অপমৃত্যুৱে শ্যাম কানু নামৰ বৰ ডাঙৰ হস্তীজনৰ (?) লগতে আৰু বহুতো মানুহৰ অপকৰ্মৰ দস্তাবেজ পোহৰলৈ আনিছে। পোহৰলৈ আহিছে তেওঁৰ পৰিয়ালৰ সদস্য মুধাফুটা ব্যক্তি সকলৰো অপকৰ্মৰ লেখ। ঘটনাৰ লগতে তেওঁৰ ভাতৃ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য, অৱসৰ প্ৰাপ্ত ডিজিপিৰ প্ৰসংগও সাঙোৰ খাই পৰিছে।

শ্যামকানু মহন্তৰ পিতৃ স্বৰ্গীয় লীলাকান্ত মহন্ত সত্ৰ মহাসভাৰ সভাপতি আছিল। তেওঁৰ পুত্ৰসকল শিক্ষিত আৰু অসম চৰকাৰৰ বিশিষ্ট পদবী শুৱনি কৰা ব্যক্তি। তেনে স্থলত এইবোৰ মানুহে ইমান বেয়া কাম কৰিবলৈ উদ্‌গনি পাইছিল কেনেকৈ? এয়া যুক্তি সংগত প্ৰশ্ন। টিভিৰ বাতৰিত প্ৰকাশ পাইছে যে শ্যামকানু মহন্ত শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অধীনৰ কোনো পদবীত আছিল আৰু এতিয়াও আছে। আৰ্য্য বিদ্যাপীঠ কলেজৰ পৰিচালনা সমিতিৰ সদস্য হৈয়ো আছে। অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ ধন ব্যৱহাৰ কৰি দেশে-বিদেশে যে শ্যাম কানুৱে ফেষ্টিভেল অনুষ্ঠিত কৰি গৈছিল, তাৰ ওপৰত চৰকাৰৰ নিয়ন্ত্ৰণ আছিল নে? এই ফেষ্টিভেলবোৰে অসমৰ উন্নয়নত কি অৰিহণা যোগাইছে সেই বিষয়ে সাংস্কৃতিক সঞ্চালকালয়



নাইবা চৰকাৰে কিবা অভিলেখন (statical data) প্ৰস্তুত কৰি উলিয়াইছে নে? যদি তাৰ পৰা দেশৰ সাংস্কৃতিক দিশত কোনো ধনাত্মক প্ৰভাৱ নাই, তেন্তে অসমৰ সাংস্কৃতিক দিশতোৰ যি ক্ষতি হৈছে, তাৰ বাবেও জাষ্টিচ লাগিব।

বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ দৰে উচ্চ শিক্ষাৰ অনুষ্ঠানত শ্যাম কানু মহন্তৰ দৰে অসাধু লোকে স্থান অধিকাৰ কৰাত অনুষ্ঠানটোৰ প্ৰতি জাষ্টিচ কৰা হৈছে নে? অসমৰ কিমান উচ্চ শিক্ষাৰ অনুষ্ঠান-প্ৰতিষ্ঠানত এনেকুৱা কু-কৰ্মৰ কৰা লোক বহি আছে, তাৰ অনুসন্ধান হ'ব লাগে। আজি যিসকলে শ্যাম কানুহঁতৰ অপৰাধৰ তালিকা প্ৰস্তুত কৰিছে, সেইসকলে আগতে কিয় দেখিও নেদেখা হৈ আছিল, সিয়ো এটা নুবুজা সাঁথৰ। চৰকাৰে সেইসকল তালিকা প্ৰস্তুত কৰা মানুহকো তদন্তৰ অধীনলৈ আনিব লাগে। কাৰণ - অপৰাধ কৰা আৰু অপৰাধ কৰা দেখি মনে মনে থকাও অপৰাধ হিচাপে গণ্য কৰা হয়। তেতিয়াহে প্ৰকৃতাৰ্থত জাষ্টিচ কৰা হ'ব। অসম চৰকাৰৰ সকলোবোৰ বিভাগৰ উচ্চপদস্থ বিষয়া সকলৰ কাম-কাজৰ খতিয়ান লোৱাৰো প্ৰয়োজন আছে। অকল চৰকাৰৰ ওপৰত সকলো জাপি দি দায় সাৰিলেই নহ'ব সামজখন পৰিষ্কাৰ-পৰিচ্ছন্ন কৰিব ৰাখিবলৈ আমি সকলো দায়িত্বশীল নাগৰিক হ'ব লাগিব।

কোনোবাই হয়তো ক'ব পাৰে - সকলোবোৰ বিষয়া আৰু কৰ্মচাৰী দুৰ্নীতি পৰায়ণ নহয়। সঁচা কথা, সকলো ব্যক্তি দুৰ্নীতিগ্ৰস্ত আৰু ভ্ৰষ্টাচাৰী নহয়। কিন্তু বিশ্বাস কৰিব পৰা যায় কাক? কিছু দিন আগতে দুৰ্নীতিগ্ৰস্ত বিষয়া কৰ্মচাৰীৰ আতিশায্যত এগৰাকী মহিলা কৰ্মচাৰীয়ে আত্ম হনন কৰিছিল। মাত্ৰ কেইদিনমান আগতে নূপুৰ বৰা নামৰ এজনী অপৰাধী চক্ৰ বিষয়াৰ কাহিনীয়ে অসম তোলপাৰ কৰিছিল। বিশ্ববিদ্যালয় এজন উপাচাৰ্য্যই কিছুবছৰৰ আগতে বিশ্ববিদ্যালয়ৰ ধন আত্মসাৎ কৰাৰ অভিযোগ বহুতেই পাহৰিলে। বিশ্ববিদ্যালয়ৰ ধন বিভিন্ন জালিয়াতিৰে উদৰস্থ কৰা উপাচাৰ্য্য ড° ৰঞ্জিত তামোলী, (পঞ্জীয়ক, উপ-পঞ্জীয়ক) কন্দৰ্প দাস, দিগন্ত বৰা, হৰিশ্চন্দ্ৰ মহন্ত ধৰা নপৰালৈকে পৰম গুণী আৰু সৎ ব্যক্তি আছিল। তেওঁলোকৰ নামৰ আগত 'ডক্টৰ' - শব্দৰ মহা মূল্যবান মণি আছে। গতিকে তেওঁলোক মহৎ পুৰুষ নহয় বুলি আমিবোৰে বিশ্বাস নকৰাৰ ঠাই ক'ত? অনেক মহান অনুষ্ঠান তেনে মহৎ লোকৰ বাবে মৃত্যু ঘটা চকুৰ আগত দেখিবলৈ পাইছোঁ। তেনে অনুষ্ঠানবোৰৰ বাবেও জাষ্টিচৰ কথা ভাবিব লাগিব। সেইবোৰে জাষ্টিচ পাব কেনেকৈ?

মহৎ বৰা নামৰ মহৎ লোক এজন এতিয়াও চাগে জেলত আছে। মহৎ বৰাহঁতক অকল জেলত দিলেই সম্পূৰ্ণ জাষ্টিচ হ'ব জানো? অসমৰ বন্য প্ৰাণীবোৰকো জাষ্টিচ দিব লাগিব। কাজিৰঙাৰ গড় কেইটাই জাষ্টিচ পালে নে?

মই ভাবোঁ অনুষ্ঠান সমূহৰো জাষ্টিচ পোৱাৰ অধিকাৰ আছে। একোটা অনুষ্ঠানৰ জন্ম দিবলৈ কিমান ত্যাগ আৰু কষ্ট স্বীকাৰ কৰিব লগীয়া হয়, তাক উপলব্ধি কৰিব পাৰে কেৱল যিসকল লোক অনুষ্ঠান এটাৰ জন্মৰ লগত জড়িত হৈ থাকে। সেইসকলে জানে - কিমান পৰিশ্ৰমৰ বিনিময়ত অনুষ্ঠান এটাৰ আধাৰশিলা স্থাপন কৰিব পাৰি। অনুষ্ঠান এটাক আকাৰ দি পূৰ্ণাংগ ৰূপত প্ৰতিষ্ঠাপন কৰিবলৈ কিমান চিন্তা, কিমান পৰিকল্পনা, প্ৰয়োজনীয় ধনৰ বাবে কিমান কচৰৎ কৰিব লগীয়া হয় তাক অনুধাৱন কৰাটোৱেই কঠিন। মানুহৰ ব্যক্তিগত লোভ আৰু দুৰাকাঙ্খাৰ বাবে পৃথিৱীৰ অন্যান্য স্থানত কোনো অনুষ্ঠানৰ মৃত্যু ঘটিছে নে নাই, নাজানো। কিন্তু অসমত তেনেকুৱা অনেক উদাহৰণ আছে।

পৃথিৱীৰ বহু বৃহৎ অনুষ্ঠানৰ জন্ম হয় অনেক সাধাৰণ মানুহৰ হাতৰে। কিন্তু অনুষ্ঠান একোটাৰ মৃত্যুৰ পিছফালে নাথাকে সাধাৰণ মানুহৰ কোনো ভূমিকা। কেতিয়াবা এজন নাইবা কিছু সংখ্যক ডাঙৰ মানুহৰ সৰু সৰু গোট একোটাই অনুষ্ঠানৰ অনায়াসে অপমৃত্যু ঘটাব পাৰে। যেনেদৰে অপমৃত্যু ঘটালে আমাৰ মহান শিল্পী জুবিন গাৰ্গৰ। তেনে লোকৰ বাবে অনুষ্ঠানটো কোনো কথা নহয়। মূল কথা হৈছে তাৰ ভিতৰত থকা সম্পদ বিচাৰি উলিয়াই যি কোনো প্ৰকাৰে হৰণ কৰা।

জুবিনৰ ক্ষেত্ৰতো একেই কথা। শ্যাম কানু, সিদ্ধাৰ্থ আৰু সাংগোপাংগৰ দলে জুবিনৰ উপাৰ্জন আত্মসাৎ কৰিবলৈ সকলো সময়তে তৎপৰ হৈ আছিল, কিন্তু তেওঁক জীয়াই ৰাখিবলৈ সিহঁতৰ কোনো প্ৰয়াস নাছিল। কিমান পৰিশ্ৰম, কিমান সাধনা আৰু অধ্যৱসায় কৰি জুবিনে আজিৰ পৰ্য্যায়ত উপনীত হৈছিল। লগত থকা সেই শিয়াল জাকে জুবিনক মৃত্যুশয্যাত শুৱাই দিলে। কেৱল আইন প্ৰশাসনেই সেইবোৰ মানুহক চিধা কৰিব পাৰিব নে? কোনোবা সংগঠন বা সাধাৰণ মানুহে তেনেকুৱা মানুহৰ ওপৰত সন্দেহ কৰি চকু দি থাকিব লাগিব নেকি? নামবোৰো কি সাংঘাতিক - শ্যামকানু, মহৎ, হৰিশ্চন্দ্ৰ, কন্দৰ্প? সঁচাকৈয়ে মহন্তৰ চিন ওলাইছে মাহনিত!

কেৱল আইন প্ৰশাসনেই সেইবোৰ মানুহক চিধা কৰিব পাৰিব নে? সামাজিক জাষ্টিচ পাবলৈ হ'লে যি কোনো সংগঠন বা সাধাৰণ মানুহে তেনেকুৱা মানুহৰ ওপৰত সন্দেহ কৰি চকু দি থাকিব লাগিব। কবি ভৰ্তৃহৰিয়ে সেই তাহানিতে লিখি থৈ গৈছিল -

"দুৰ্জনঃ পৰিহৰ্তব্যো বিদ্যয়ালংকৃতোপি সন্।
মণিনা ভূষিতঃ সৰ্পঃ কিমসৌ ন ভয়ংকৰঃ।।"

সৰ্পৰ মূৰৰ মণিয়ে তাৰ ভয়ংকৰ ৰূপটো নাইকিয়া কৰিব নোৱাৰে। সেইদৰে উচ্চ শিক্ষা, ধৰ্মীয় ভিত্তি থকা ঘৰ এখন থাকিলেও মানুহৰ অন্তৰ্নিহিত ভয়ংকৰ ৰূপৰ সলনি নহয়। হ'ব পাৰে তেওঁ বিশ্ব বিদ্যালয়ৰ উপাচাৰ্য্য, হ'ব পাৰে তেওঁ ডি জি পি, অন্তৰক পুহি ৰখা সাপ বাহিৰ হৈ আহিবলৈ সময় নালাগে।

মণি বিভূষিত সৰ্প বৰ্তমান য'তে-ত'তে। আমি মণি বিভূষিত সৰ্প চিনাক্ত কৰিব লাগিব আৰু সেইবোৰৰ নিধন যজ্ঞ পাতি সকলোকে জাষ্টিচ দিব লাগিব।

# আধুনিক যুগত শিক্ষকৰ পৰিৱৰ্তিত ভূমিকা



নিবেদিতা হাজৰিকা

সময় পৰিৱৰ্তনশীল। সেই পৰিৱৰ্তনৰ ঢৌ শিক্ষক সমাজলৈও পৰ্যবসিত হৈছে। ই এক শুভ সংকেত। কিয়নো শিক্ষকৰ কাম কেৱল শিক্ষা দানতে শেষ নহয়। ইয়াৰ লগতে শিক্ষকে বহু গধুৰ দায়িত্ব পালন কৰিব লগা হয়। পূৰ্বৰ তুলনাত শিক্ষা ক্ষেত্ৰত পদ্ধতিৰ পৰা আৰম্ভ কৰি আন আনুষংগিক বিষয় সমূহতো ব্যাপক পৰিৱৰ্তন সাধিত হৈছে। ইয়াক যুগৰ পৰিৱৰ্তন বুলিও ক'ব পাৰি বা সময়ৰ আহ্বান বুলিও ক'ব পাৰি।

শিক্ষকৰ দায়িত্ব পূৰ্বতেও আছিল আৰু আজিও আছে। কিন্তু সময়ৰ লগে-লগে শিক্ষকৰ দায়িত্ব দিনক -দিনে বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। পূৰ্বৰ শিক্ষকৰ তুলনাত বৰ্তমান শিক্ষকৰ দায়িত্ব যথেষ্ট বেছি। আধুনিক যুগত শিক্ষকৰ ভূমিকা সঁচাকৈয়ে পৰিৱৰ্তন হৈছে, যাৰ ফলত তেওঁলোকৰ সৰ্বময় কৰ্তৃত্বৰ ঠাইত এক গণতান্ত্ৰিক আৰু পৰোক্ষ ভূমিকা আহি পৰিছে। এই নতুন ভূমিকা পূৰ্বৰ তুলনাত অধিক দায়িত্বপূৰ্ণ তথা জটিল। শিক্ষক এতিয়া কেৱল জ্ঞানৰ ভাণ্ডাৰ নহয়, বৰঞ্চ তেওঁলোক এজন সহায়ক, পথ প্ৰদৰ্শক তথা ছাত্ৰৰ সমকক্ষ এজন ৰোল মডেল স্বৰূপ। আধুনিক যুগত শিক্ষকৰ ভূমিকা পৰম্পৰাগত জ্ঞান বিতৰণৰ পৰা এজন সহায়ক, পথ প্ৰদৰ্শক তথা প্ৰেৰণাদায়ক ব্যক্তিলৈ পৰিৱৰ্তিত হৈছে। বৰ্তমান সময়ত শিক্ষকৰ মূল কাম হৈছে ছাত্ৰ-ছাত্ৰী সকলক আত্ম নিৰীক্ষণ কৰা তথা আংগিক সৃজনশীলতা বিকাশত সহায় কৰা, উৎসাহ যোগোৱা আৰু সঠিক দিশৰ পথ দেখুওৱা। এই সমূহৰ উপৰিও আধুনিক শিক্ষকৰ সকলোতকৈ গুৰুত্বপূৰ্ণ দায়িত্ব হৈছে আধুনিক তথ্য -প্ৰযুক্তি ব্যৱহাৰ কৰি পাঠদানৰ পদ্ধতি উন্নত কৰা।

আধুনিক যুগৰ শিক্ষকৰ ভূমিকা এজন 'বিষয় বস্তু বিতৰক' ৰ পৰা এজন 'জ্ঞানৰ সহায়ক' লৈ সলনি হৈছে। পূৰ্বৰ বিষয় বস্তু বিতৰক হিচাপে শিক্ষকে শিক্ষাদান কৰা এই পদ্ধতি বৰ্তমান সলনি হৈছে। সকলো ধৰণৰ প্ৰত্যাহ্বানৰ প্ৰতি ছাত্ৰ-ছাত্ৰী সকলক সাজু কৰি তোলাই হৈছে এই শিক্ষা পদ্ধতিৰ মূল উদ্দেশ্য। অনুকূল পৰিৱেশৰ সৃষ্টি, সামাজিক তথা ব্যক্তিগত বিকাশ, ব্যক্তিগত শিক্ষাৰ প্ৰসাৰ, প্ৰযুক্তিৰ ব্যৱহাৰ, তথ্যৰ সংৰক্ষণৰ পৰা পথ প্ৰদৰ্শকলৈকে আধুনিক যুগৰ শিক্ষকে বহুটো দায়িত্ব তথা ভূমিকা পালন কৰিব লগা হয়। শিক্ষা ক্ষেত্ৰত শিক্ষক তথা শিক্ষাৰ্থীৰ ভূমিকা পৰিৱৰ্তনৰ অন্যতম শক্তিশালী শক্তি হ'ল এই নতুন পদ্ধতি সমূহ। এই পদ্ধতি সমূহে শিক্ষা ব্যৱস্থাৰ আমূল পৰিৱৰ্তন সাধন কৰাত বিশেষ ভূমিকা পালন কৰিছে আৰু শিক্ষা ক্ষেত্ৰত ব্যাপক উন্নতি সাধন কৰিবলৈ সক্ষম হৈছে।

আধুনিক যুগৰ শিক্ষা পদ্ধতিয়ে যেনেদৰে শৈক্ষিক ক্ষেত্ৰত বহু পৰিৱৰ্তন সাধন কৰিবলৈ সক্ষম হৈছে ঠিক সেইদৰে শিক্ষাৰ আধুনিকীকৰণৰ ফলত শিক্ষা ক্ষেত্ৰত আমূল পৰিৱৰ্তন সাধিত হৈছে। শৈক্ষিক ক্ষেত্ৰত এক নতুন যুগৰ সূচনা হোৱা বুলি ক'ব পাৰি। ব্যক্তি তথা সমাজৰ সৰ্বাত্মক বিকাশ সাধন, শিক্ষাৰ মাধ্যমেৰে জ্ঞানৰ প্ৰসাৰ ঘটোৱা, দক্ষতা বৃদ্ধি, উন্নত চিন্তাৰ সৃষ্টি, প্ৰযুক্তিৰ আত্মিককৰণ, সামাজিক দায়িত্ববোধৰ বিকাশ তথা উদ্ভাৱনী ক্ষমতা বৃদ্ধিৰ দৰে বিষয় সমূহৰ ওপৰত আধুনিক শিক্ষাই গুৰুত্ব দিয়ে। সেয়ে পৰিৱৰ্তিত সময়ৰ লগত খাপ খুৱাই শিক্ষক সকলেও এই বিষয় বা দিশ সমূহ শিক্ষা ক্ষেত্ৰত প্ৰয়োগ কৰিবলৈ তথা এই সমূহৰ বিকাশ সাধন কৰি শিক্ষা ক্ষেত্ৰত ইয়াৰ সফল প্ৰয়োগ কৰিবলৈ যত্নপৰ হ'ব লাগিব।

আধুনিক শিক্ষক সকল সমাজৰ সামাজিক নিয়ন্ত্ৰণৰ এক অন্যতম আহিলা স্বৰূপ, যাৰ ফলত তেওঁলোকে ছাত্ৰ সমাজক সামাজিক পৰিৱৰ্তনৰ বাবে দায়বদ্ধ কৰি তোলাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। ছাত্ৰ সমাজৰ সৰ্বাংগীণ বিকাশৰ বাবে আধুনিক শিক্ষক সকলে বিভিন্ন আধুনিক পদ্ধতি, প্ৰযুক্তিৰ ব্যৱহাৰ তথা বিশ্লেষণাত্মক চিন্তা-চৰ্চাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা দেখা যায়।

আধুনিক যুগত শিক্ষকৰ দায়িত্ব আৰু ভূমিকা স্বাভাৱিকতে বহুখিনি বৃদ্ধি পাইছে। ইয়াক এক প্ৰকাৰ সময়ৰ আহ্বান বুলিও ক'ব পাৰি। পৰিৱৰ্তিত সময়ৰ লগত খাপ খুৱাই চলিবলৈ তথা ছাত্ৰ সমাজক ইয়াৰ বাবে যোগ্য কৰি তুলিবলৈ হ'লে শিক্ষক সমাজে এই ধৰণৰ পৰিৱৰ্তিত ব্যৱস্থা সমূহ আদৰি ল'ব লাগিব।

শেষত এটা কথা স্বীকাৰ কৰিবই লাগিব যে আধুনিক শিক্ষক সকলৰ দায়িত্ব তথা ভূমিকা যথেষ্ট গধুৰ যদিও ই এক নতুন যুগৰ সূচনাৰো পথ প্ৰশস্ত কৰি তুলিছে।

# নিৰ্বাচন প্ৰক্ৰিয়া আৰু জনগণৰ দায়িত্ব



কমলেশ কাঞ্চন

*ভাৰতৰ সংসদীয় গণতন্ত্ৰত বহু দলীয় ব্যৱস্থা দেখা যায়। বহু দলীয় ব্যৱস্থা হোৱাৰ বাবে কেতিয়াবা যোগ্যজনৰ সলনি অযোগ্য ব্যক্তি নিৰ্বাচিত হোৱা পৰিলক্ষিত হয়। বহু সময়ত ভোটাৰে যোগ্য প্ৰাৰ্থী বাছনি কৰিবলৈ অসমৰ্থ হয়। এইক্ষেত্ৰত শিক্ষাই গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে। শিক্ষিত সমাজ এখনৰ পৰা সবল গণতন্ত্ৰ আশা কৰিব পাৰি।*

নিৰ্বাচন হৈছে গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ এক উল্লেখযোগ্য বৈশিষ্ট্য। নিৰ্বাচন অবিহনে গণতন্ত্ৰৰ কথা কল্পনা কৰিব নোৱাৰি। ভাৰতৰ সংসদীয় গণতান্ত্ৰিক ব্যৱস্থা হৈছে বিশ্বৰ ভিতৰতে বৃহৎ। ইয়াত প্ৰধানকৈ ৰাষ্ট্ৰপতি, উপ- ৰাষ্ট্ৰপতি, লোকসভা, ৰাজ্যসভা, বিধানসভা, পঞ্চায়ত আদি নিৰ্বাচন হয়। ভাৰতৰ নিৰ্বাচন প্ৰক্ৰিয়া দুই প্ৰকাৰৰ। ১/ প্ৰত্যক্ষ নিৰ্বাচন আৰু ২/পৰোক্ষ নিৰ্বাচন। প্ৰত্যক্ষ নিৰ্বাচন প্ৰক্ৰিয়াত জনসাধাৰণে পোনপটীয়াভাৱে নিৰ্বাচনৰ সৈতে জড়িত হয়। এই প্ৰক্ৰিয়াত ভোটাৰে নিজৰ পছন্দৰ প্ৰাৰ্থীজনক ভোটকেন্দ্ৰলৈ গৈ ভোটদান কৰে। ভাৰতবৰ্ষত লোকসভা, বিধানসভা, পঞ্চায়ত, পৌৰ নিগম, পৰিষদীয় আদি নিৰ্বাচন প্ৰত্যক্ষ নিৰ্বাচন প্ৰক্ৰিয়াৰে অনুষ্ঠিত হয়। আনহাতে দেশৰ ৰাষ্ট্ৰপতি, উপ- ৰাষ্ট্ৰপতি, ৰাজ্যসভা আদিৰ নিৰ্বাচন পৰোক্ষ নিৰ্বাচন প্ৰক্ৰিয়াৰে অনুষ্ঠিত হয়। পৰোক্ষ নিৰ্বাচন প্ৰক্ৰিয়াত জনসাধাৰণে পোনপটীয়াভাৱে নিৰ্বাচনত অংশ গ্ৰহণ নকৰে কিন্তু জনসাধাৰণে নিৰ্বাচন কৰি দিয়া প্ৰতিনিধিয়ে এই নিৰ্বাচনত অংশ লয়। এই নিৰ্বাচনত সাধাৰণ জনতাই প্ৰত্যক্ষভাৱে অংশ গ্ৰহণ কৰাৰ সুবিধা নাপায়। নিৰ্বাচন সমূহ সুন্দৰ কৈ পৰিচালনা কৰাৰ বাবে কেন্দ্ৰ আৰু ৰাজ্যত একোখনকৈ স্বতন্ত্ৰ নিৰ্বাচন আয়োগ থাকে। নিৰ্বাচনৰ দিন তথা ফলাফলৰ তাৰিখ নিৰ্বাচন আয়োগে ঘোষণা কৰে। নিৰ্বাচন প্ৰত্যক্ষ বা পৰোক্ষ যিয়ে নহওক ভাৰতৰ গণতান্ত্ৰিক ব্যৱস্থাত প্ৰত্যেকটো ভোটৰে কিন্তু মূল্য সমান। সমান আৱেগৰে সকলো নিৰ্বাচনতে জনসাধাৰণ অংশীদাৰ হয়।

বৰ্তমান ভাৰতৰ ৰাজনীতিত বিহাৰ বিধানসভাৰ নিৰ্বাচনৰ বিষয়টোৱে চৰ্চিত হৈ আছে। চলিত মাহৰ ৬ তাৰিখে বিহাৰ ৰাজ্যৰ নিৰ্বাচন আয়োগে বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা কৰে। নিৰ্বাচন আয়োগে ঘোষণা কৰা অনুসৰি নৱেম্বৰ মাহৰ ৬ আৰু ১১ তাৰিখে দুটা পৰ্যায়ত বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। বিহাৰ ৰাজ্যৰ নিৰ্বাচনৰ ফলাফলৰ ২-৩ মাহ পিছতেই আমাৰ ৰাজ্য অসমত নিৰ্বাচনী বতাহ বলিব। সমসাময়িকভাৱে পশ্চিমবংগটো বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। এইদৰে প্ৰত্যেক পাঁচ বছৰৰ অন্তৰে অন্তৰে দেশৰ ২৮খন ৰাজ্য আৰু ৮খন কেন্দ্ৰীয় শাসিত অঞ্চলত বিধানসভা আৰু লোকসভাৰ নিৰ্বাচন অনুষ্ঠিত হয়। অৱশ্যে ২৫০খন ৰাজ্যসভাৰ আসনৰ ভিতৰত ২৩৮খন আসনত নিৰ্বাচন অনুষ্ঠিত হয়। ৰাজ্যসভাৰ সদস্যৰ কাৰ্যকাল ৬ বছৰ। লোকসভা আৰু বিধানসভাৰ নিৰ্বাচনৰ দৰে প্ৰত্যক্ষ নিৰ্বাচনৰে ইয়াত প্ৰতিনিধি নিৰ্বাচন কৰা নহয়। যেতিয়াই কোনো সাংসদৰ ৬ বছৰ কাৰ্যকাল সম্পূৰ্ণ হয় তেতিয়াই তেওঁ প্ৰতিনিধিত্ব কৰা ৰাজ্যখনৰ বিধায়ক, মন্ত্ৰী, মুখ্যমন্ত্ৰীয়ে ভোটদানৰ জৰিয়তে পুনৰ প্ৰাৰ্থী নিৰ্বাচন কৰে। এইদৰে ভাৰতৰ নিৰ্বাচন প্ৰক্ৰিয়াই ভাৰতক এখন সুস্থ গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ ৰাষ্ট্ৰ কৰি তুলিছে।

ভাৰতৰ সংসদীয় গণতন্ত্ৰত বহু দলীয় ব্যৱস্থা দেখা যায়। বহু দলীয় ব্যৱস্থা হোৱাৰ বাবে কেতিয়াবা যোগ্যজনৰ সলনি অযোগ্য ব্যক্তি নিৰ্বাচিত হোৱা পৰিলক্ষিত হয়। বহু সময়ত ভোটাৰে যোগ্য প্ৰাৰ্থী বাছনি কৰিবলৈ অসমৰ্থ হয়। এইক্ষেত্ৰত শিক্ষাই গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে। শিক্ষিত সমাজ এখনৰ পৰা সবল গণতন্ত্ৰ আশা কৰিব পাৰি। আমি জানো যে অশিক্ষিত ব্যক্তিয়ে প্ৰায়ে আৱেগৰ বশৱৰ্তী হৈ ভোটদান কৰে। একাংশ ৰাজনৈতিক দলে আকৌ নিজৰ দলীয় স্বাৰ্থ পূৰণৰ বাবে ধনবল - বাহুবল প্ৰয়োগ কৰে। যিটো সুস্থ গণতন্ত্ৰৰ পৰিপন্থী। ৰাজনৈতিক নেতাবোৰেওঁ (সকলো নহয়) জাতি, ধৰ্ম, সম্প্ৰদায়ক লৈ মন্তব্য কৰি ভোট বিভাজনৰ সৃষ্টি কৰে। বৰ্তমান একাংশ ব্যক্তিৰ পৰ্বত সম সম্পত্তি দেখিলে এনেকুৱা লাগে যেন তেওঁলোকে দেশ সেৱাতকৈ নিজৰ সম্পত্তিৰ বিষয়টোহে বেছিকৈ গুৰুত্ব দিয়ে। জনসাধাৰণে সকলো জানিও একো কৰিব নোৱাৰে। কৰিব পাৰে মাথোঁ প্ৰতিবাদ। কিন্তু প্ৰতিবাদ কৰিব কোনে? সকলো নিজক লৈ ব্যস্ত। এইক্ষেত্ৰত দেশ তথা ৰাজ্যৰ বিৰোধী দলবোৰ সজাগ- সচেতন হ'ব লাগে। বিৰোধী দল সুস্থ গণতন্ত্ৰৰ মূল অস্ত্ৰ। বিৰোধী শক্তিশালী হ'লেহে গণতন্ত্ৰ শক্তিশালী হয়। দেশ তথা ৰাজ্যৰ প্ৰধান সমস্যাবোৰ জনসাধাৰণক অৱগত কৰোৱাটো বিৰোধী দলৰ প্ৰধান কৰ্তব্য। দুৰ্নীতি - ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে শক্তিশালী জনমত গঠন কৰিব লাগিব বিৰোধী দলে।

দেশ এখন প্ৰগতিৰ দিশত অগ্ৰসৰ হ'বলৈ হ'লে জনসাধাৰণ শিক্ষিত হ'বই লাগিব। গণতন্ত্ৰ যিহেতু সংখ্যাৰ ওপৰত নিৰ্ভৰশীল; সেয়ে গৰিষ্ঠ সংখ্যক লোকেই শিক্ষিত হ'ব লাগিব। জনসাধাৰণ ৰাজনৈতিকভাৱে সজাগ- সচেতন হোৱাটো খুবেই প্ৰয়োজন। ৰাজনৈতিক দলৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব লগা প্ৰতিনিধিজনৰ অতীত সদায় পুংখানুপুংখভাৱে অধ্যয়ন কৰিব লাগে। অপৰাধ, দুৰ্নীতিৰ লগত জড়িত ব্যক্তিৰ হাতত ক্ষমতা ন্যস্ত কৰাটো অনুচিত। ৰত্নাকৰে বাল্মীকি হ'লেও সকলো বাল্মীকি হ'ব নোৱাৰে। সাম্প্ৰতিক সময়ত ভাৰতৰ দৰে দেশত বিবেক ভোটৰ দ্বাৰা আকাংক্ষিত প্ৰাৰ্থীজন নিৰ্বাচিত হ'ব বুলি আশা কৰাটো পৰ্বতত কাছ কণী বিচৰাৰ লেখীয়া। বিবেকতকৈ আৱেগৰ বশৱৰ্তী হৈ ভোটদান কৰা লোকৰ সংখ্যা অধিক। ৰাজতন্ত্ৰ, গণতন্ত্ৰ, সমাজতন্ত্ৰ আৰু একনায়কত্ববাদ - এই চাৰি শাসন ব্যৱস্থাৰ ভিতৰত গণতন্ত্ৰকেই শ্ৰেষ্ঠ শাসন ব্যৱস্থা বুলি কোৱা হয় যদিও গণতন্ত্ৰ শ্ৰেষ্ঠ হ'বলৈ হ'লে শিক্ষাৰ গত্যন্তৰ নাই। গণতন্ত্ৰত যেতিয়া জনসাধাৰণ ১০০% শিক্ষিত হ'ব তেতিয়াই নিৰ্বাচনত উপযুক্ত প্ৰাৰ্থী নিৰ্বাচিত হ'ব বুলি আশা কৰিব পাৰি; অন্যথা বিবেক ভোটৰ গুৰুত্ব থাকিব বুলি আশা নকৰাই ভাল।

# ডবকা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰতিষ্ঠাপক শিক্ষকৰ বিদায় সম্ভাষণ অনুষ্ঠান

**অসম বাৰ্তা, ডবকা, ১২ অক্টোবৰ ঃ** হোজাই জিলাৰ যোগীজান শিক্ষা খণ্ডৰ অন্তৰ্গত ডবকা এম.ই. স্কুলত আজি বিদ্যালয় খনৰ এগৰাকী সদ্য অৱসৰপ্ৰাপ্ত শিক্ষকৰ ৰাজহুৱা বিদায় সম্ভাষণ সভা অনুষ্ঠিত হয়। বিদ্যালয় গৃহত আয়োজন কৰা এই সভা খনত সভাপতিত্ব কৰে বিদ্যালয় খনৰ পৰিচালনা সমিতিৰ সভাপতি ছেলিম আহমেদ লস্কৰে। সভাৰ আৰম্ভণি জাতীয় সংগীতেৰে আৰম্ভ কৰাৰ লগতে সমগ্ৰ অসমৰ লগতে কোটি কোটি বিশ্ববাসীৰ হৃদয় জয় কৰা আমাৰ সকলোৰে প্ৰিয় জুবিন গাৰ্গৰ ফটোত মাল্য অৰ্পণ কৰি মায়াবিনী গীতেৰে জুবিন গাৰ্গক স্মৰণ কৰা হয় আৰু অৱসৰ প্ৰাপ্ত শিক্ষকৰ দ্বাৰা নাহৰ আৰু বকুল পুলি ৰোপণ কৰা হয়। ইয়াৰ লগতে সদ্য হতে বিদ্যালয় খনৰ প্ৰতিষ্ঠাপক অৱসৰপ্ৰাপ্ত শিক্ষক ফয়জুল হক বড়ভূ এঞাৰ শিক্ষাৰ ক্ষেত্ৰত দীৰ্ঘদিনীয়া অৱদানৰ বাবে বিশেষভাৱে সন্মান জনোৱা হয়। অৱসৰ প্ৰাপ্ত শিক্ষক ফয়জুল হক বৰভূএঞাক ফুলাম গামোচা, মান পত্ৰ, শৰাই আৰু জাপিৰে সম্বৰ্দ্ধনা জনায় বিদ্যালয় খনৰ প্ৰধান শিক্ষয়িত্ৰী মনিকা বেগম, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ছেলিম আহমেদ লস্কৰ, বিদ্যালয় খনৰ বিষয় খাইৰুল আলম তালুকদাৰ, শিক্ষয়িত্ৰী মুনমি বেগম, আজিজুৰ ৰহমান, বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ হিলাল (ৰৌজ) চৌধুৰী, চাহাব উদ্দিন লস্কৰে। বিদ্যালয় খনৰ শিক্ষক-শিক্ষয়িত্ৰী সকলৰ লগতে আমন্ত্ৰিত অতিথি সকলে অৱসৰ প্ৰাপ্ত কৃতি শিক্ষৰ পৰিশ্ৰম আৰু শিক্ষা প্ৰতি উৎসৰ্গক মনত ৰাখি বিদ্যালয়ৰ পৰিয়ালৰ পক্ষৰ পৰা কৃতজ্ঞতা প্ৰকাশ কৰে। আজিৰ বিদায়ী সম্ভাষণ অনুষ্ঠানৰ আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে হোজাই জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি আব্দুল খালিক সম্পাদক আব্দুচ চুবুৰ (হিৰা) সূতাৰ গাঁও এম, ই মাদ্ৰাছাৰ প্ৰধান শিক্ষক মাহমুদ খান, আজাদ নগৰ এল, পি স্কুলৰ প্ৰধান শিক্ষক ফখৰ উদ্দিন, বিদ্যানিকেতন এম, ই স্কুলৰ প্ৰধান শিক্ষক উত্তম কুমাৰ আইছ, ফিৰুজা এল, পি স্কুলৰ প্ৰধান শিক্ষক চালেহ আহমদ লস্কৰ, ডবকা মাতলা উল উলুম হাই স্কুলৰ বিষয় শিক্ষক ইমৰাণ হুছেইন, অসম কবি চক্ৰৰ হোজাই জিলাৰ সাংগঠনিক সম্পাদক তথা ইডেন মডেল একাডেমী চিঃচেকেগুৰী স্কুলৰ পৰিচালনা সঞ্চালক ৰিয়াজুল আলম পাটোৱাৰী, ডবকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক ইকৰাম হুছেইন মীৰ, শিক্ষা সমল বিষয়া আতিকুৰ ৰহমান তালুকদাৰ, এইখন বিদ্যালয়ৰ প্ৰাক্তন প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক ফখৰ উদ্দিন চৌধুৰী সহ অভিভাৱক সকল আৰু বৃহত্তৰ অঞ্চলৰ ৰাইজে বিদায়ী শিক্ষক ফয়জুল ৰহমান বৰভুএঞাৰ অৱসৰ জীৱন আৰু শুভভৱিষ্যৎ কামনা কৰি নিজৰ নিজৰ ভাষণত উল্লেখ কৰি কয় যে আপুনি আন্তৰিকতাৰে ডবকা এম, ই স্কুলত প্ৰতিষ্ঠাপক শিক্ষক হিচাপে বিদ্যালয়ৰ জন্মলগ্নৰে পৰা যি কষ্টসাধ্য আৰু আত্মত্যাগেৰে বিদ্যালয়খনৰ উন্নতিৰ লগতে ডবকা অঞ্চলত শিক্ষাদানেৰে দেশ আৰু বৃহত্তৰ অঞ্চলৰ উন্নতিৰ হকে শিক্ষিত সু-নাগৰিক সৃষ্টিত নিজকে বিলীন কৰি ৰাখিছে। ইয়াৰ উপৰিও এই বৃহত্তৰ ডবকা অঞ্চলৰ বিভিন্ন সামাজিক-শৈক্ষিক প্ৰতিষ্ঠানৰ লগত নিজকে আত্মনিয়োগ কৰি নিঃস্বাৰ্থ মনোভাবেৰে সেৱা আগবঢ়াইছে। ডবকা এম, ই স্কুলৰ প্ৰতিষ্ঠাপক শিক্ষক হিচাপে দ্বায়িত্ব গ্ৰহণ কৰি দীৰ্ঘ দিন বিদ্যালয়খনক সেৱা আগবঢ়ালে তাৰ বাবে আপোনাৰ হাস্যৰসেৰে পৰিপূৰ্ণ কৰ্ম জীৱনৰ নিঃস্বাৰ্থ ত্যাগত আমি সন্তোষিত আৰু আনন্দিত। আপোনাৰ জনসেৱা আমাৰ লগতে বৃহত্তৰ ডবকা অঞ্চলৰ প্ৰতিজন জনসাধাৰণৰ হৃদয়ৰ মনিকোঠাত চিৰযুগমীয়া হৈ থাকিব। মহান শিক্ষক জনৰ ভৱিষ্যত জীৱন সুখ আৰু আনন্দময় হোৱাৰ কমনা কৰে।

# ৰূপহীহাটত বুজন পৰিমাণৰ ড্ৰাগছসহ গ্ৰেপ্তাৰ ২

**অসম বাৰ্তা, ৰূপহীহাট, ১২ অক্টোবৰ ঃ** ৰূপহীহাটত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে। ৰূপহীহাট আৰক্ষীয়ে যোৱা নিশা এক গোপন সূত্ৰৰ পম খেদি ড্ৰাগছৰ বিৰুদ্ধে পৃথকে পৃথকে চলাই অভিযান। আৰক্ষীৰ প্ৰথম অভিয়ানত ৰূপহী টাউনৰ খালেদা বেগম নামৰ এগৰাকী মহিলা ড্ৰাগছ সৰবৰাহকাৰীৰ ঘৰত চলাই এক অভিযান। আৰক্ষীৰ অভিযান মহিলা ড্ৰাগছ সৰবৰাহকাৰী খালেদা বেগমৰ পৰা এটা চাবোনৰ বাকচভৰ্তি ড্ৰাগছ জব্দ কৰাৰ লগতে মহিলা গৰাকীক গ্ৰেপ্তাৰ কৰে। মহিলা গৰাকীৰ পৰা জব্দ কৰা ড্ৰাগছখিনিৰ ওজন ১২·২৭ গ্ৰাম। আনপিনে একে নিশাই ৰূপহীহাট আৰক্ষীয়ে ৰূপহী নতুন বজাৰত ড্ৰাগছৰ বিৰুদ্ধে চলাই আন এক অভিযান। আৰক্ষীৰ অভিয়ানত ২০ টাকৈ ড্ৰাগছ ভৰ্তি কণ্টেইনাৰৰ সৈতে গ্ৰেপ্তাৰ কৰে এটা ড্ৰাগছ সৰবৰাহকাৰীক। ধৃত ড্ৰাগছ সৰবৰাহকাৰীটো হল ছামছুল হক। ধৃত ছামছুল হকৰ পৰা জব্দ কৰা ড্ৰাগছ খিনিৰ ওজন ৩০·২০ গ্ৰাম। ৰূপহীহাট আৰক্ষীয়ে অধিক তথ্যৰ বাবে ধৃত ড্ৰাগছ সৰবৰাহকাৰী দুটাক জেৰা অব্যাহত ৰাখিছে।

# বানেইকুছি কলিতাপাৰা বিষ্ণু মন্দিৰত প্ৰথম বাৰ্ষিক পাঁচদিনীয়া ভাগৱত পাঠৰ প্ৰস্তুতি

**অসম বাৰ্তা, দেওমৰনৈ, ১২ অক্টোবৰ ঃ** ছিপাঝাৰ সমষ্টিৰ অন্তৰ্গত বানেইকুছি অন্তৰ্গত বানেইকুছি-কলিতাপাৰা বিষ্ণু মন্দিৰ পৰিচালনা সমিতিৰ সৌজন্যত আৰু আঞ্চলিক ৰাইজৰ উদ্যোগত বিশ্ব শান্তি তথা পৰিৱেশ সোধনৰ লগতে ভাতৃত্ববোধৰ আদৰ্শৰে অহা ৫ নবেম্বৰৰ পৰা ৯ নবেম্বৰলৈ প্ৰথম বাৰ্ষিক পাঁচ দিনীয়া ভাগৱত পাঠৰ আয়োজন কৰা হৈছে। পাঁচ দিনীয়া ভাগৱত পাঠ সূচাৰুৰূপে পৰিচালনা কৰাৰ উদ্দেশ্যে ইতিমধ্যে গজেন্দ্ৰ চন্দ্ৰ শৰ্মা সভাপতি, কনক কলিতা, ভদ্ৰেশ্বৰ শইকীয়া আৰু কুলেন্দ্ৰ কলিতাক উপ-সভাপতি, তিলক কলিতা সম্পাদক, অমৰেন্দ্ৰ হাজৰিকা আৰু বিশ্বজিৎ কলিতা আৰু শৰৎ কলিতাক সহঃ সম্পাদক লগতে ৰভা-মঞ্চ, পোহৰ, শব্দ, খাদ্য, দেউৰী, আপ্যায়ন, বিত্তীয়, কাৰ্যালয় আদি উপ সমিতিৰ লগতে প্ৰচাৰ উপ-সমিতিৰ ঘনকান্ত কলিতা সভাপতি আৰু জ্য তি প্ৰসাদ ডেকা সম্পাদক হিচাপে লৈ এখন শক্তিশালি উদযাপন সমিতি গঠন কৰিছে মন্দিৰ পৰিচালনা সমিতিয়ে। ৫ নবেম্বৰৰ পুৱা মন্দিৰৰ বন্তি প্ৰজ্বলন কৰিব দেউৰী নিলোৎপল ডেকাই, ৭ বজাত ধৰ্মধ্বজা উত্তোলন কৰিব অৱসৰী প্ৰধান শিক্ষক ৰামচন্দ্ৰ চহৰীয়াই, ক্ৰমে স্মৃতি তৰ্পণ, গছপুলি ৰোপণ, ভাগৱত আদৰণি, অক্ষয় বন্তি প্ৰজ্বলন, ভাগৱত পাঠ শুভাৰম্ভণি, ভোগ ঘৰৰ দ্বাৰ উন্মোচন, ৰাতিপুৱা ১০ বজাত ভাগৱত শোভাযাত্ৰা উদ্বোধন কৰিব দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ভাৰত ভূষন মহন্তই, সন্ধিয়া ৫.৩০ বজাত বৰভট্ট প্ৰজ্বলন কৰিব জ্যোতিষী গৌতম শৰ্মাই। সেইদৰে ৬ নবেম্বৰৰ পুৱা পৰিৱেশ নিকাকৰণ আৰু দিনজোৰা ভাগৱত পাঠ আৰু সন্ধিয়া বৰভট্ট প্ৰজ্বলন কৰিব সমাজকৰ্মী হৰনাথ কুমাৰে। ৭ নবেম্বৰৰ পুৱা পৰিৱেশ নিকাকৰণৰ পিছতেই দিনজোৰা ভাগৱত পাঠ আৰু সন্ধিয়া বৰভট্ট প্ৰজ্বলন কৰিব সমাজকৰ্মী জয়ন্ত ডেকাই। ৮ নবেম্বৰৰ পুৱা পৰিৱেশ নিকাকৰণ আৰু সন্ধিয়া বৰভট্ট প্ৰজ্বলন কৰিব অৱসৰী শিক্ষক নন্দিৰাম ডেকাই। ভাগৱত পাঠ অন্তিম দিনা পুৱা পৰিৱেশ নিকাকৰণ কৰিব মহিলা উপ-সমিতিয়ে। দিনৰ ১২ বজাত গজেন্দ্ৰ চন্দ্ৰ শৰ্মাৰ সভাপতিত্ব অনুষ্ঠিত হ'ব ধৰ্মালোচনা সভা। উক্ত সভাখন উদ্বোধন কৰিব ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° জয়ন্ত ডেকাই, বুটীনগৰ জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী বিষয় শিক্ষক জিতেন হাজৰিকা ধৰ্মালোচক হিচাপে উপস্থিত থাকিব। ভাৰতীয় জনতা পাৰ্টী, অসম প্ৰদেশৰ সভাপতি তথা সাংসদ দিলীপ শইকীয়াক মুখ্য অতিথি হিচাপে আমন্ত্ৰণ জনাইছে। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী ড° জয়নাথ শৰ্মা, অসম মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰু জ্যোতি দাস, ছিপাঝাৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়া, ছিপাঝাৰৰ যুৱনেতা কুলদীপ বৰুৱা, দৰং জিলা পৰিষদৰ সভাপতি শেৱালি গোস্বামী কলিতা, দৰং জিলা ভাৰতীয় জনতা পাৰ্টীৰ সভাপতি মুকুণ্ড ডেকা, দৰং জিলা পৰিষদৰ সদস্য ৰূপালী দেৱী, ছিপাঝাৰ আঞ্চলিক পঞ্চায়তৰ সদস্য তৰুণ ৰাজবংশী, বৰমপুৰ গাঁও পঞ্চায়তৰ সভাপতি মনিন্দ্ৰ দাস, বুটীনগৰ গাঁও পঞ্চায়তৰ সভাপতি পম্পী ডেকা।

# সাংসদ পুঁজিৰে নিৰ্মিত পথ উদ্বোধন প্ৰদ্যুৎ বৰদলৈৰ



**অসম বাৰ্তা, বেৰেজীয়া, ১২ অক্টোবৰ ঃ** নগাঁও সংসদীয় সমষ্টিৰ অন্তৰ্গত দক্ষিণ জাজৰিৰ এটা পথ আজি নিৰ্মাণৰ পিছত মুকলি কৰে সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে। প্ৰায় পাঁচ লক্ষ্য সাংসদীয় উন্নয়ন পুজিৰে নিৰ্মিত চিচি ব্লক পথটি মুকলি কৰি সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে কয় সাংসদ সকলৰ যি উন্নয়ন পুজি থাকে সেয়া যথেষ্ট নহয়। কাৰণ আমি ৮-৯টা বিধান সভা সমষ্টিৰ উন্নয়ন চাব লাগে। তথাপিও যিমানখিনি পাৰো কৰিবলৈ চেষ্টা কৰিছো। প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ ৰহস্য জনক মৃত্যু সম্পৰ্কত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰ দি সাংসদ গৰাকীয়ে কয়- "জুবিন গাৰ্গ এনেকুৱা এটা অনুষ্ঠান যিয়ে অসমীয়া জাতিক একতাৰ দুলেৰে বান্ধি গুৰুজনাৰ আদৰ্শ দেখুৱাই গ'ল। কংগ্ৰেছে কেতিয়াও জুবিন গাৰ্গক লৈ ৰাজনীতি কৰা নাই। ৰাজনীতি কৰিছে হিমন্ত বিশ্ব শৰ্মাই। জুবিন গাৰ্গে একত্ৰিত কৰিব বিছৰা অসমীয়া জাতিক হিমন্ত বিশ্ব শৰ্মাই ভাগ ভাগ কৰিবলৈ চেষ্টা কৰিছে। আমি সদায় জুবিন গাৰ্গৰ সঠিক ন্যায়ৰ পক্ষত আছো। আজি জুবিনৰ সমাধিক্ষেত্ৰৰ ফালে গলে সকলোৰে চকুলো ওলায়। তেওঁ কেতিয়াও হিন্দু, মুছলমান, শিখ, জৈন ভাগ কৰা নাছিল। কংগ্ৰেছে জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়ৰ বাবে এক বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিছো।" প্ৰায় দুই শতাধিক কংগ্ৰেছ কৰ্মী আৰু ৰাইজৰ উপস্থিতিত পথ মুকলি অনুষ্ঠানত সংসদ প্ৰদ্যুৎ বৰদলৈক সংগ দিয়ে নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টিৰ প্ৰাৰ্থিত্ব প্ৰত্যাশী যুৱনেতা মৃণাল হাজৰিকা, ৰহা সমষ্টিৰ প্ৰাৰ্থিত্ব প্ৰত্যাশী উৎপল বণিয়াকেই।

# শিশুৰাম হাজৰিকা-ডাঃ সতীশ দাস সোঁৱৰণী 'এ' ডিভিজন ফুটবল

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১২ অক্টোবৰ ঃ** মৰিগাঁও জিজলা ক্ৰীড়া সন্থাৰ উদ্যোগত আৰু ফুটবল উপশমিতিৰ তত্বাৱধানত বিপুল সংখ্যক ক্ৰীড়াপ্ৰেমী ৰাইজৰ উপস্থিতিত কৰ্মপ্ৰাণ ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত হৈ থকা শিশুৰাম হাজৰিকা আৰু ডাঃ সতীশ দাস সোঁৱৰণী প্ৰাইজমাণী 'এ' ডিভিজন আন্তঃক্লাব ফুটবল লীগ প্ৰতিযোগিতাৰ আজিৰ খেলত বিগত বৰ্ষৰ ৰাণাৰ-আপ মৰিগাঁও ব'লবম ফুটবল একাদশে সুন্দৰ আৰু সংঘবদ্ধ খেল প্ৰদৰ্শন কৰি মৰিগাঁও ৰাণা ক্লাবক ২-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি সম্পূৰ্ণ পইণ্ট অৰ্জন কৰে। ব'লবম একাদশৰ হৈ নেৰচন বড়ো আৰু আনচাই বড়োৱে একোটাকৈ গ'ল স্ক'ৰ কৰে। মেচ কমিছনাৰ নাছিৰ উদ্দিন আহমেদৰ পৰ্যাবেক্ষণত আজিৰ খেলখন অসম ফুটবল সন্থাৰ স্বীকৃতিপ্ৰাপ্ত ৰেফাৰী ক্ৰমে ভোগচিং বৰদলৈ, দ্বিগেন পাতৰ, বলেন বৰা আৰু সঞ্জয় ফাংচনে পৰিচালনা কৰে।

# মাজুলীত বিদ্যালয় পৰিচালনা সমিতিৰ মণ্ডল পৰ্যায়ৰ তিনিদিনীয়া প্ৰশিক্ষণ সম্পন্ন




**অসম বাৰ্তা, উজনী মাজুলী, ১২ অক্টোবৰ ঃ** শিক্ষাৰ অধিকাৰ আইনৰ ধাৰা ২১ ৰ অধীনত বিদ্যালয় পৰিচালনা সমিতিসমূহ গঠন কৰা হৈছে। পৰিচালনা সমিতিৰ সামৰ্থ্য বৰ্ধন আৰু বিভিন্ন বিষয়ত সজাগতা বৃদ্ধিৰ বাবে সমগ্ৰ শিক্ষা অভিযানে তিনিদিনীয়া প্ৰশিক্ষণ অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ প্ৰদান কৰে। সেই মৰ্মে মাজুলী শিক্ষা খণ্ডৰ অন্তৰ্গত কমলাবাৰী মণ্ডল সমল কেন্দ্ৰ, পশ্চিম কমলাবাৰী মণ্ডল সমল কেন্দ্ৰ আৰু উত্তৰ কমলাবাৰী মণ্ডল সমল কেন্দ্ৰৰ ৭ অক্টোবৰৰ পৰা ১১ অক্টোবৰলৈ পৃথকে পৃথকে তিনিদিনীয়া প্ৰশিক্ষণ অনুষ্ঠিত হয়। উক্ত প্ৰশিক্ষণসূচীত ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০, জীৱন কৌশল, চাইবাৰ সুৰক্ষা, নিচামুক্ত বিদ্যালয়, পকছ' আইন আৰু শিশু সুৰক্ষা, শিক্ষা সেতু, বিদ্যাঞ্জলী ২.০, স্বচ্ছ আৰু সৰিত বিদ্যালয় ৰেটিং, নিপুন অসম, প্ৰাক্ প্ৰাথমিক শিশুৰ যতন আৰু শিক্ষা, পি এম শ্ৰী আঁচনি, প্ৰধানমন্ত্ৰী পোষণ শক্তি নিৰ্মাণ আঁচনি, সৰ্বাত্মক শিক্ষা, বিদ্যালয়ৰ বিত্তীয় হিচাপ, শিক্ষক অভিভাৱকৰ সম্পৰ্ক, বিদ্যালয় পৰিচালনা সমিতিৰ গঠন প্ৰক্ৰিয়া আৰু বিদ্যালয় পৰিচালনা সমিতিৰ দায়িত্ব আৰু কৰ্তব্য আদি বিষয়সমূহ প্ৰশিক্ষণ প্ৰদান কৰা হয়। প্ৰশিক্ষণত খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নৱৰত্ন কটকী, খণ্ড সমল ব্যক্তি প্ৰাঞ্জল শইকীয়া, বসন্ত বৰা আৰু মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক মনোজ্যোতি ৰেগনে উপস্থিত থাকি বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়ায়। তিনিদিনীয়া প্ৰশিক্ষণৰ সমল ব্যক্তি হিচাবে মনোজ্যোতি ৰেগন, সুৰেশ চন্দ্ৰ বৰা, অমৃত দাস, শশীধৰ বৰুৱা, ত্ৰিনয়ণ ৰাজখোৱা আৰু অজয় মিলিয়ে প্ৰশিক্ষণ প্ৰদান কৰে। তিনিওটা মণ্ডল সমল কেন্দ্ৰৰ এশ গৰাকী বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য-সদস্যাই অংশগ্ৰহণ কৰে।

# নহিৰা ৰাজহুৱা শ্ৰীশ্ৰীজগদ্ধাত্ৰী পূজাৰ আয়োজন

**অসম বাৰ্তা, মিৰ্জা, ১২ অক্টোবৰ ঃ** দক্ষিণ কামৰূপৰ সৰ্ববৃহৎ গাঁও নহিৰাত বিগত বছৰ সমূহৰ দৰে এই বেলিও নহিৰাবাসী ৰাইজে সৰ্বমংগলাৰ্থে অহা ২৭ অক্টোবৰ তাৰিখ সোমবাৰৰ পৰা ৩১ অক্টোবৰ তাৰিখ শুকুৰবাৰলৈ পাঁচদিনীয়া বৰ্ণাঢ্য আৰু বিস্তৃত কাৰ্যসূচীৰে জগৎমাতা শ্ৰীশ্ৰী মাঁ জগদ্ধাত্ৰী দেৱীৰ পূজাৰ আয়োজন কৰিছে। নহিৰা ৰাইজ গয়ৰহ সভাপতি প্ৰবীণ গোস্বামীয়ে জানিব দিয়া অনুসৰি ৭৫ তম এই পূজাভাগৰ লগত সংগতি ৰাখি আগন্তুক ২৭ অক্টোবৰ তাৰিখ সোমবাৰে সন্ধ্যা শ্ৰীশ্ৰী জগদ্ধাত্ৰী পূজাৰ অধিবাস, নহিৰা ঘেতিয়াপাৰাৰ হৰমোহন দাসৰ বাসগৃহৰ পৰা ৰচোনা ভাৰ অনায়ন কাৰ্যসূচী সমাপন কৰাৰ পিছত সন্ধিয়া ৬ বজাত অসম সম্পদ জুবিন গাৰ্গ লৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি প্ৰদান অনুষ্ঠান অনুষ্ঠিত কৰা হব। ইয়াৰ পিছত ২৮ অক্টোবৰ তাৰিখ মঙলবাৰে পুৱাৰ ভাগত পূজা মণ্ডপত পূজাৰ সম্ভাৰ প্ৰস্তুতি, ৭.৩০ বজাত ভক্তপ্ৰাণ ৰাইজৰ প্ৰীতি মিলন, ৮.৩০ বজাত ঘট বুৰণ, ৯.৩০ বজাত দুলনী অনায়ন, ১০ বজাত সপ্তমী বিহিত পূজা, দুপৰীয়া ১২ বজাৰ পৰা নিমন্ত্ৰিত অতিথিৰ অভ্যৰ্থনা, ১ বজাত মহাপ্ৰসাদ বিতৰণ ও ভোগ গ্ৰহণ, আবেলি ৩ বজাত আয়তীৰ নাম প্ৰসঙ্গ, সন্ধিয়া ৬.৩০ বজাত আৰতি আৰু সন্ধিয়া ৭ বজাত পুনৰ নাম প্ৰসঙ্গ কাৰ্যসূচী ৰূপায়ণ কৰা হব। একেদৰে ২৯ অক্টোবৰ বুধবাৰে পুৱা ৭ বজাত অষ্টমী বিহিত পূজাৰ আৰম্ভ, ১০ বজাত শ্ৰীশ্ৰী গোপীনাথ মন্দিৰত বিষ্ণু সহস্ৰ নাম আৰু পূজাৰম্ভ, দুপৰীয়া ১২ বজাত নিমন্ত্ৰিত অতিথিৰ অভ্যৰ্থনা, আবেলি ২ বজাত মহাপ্ৰসাদ বিতৰণ আৰু ভোগ গ্ৰহণ, সন্ধিয়া ৬.৩০ বজাত দেৱীৰ আৰতী আৰু মহাপ্ৰসাদ বিতৰণ, নিশা ৭ বজাৰ পৰা নাগাৰা নাম, আৰু নিশা ১১ বজাত যাত্ৰাভিনয় আৰম্ভ কৰা হব। ৩০ অক্টোবৰ তাৰিখ বৃহস্পতিবাৰে পুৱা ৭ বজাত নৱমী বিহিত পূজা, ১০ বজাত শ্ৰীশ্ৰী গোপীনাথ মন্দিৰত বিষ্ণু সহস্ৰনাম, পূজাৰম্ভ আৰু হোম যজ্ঞ, দুপৰীয়া ১২ বজাৰ পৰা নিমন্ত্ৰিত অতিথিৰ অভ্যৰ্থনা, দুপৰীয়া ১.৩০ বজাত শ্ৰীশ্ৰী গোপীনাথ মন্দিৰত বিষ্ণু সহস্ৰ নাম আৰু হোমৰ পুষ্পাঞ্জলি প্ৰদান, দুপৰীয়া ২ বজাত দেৱীৰ পুষ্পাঞ্জলি প্ৰদান, মহাপ্ৰসাদ বিতৰণ আৰু ভোগ গ্ৰহণ, আবেলি ৩ বজাত দেৱীৰ মন্দিৰ চৌহদ প্ৰদক্ষিণ আৰম্ভ, সন্ধিয়া ৬.৩০ বজাত দেৱীৰ আৰতী আৰু মহাপ্ৰসাদ বিতৰণ, নিশা ৭ বজাত ৰাইজলৈ নিৰ্মালী বিতৰণ, নিশা ৭.৩০ বজাত নাগাৰা নাম আৰু নিশা ১১ বজাত যাত্ৰাভিনয় আৰম্ভ কৰা হব। ৩১ অক্টোবৰ শুকুৰবাৰে পূজাৰ অন্তিম তথা শেষ দিন উপলক্ষে পুৱা ৭ বজাত দশমী বিহিত পূজা, ১০ বজাত দেৱীৰ জলত চৰণ দৰ্শন আৰু দেৱীক বিসৰ্জন আৰু আগন্তুক পূজাৰ আহ্বান, দুপৰীয়া ১২ বজাৰ পৰা নিমন্ত্ৰিত অতিথিৰ অভ্যৰ্থনা আৰু আবেলি ৪ বজাত প্ৰতিমা বিসৰ্জনৰ পৰ্ব আৰম্ভ কৰা হব। নহিৰাবাসী ৰাইজে সমূহ ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতি তথা সহায় সহযোগিতা কামনা কৰিছে উক্ত পূজা ভাগত।



# প্ৰধানমন্ত্ৰী ধন ধন্য কৃষি যোজনা আঁচনিৰ (PMDDKY)ৰ শুভাৰম্ভ

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ১২ অক্টোবৰ ঃ** আজি দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কৃষকৰ কল্যাণৰ বাবে নতুন দিল্লীত দুখনকৈ আঁচনিৰ শুভাৰম্ভ কৰে। এখন হ'ল প্ৰধানমন্ত্ৰী ধন-ধন্য কৃষি যোজনা আৰু আনখন হ'ল "পালচত্ আত্মনিৰ্ভৰশীলতাৰ মিচন" এই অনুষ্ঠানটোৰ লগত সংগতি ৰাখি সমগ্ৰ দেশৰ লগতে দুধনৈস্থিত গোৱালপাৰা জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ সভাকক্ষত জিলাখনৰ ভিন্ন প্ৰান্তৰ পৰা অহা প্ৰায় দুশ গৰাকী কৃষকৰ উপস্থিতিত আঁচনি দুখনৰ শুভাৰম্ভ অনুষ্ঠানৰ ভাৰ্চু ৱেলি প্ৰদৰ্শন কৰা হয়। গোৱালপাৰা কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী তথা প্ৰধান বিজ্ঞানী ড° সন্তোষ বৈশ্যই এই সম্পৰ্কত সংবাদমাধ্যমক কয় যে প্ৰধানমন্ত্ৰী ধন-ধন্য কৃষি যোজনা (PMDDKY) হৈছে ভাৰতীয় কৃষি কৃষকসকলৰ বাবে অধিক উৎপাদনশীল, বহনক্ষম, আৰু আৰ্থিকভাৱে লাভজনক কৰি এক বৈপ্-ৱিক পৰিৱৰ্তন আনিবলৈ আৰম্ভ কৰা এক যুগান্তকাৰী চৰকাৰী পদক্ষেপ। বহনক্ষম কৃষিৰ জৰিয়তে গ্ৰাম্য জনগোষ্ঠীসমূহক সবলীকৰণ কৰি "দৰিদ্ৰতামুক্ত ভাৰত" সৃষ্টিৰ বাবে এক মূল শিলাস্তমভ বুলি অভিহিত কৰিছে। ২০২৫ চনৰ ১ ফেব্ৰুৱাৰীত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ২০২৫-২৬ চনৰ কেন্দ্ৰীয় বাজেটৰ সময়ত ঘোষণা কৰা আৰু ২০২৫ চনৰ ১৬ জুলাইত কেন্দ্ৰীয় কেবিনেটে অনুমোদন জনোৱা পিএমডিডিকেৱাই ১০০খন অনডাৰপাৰ্ফৰ্মিং জিলাক লক্ষ্য কৰি লৈছে য'ত কৃষিয়ে কম শস্যৰ উৎপাদন, পানীৰ অভাৱ, আৰু সম্পদৰ সীমিত সুবিধাৰ দৰে প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। ছয় বছৰৰ বাবে (২০২৫-২৬ৰ পৰা ২০৩০-৩১) বাৰ্ষিক বাজেট ২৪, ০০০ কোটি, মুঠ ১.৪৪ লাখ কোটি, এই আঁচনিখনৰ লক্ষ্য হৈছে ১.৭ কোটি কৃষক, বিশেষকৈ ২ হেক্টৰতকৈ কম মাটিৰ মালিক ক্ষুদ্ৰ আৰু প্ৰান্তীয় কৃষক, যিসকলে ভাৰতৰ কৃষক জনসংখ্যাৰ ৮৬% গঠন কৰে (অৰ্থনৈতিক জৰীপ ২০২৪-২৫)। পিএমডিডিকেৱাই পিএম-কিছান (নগদ ধন হস্তান্তৰ), পিএমএফবিৱাই (শস্য বীমা), পিএমকেএছৱাই (জলসিঞ্চন), আৰু ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা (আৰকেভিৱাই)কে ধৰি ১১টা মন্ত্ৰালয়ৰ ৩৬খন বৰ্তমানৰ কৃষি আঁচনি একত্ৰিত কৰি প্ৰচেষ্টাসমূহ সুশৃংখলিত আৰু প্ৰভাৱ সৰ্বাধিক কৰাৰ বাবে এক ঐক্যবদ্ধ কাৰ্যসূচীত ৰূপায়ণ কৰে। স্বাস্থ্য, শিক্ষা, আৰু আন্তঃগাঁথনিৰ ক্ষেত্ৰত ১১২খন অনুন্নত জিলাক ৰূপান্তৰিত কৰা নিটি আয়োগৰ আকাংক্ষিত জিলা কাৰ্যসূচী (এডিপি)ৰ পৰা প্ৰেৰণা লৈ পিএমডিডিকেৱাই কম শস্যৰ উৎপাদন (যেনে, ৰাষ্ট্ৰীয় গড়ৰ তুলনাত ঘেঁহুৰ উৎপাদন ৩.৫ টন হেক্টৰৰ তলত), মধ্যমীয়া শস্যৰ তীব্ৰতা (১৫৫ক্ষতকৈ কম, অৰ্থাৎ ১.৫৫তকৈ কম) অঞ্চলসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰে প্ৰতি বছৰে শস্যৰ চক্ৰ), আৰু ঋণৰ সুবিধা সীমিত। জলসিঞ্চন, সংৰক্ষণ, ঋণ, প্ৰশিক্ষণ, আৰু আধুনিক প্ৰযুক্তিৰ সহায় প্ৰদান কৰি পিএমডিডিকেৱাই কৃষকৰ আয় বৃদ্ধি, খাদ্য সুৰক্ষা নিশ্চিত, আৰু আত্মনিৰ্ভৰ ভাৰত যি আত্মনিৰ্ভৰ ভাৰতক আগুৱাই নিব বিচাৰে। কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে ইয়াক বহনক্ষম কৃষিৰ জৰিয়তে গ্ৰাম্য জনগোষ্ঠীসমূহক সবলীকৰণ কৰি "দৰিদ্ৰতামুক্ত ভাৰত" সৃষ্টিৰ বাবে এক মূল শিলাস্তমভ বুলি অভিহিত কৰিছে। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ৰ অধীনত এই আঁচনিখন ৰাষ্ট্ৰীয় পৰিচালনা সমিতি, ৰাজ্যিক পৰ্যায়ৰ নডেল সমিতি, আৰু জিলা উপায়ুক্তৰ নেতৃত্বত জিলা ধন ধন্য সমিতিৰ তত্বাৱধানত চলি থাকিব। এই সংস্থাসমূহে স্থানীয় প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰি নিৰ্দিষ্ট ৰূপায়ণ নিশ্চিত কৰাৰ লগতে, শস্যৰ উৎপাদন, ঋণ প্ৰদান, আৰু সংৰক্ষণৰ ব্যৱহাৰৰ দৰে ১১৭টা মূল পৰিৱেশন সূচক (কেপিআই) অনুসৰণ কৰা ডিজিটেল ডেচব'ৰ্ডৰ জৰিয়তে নিৰীক্ষণ কৰিব। ৰবি ঋতুৰ বাবে ২০২৫ চনৰ অক্টোবৰ মাহত পিএমডিডিকেৱাই মুকলি কৰিবলৈ সাজু হৈছে, ২০২৫ চনৰ ছেপ্টেম্বৰ মাহত আবেদন মুকলি হ'ব। আনহাতে কৃষকৰ বাবে আজি শুভাৰম্ভ কৰা আনখন আঁচনি "পালচ আত্মনিৰ্ভৰশীলতাৰ মিচন" হ'ল দেশত দালিৰ উৎপাদন বৃদ্ধি কৰি আত্মনিৰ্ভৰশীল হোৱা। দেশত উৎপাদিত দালি জাতীয় শস্যৰ জৰিয়তে যাতে দেশখনে আত্মনিৰ্ভৰশীল হব পাৰে তাৰ উদ্দেশ্যৰেই এই আঁচনি যুগুত কৰা হৈছে। দেশত উৎপাদিত দালিৰে নিজৰ চাহিদা যাতে নিজেই পূৰণ কৰিব পাৰি তাৰেই লক্ষ্য বান্ধি লোৱা হৈছে। আনহাতে এই অনুষ্ঠানৰ লগতে গোৱালপাৰাৰ কৃষি বিজ্ঞান কেন্দ্ৰই প্ৰায় ২০০ গৰাকী পুৰুষ-মহিলা কৃষকক ৰবি শস্য প্ৰাকৃতিক ভাৱে কৰি উৎপাদন কেনেদৰে বঢ়াব পাৰি তাৰ ওপৰত প্ৰশিক্ষণও প্ৰদান কৰা হয়। আজিৰ এই অনুষ্ঠানত কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানী ড° হীতু চৌধুৰী, প্ৰাক্তন বিধায়ক দীপক কুমাৰ ৰাভা জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা কৃষক সকল আৰু কেভিকেৰ বিষয়া সকল উপস্থিত থাকে।

## ১৫ দিনৰ ভিতৰত চৰকাৰী ভূমি খালী কৰাৰ সময়সীমা

# কচুৱাত বন বিভাগৰ উচ্ছেদৰ জাননী

**অসম বাৰ্তা, কচুৱা, ১২ অক্টোবৰ ঃ** নগাঁও জিলাৰ কামপুৰ বনাঞ্চলিক বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত কচুৱাৰ লুটুমাৰী সংৰক্ষিত বনাঞ্চলত অবৈধ ভাবে বসবাস কৰা লোকসকলৰ ঘৰে ঘৰে গৈ উচ্ছেদৰ জাননী প্ৰেৰণ কৰিছে বন বিভাগে। উল্লেখ্য যে বছৰ বছৰ ধৰি লুটুমাৰী সংৰক্ষিত বনাঞ্চলৰ এলেকাৰ কান্দাপাৰা, পাহাৰতলী আদি কৰি বহু কেইখন গাঁৱত অবৈধ বাবে বহু বেদখলকাৰীয়ে চৰকাৰী ভূমি বেদখল কৰি বসবাস কৰি আহিছে। শেহতীয়াকৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী গৰাকীৰ নিৰ্দেশ মতে বনাঞ্চলৰ ভূমি উচ্ছেদ কৰিবলৈ বন বিভাগে জাননী প্ৰেৰণ কৰিছে। বেদখলকাৰীক ১৫ দিনৰ ভিতৰত উক্ত বনাঞ্চলৰ ভূমি দখলৰ ন্যায্যতা প্ৰদান কৰিবলৈ জনোৱাৰ লগতে বনাঞ্চলৰ ভূমি খালী কৰিবলৈ পোন্ধৰ দিনৰ সময়সীমা ধাৰ্য্য কৰি দিয়ে। আনহাতে বেদখলকাৰী সকলে উচ্ছেদক সমৰ্থন কৰিছে যদিও অন্য স্থানত তেওঁলোকক সংস্থাপন দিবলৈ চৰকাৰক আহ্বান জনাইছে।

# ৰূপহীহাটত বুজন পৰিমাণৰ নিচাজাতীয় সামগ্ৰীৰ সৈতে দুজনক গ্ৰেপ্তাৰ

**অসম বাৰ্তা ৰূপহীহাট, ১২ অক্টোবৰ ঃ** ৰূপহীহাট আৰক্ষী থানাৰ বিষয়া সঞ্জিত কুমাৰ ৰয়ে আজি দুপৰীয়া এক গোপন সূত্ৰৰ পম খেদি ৰূপহী তিনিআলীত নিচা জাতীয় সামগ্ৰীৰ বিৰুদ্ধে চলাই অভিয়ান। আৰক্ষীৰ অভিয়ানত এএছ-১২-এম-৫৫০২ নম্বৰৰ এখন চাৰিচকীয়া বাহনৰ পৰা বুজন পৰিমাণৰ কফ ছিৰাফ জব্দ কৰে। বাহনখনৰ পৰা আৰক্ষীয়ে দুটা কাৰ্টুনৰ পৰা ২৪০টা কফ ছিৰাপৰ বটল জব্দ কৰে। নিচা জাতীয় কফ ছিৰাফ সৰবৰাহৰ লগত জড়িত দুজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা লোক দুজন হল বিতুমনি শইকীয়া আৰু জেহিৰুল ইছলাম। বিতুমনি শইকীয়াৰ ঘৰ নগাঁও খুটিকটীয়াত আৰু জেহিৰুল ইছলামৰ ঘৰ নগাঁও মিলনপুৰত। ৰূপহীহাট আৰক্ষীয়ে ধৃত সৰবৰাহকাৰী দুটাক অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে।

# অসম ক্ৰিকেট সংস্থাৰ নৱ-নিৰ্বাচিত সম্পাদক সনাতন দাসক বৰপেটাৰ ভেল্লাত সম্বৰ্ধনা

**অসম বাৰ্তা, বৰপেটা সদৰ, ১২ অক্টোবৰ ঃ** অসম ক্ৰিকেট সংস্থাৰ নৱ-নিৰ্বাচিত সম্পাদক সনাতন দাসক বৰপেটাৰ ভেল্লাত সম্বৰ্ধনা জনোৱা হয়। ভেল্লা আঞ্চলিক যুৱক সমাজ, ইউফা ভেল্লা, গৰিয়া- মৰিয়া- দেশী জাতীয় পৰিষদৰ বৰপেটা জিলা সমিতি আৰু ভেল্লা আঞ্চলিক সমিতি, ভেলা আঞ্চলিক ছাত্ৰ সন্থা, বাউসী আঞ্চলিক ছাত্ৰ সন্থা, ভেল্লা চি ভি ৰমন একাডেমী, ভেল্লা উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতি, ভেল্লা শিশু বিকাশ গোষ্ঠীয়ে সম্বৰ্ধনা জনায়। ইয়াৰ পিছতে ভেল্লাৰ পৰা বৰপেটালৈ বাইক ৰেলী কৰি সনাতন দাসক আঁদৰি নিয়া হয়।

# ডিব্ৰুগড়ত 'বিশ্ব মানসিক স্বাস্থ্য দিৱস' পালন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১২ অক্টোবৰ ঃ** সমগ্ৰ দেশৰ লগতে ডিব্ৰুগড়তো অসম চিকিৎসা মহাবিদ্যালয়ৰ মানসিক স্বাস্থ্য বিভাগৰ উদ্যোগতো পালন কৰা বিশ্ব মানসিক স্বাস্থ্য দিৱস। হতাশা, উদ্বেগ আৰু মানসিক চাপ আদি সমাজত যথেষ্ট বৃদ্ধি পাইছে আৰু মানুহে এই চাপক সহজভাৱে লোৱা আৰু আওকাণ কৰাৰ পৰা বিৰত থাকিবৰ বাবে প্ৰতিবছৰ ১০ অক্টোবৰ দিনটো সমগ্ৰ বিশ্বতে এই দিৱস পালন কৰি আহিছে। মানসিক স্বাস্থ্য সম্পৰ্কীয় সমস্যাত ভুগি থকা সমস্যা সমূহ নিৰ্মূলৰ বাবে "মানসিক স্বাস্থ্য আৰু সংবাদ মাধ্যমৰ ভূমিকা" শীৰ্ষক আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয়। আলোচনাত চক্ৰত বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাৱৰ সভাপতি তথা "অসম আদিত্য" কাকতৰ সম্পাদক মনজিৎ বৰা আৰু ডিব্ৰুগড় প্ৰেছ ক্লাৱৰ সম্পাদক তথা এন ই লাইভৰ সাংবাদিক ৰিপুঞ্জয় দাসে অংশ গ্ৰহণ কৰি সংবাদ মাধ্যমৰ ভূমিকা আৰু দায়িত্বৰ ওপৰত বক্তব্য ৰাখে। আলোচনা চক্ৰত মানসিক স্বাস্থ্যক এক গুৰুতৰ সমস্যা হিচাপে দেখা পোৱা সমস্যা সমূহৰ বিষয়ে সৰ্বসাধাৰণ ৰাইজক সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে এখনি তথ্য চিত্ৰ প্ৰদৰ্শন কৰা হয়। সুমিত্ৰ ঘোষে আঁতধৰা অনুষ্ঠানত অসম চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক ধ্ৰুৱজ্যোতি ভূএঞা, উপাধ্যক্ষ ৰিমা দাসকে প্ৰমুখ্য কৰি বহুকেইগৰাকী চিকিৎসকৰ লগতে ছাত্ৰ ছাত্ৰী-কৰ্মচাৰী আৰু ভুক্তভোগী পৰিয়ালৰ অবিভাৱক উপস্থিত থাকে।

## জোৱান মহেন্দ্ৰ লস্কৰৰ কামপুৰৰ বাসগৃহত শোকৰ ছাঁ

# ঝাৰখণ্ডত ID বিস্ফোৰণত অসমৰ সেনা জোৱান শ্বহীদ

**অসম বাৰ্তা, কামপুৰ, ১২ অক্টোবৰ ঃ** ঝাৰখণ্ডত কালি নিশা উগ্ৰপন্থীৰ দ্বাৰা সংঘটিত হোৱা এক আই-ই-ডি বিস্ফোৰণত অসমৰ এজন চি আৰ পি এফ জোৱান শ্বহীদ হয়। ঝাৰখণ্ডৰ চাইবাছা ৰেঞ্জ এলেকাত কালি নিশা সংঘটিত হয় আই-ই-ডি বিস্ফোৰণটো। সেই বিস্ফোৰণত নগাঁও জিলাৰ কামপুৰৰ কুঁৱৰীআটি গাঁৱৰ তথা CRPFৰ ৬০ নম্বৰ বেটেলিয়নৰ হেড কনিষ্টবল হিচাপে কৰ্মৰত মহেন্দ্ৰ লস্কৰ নামৰ জোৱানজন শ্বহীদ হয়। বীৰ জোৱানজনে কালি নিশা প্ৰায় ১১ৣ১২ জনীয়া ৬০ বেটেলিয়ানৰ দল এটাৰ সৈতে তহল দি আগবাঢ়ি গৈ থাকোঁতেই এই বিস্ফোৰণটো সংঘটিত হয় বুলি আজি তেওঁৰ কামপুৰৰ বাসগৃহলৈ খবৰ আহে। এই বিস্ফোৰণত মহেন্দ্ৰ লস্কৰ থিতাতে নিহত হোৱাৰ লগতে আন জোৱানসকল আহত হয় বুলি জানিব পৰা গৈছে। দেশ মাতৃক ৰক্ষা কৰিবলৈ গৈ শ্বহীদ হোৱা মহেন্দ্ৰ লস্কৰৰ পৰিয়াললৈ কোনো কালে নভবা খবৰটো অহাৰ পিছত কান্দোনত ভাঙি পৰিছে মাতৃ, পত্নী, সন্তানৰ লগতে সমগ্ৰ পৰিয়াল। শ্বহীদ বীৰগৰাকীৰ বিয়োগৰ খবৰটোৱে তেওঁৰ আপোন গাওঁখনৰ উপৰি সমগ্ৰ কামপুৰতে শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে বৃহস্পতিবাৰে নিশাও সেই ঠাইত আই-ই-ইডি বিস্ফোৰণ হৈছিল বুলি মহেন্দ্ৰ লস্কৰে ফোনযোগে পত্নীক জনাই ছিল। বাতৰি লিখাৰ পৰলৈকে লস্কৰৰ নশ্বৰদেহ নিজ ঘৰখনলৈ আহি পোৱা নাই যদিও কাইলৈ পুৱাৰ ভাগত আহি পাব বুলি জানিব পৰা গৈছে। বীৰ জোৱান জনৰ মৃত্যুত গভীৰ শোঁক প্ৰকাশ কৰাৰ লগতে পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী আৰু ৰহাৰ বিধায়ক শশী কান্ত দাসে।

# হাজোৰ বামুণ্দীত ভয়ংকৰ ভূমিকেন্দ্ৰিক সংঘাতত মৃত্যু এজনৰ

**অসম বাৰ্তা, হাজো, ১২ অক্টোবৰ ঃ** কামৰূপৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত গাওঁবুঢ়া পাম চৰত ভূমিকেন্দ্ৰিক সংঘাতত এগৰাকী লোকক হানি-খুচি নৃশংস ভাৱে হত্যা কৰা ঘটনাই সমগ্ৰ অঞ্চলটোতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি গাওঁবুঢ়া পাম চৰত নিজ ভূমিত আব্দুল চাত্তাৰৰ পুত্ৰ ৰছমিল আলীয়ে (৩৫)হাল বাই থকা অৱস্থাত পূৰ্বৰ পৰা খাপ পিটি থকা এটা দহ- বাৰ জনীয়া দলে হঠাতে আহি চাৰিও ফালৰ পৰা আগুৰি ধৰি যাঠি, জোং আদিৰে হানি, দাৰে ঘপিয়াই হত্যা কৰে পলায়ন কৰে ৰছমিল আলীক। আনহাতে এই সংঘৰ্ষত আহমদ আলী, হাছেন আলী আদিৰ লগতে কেই বাগৰাকীও গুৰুতৰভাৱে আহত হয়। মৃত লোকজনৰ ভাতৃ ৰিজাউল হকে জনোৱা অনুসৰি এই হত্যাকাণ্ডত সেই একেটা অঞ্চলৰ চিদ্দিক আলী, ইদ্ৰিজ আলী, আজমত আলী প্ৰত্যক্ষ ভাৱে জড়িত। উক্ত ভূমিডৰা তেওঁলোকে দখল কৰিবলৈ আহি এই কাজিয়াৰ সূত্ৰপাত ঘটাইছে বুলিও অভিযোগ কৰে। ইতিমধ্যে শুৱালকুছিৰ নদী আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি শুৱালকুছিৰ চিকিৎসায়লৈ আনে। পিছত দণ্ডাধীশৰ উপস্থিতত মৰণোত্তৰ পৰীক্ষাৰ বাবে মৃতদেহটো গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে আৰক্ষীয়ে। ইতিমধ্যে আৰক্ষীয়ে ঘটনাস্থলীত তদন্ত চলাই হত্যাকাণ্ডত ব্যৱহাৰ হোৱা দুখন দা, যাঠি আৰু তেজলগা গামোচা এখন উদ্ধাৰ কৰি থানালৈ আনে। উল্লেখ্য যে বাতৰি সংগ্ৰহ কৰা সময়লৈ পৰিয়ালৰ লোকে বৰ্তমান সময়লৈকে কোনো এজাহাৰ দাখিল কৰা বুলি জানিবলৈ দিয়ে আৰক্ষীয়ে। এই ঘটনাটোক লৈ অঞ্চলটোত চেপা উত্তেজনা বিৰাজ কৰিছে সমগ্ৰ অঞ্চলটোত। মৃত্যুৰ সময়ত ৰচমিলে পত্নীৰ সৈতে দুটা পুত্ৰ সন্তান এৰি থৈ যায়। আনহাতে, ঘটনা সন্দৰ্ভত আৰক্ষীৰ নিস্ক্ৰিয় ভূমিকাৰ অভিযোগ তুলি মৃতকৰ আত্মীয়ই উত্তেজনা সৃষ্টি কৰে যদিও পিছত আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।

## বিটিআৰ চুক্তি ৰূপায়ণ

এক সংবাদমেলত তেওঁ ৮ অক্টোবৰত ৰঙিয়াত সম্পন্ন হোৱা এবছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাৰ সিদ্ধান্তসমূহৰ বিষয়ে প্ৰকাশ কৰে। এই সিদ্ধান্ত অনুসৰি, চুক্তি ৰূপায়ণৰ দাবীত অক্টোবৰৰ শেষৰ ফালে প্ৰতিটো জিলাত ৰেলী আৰু নৱেম্বৰৰ শেষত দিল্লীত ধৰ্ণা কাৰ্যসূচী পালন কৰা হ'ব। লগতে, আগন্তুক ডিচেম্বৰৰ শীতকালীন অধিবেশনৰ পূৰ্বে সংবিধানৰ ১২৫ তম সংশোধনী বিধেয়ক (ষষ্ঠ অনুসূচী) গৃহীত কৰাৰ দাবী উত্থাপন কৰিছে এবছুৰ সভাপতিয়ে। তেওঁ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত ত্ৰিপাক্ষিক বৈঠকৰো দাবী জনাইছে। ইয়াৰ উপৰিও, ষষ্ঠ অনুসূচীৰ বাহিৰৰ বড়ো সম্প্ৰদায়ৰ বাবে বিশেষ টেট পৰীক্ষা, বিদ্যালয়-মহাবিদ্যালয়ৰ প্ৰাদেশিকীকৰণ, ফৰেষ্ট ডুৱেলাৰ্চ আইন কাৰ্যকৰীকৰণ, বিটিআৰত অধিক গাঁও অন্তৰ্ভুক্তি আৰু সীমা সম্প্ৰসাৰণৰ দাবীও উত্থাপিত হৈছে। এবছুৱে ১৪ ডিচেম্বৰত বড়ো মাধ্যমৰ নৱম-দশম শ্ৰেণীৰ প্ৰতিভা সন্ধানী পৰীক্ষাৰো আয়োজন কৰিব। দ্বীপেন বড়োৱে বিটিআৰত মেলাৰ নামত জুৱা, মদ আৰু ড্ৰাগছৰ প্ৰচলন বৃদ্ধিৰ প্ৰতি উদ্বেগ প্ৰকাশ কৰি জিলা প্ৰশাসন আৰু বিটিচিৰ মুখ্য কাৰ্যবাহী হাগ্ৰামা মহিলাৰীক কঠোৰ পদক্ষেপ গ্ৰহণৰ আহ্বান জনাইছে। ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়ত এবছুৰ স্থিতি স্পষ্ট কৰি বড়োৱে কয়, অসমৰ ১৪টা জনজাতিৰ অস্তিত্ব ৰক্ষাৰ বাবে সংগ্ৰাম অব্যাহত থাকিব। বৰ্তমানৰ জনজাতিসকলৰ ক্ষতি নকৰাকৈ সাংবিধানিক সুবিধা প্ৰদানৰ পক্ষপাতী এবছু, কিন্তু তেওঁলোকৰ অধিকাৰত আঘাত হানিলে তাৰ বিৰোধিতা কৰা হ'ব। সংবাদমেলত এবছুৰ সাধাৰণ সম্পাদক খনীন্দ্ৰ বসুমতাৰী আৰু উপ-সভাপতি খৌৰৌমদাও ওৱাৰী উপস্থিত আছিল।

## অমিত শ্বাহৰ মুছলমান

লগাইছে। নতুন দিল্লীত অনুষ্ঠিত এখন অনুষ্ঠানত শ্বাহে কৈছিল যে, দেশত মুছলমান জনসংখ্যাৰ বৃদ্ধিৰ মূল কাৰণ অনুপ্ৰৱেশ, প্ৰজনন হাৰ নহয়। এই মন্তব্যৰ পিছত বিৰোধী দলসমূহ, বিশেষকৈ কংগ্ৰেছে, গৃহমন্ত্ৰীক তীব্ৰভাৱে সমালোচনা কৰি উভতি ধৰিছে। অভিযোগ হৈছে যে, আগন্তুক বিধানসভা নিৰ্বাচনৰ সন্দৰ্ভত এই ধৰণৰ মন্তব্যৰ জৰিয়তে সমাজত বিভাজনৰ চেষ্টা কৰা হৈছে। কংগ্ৰেছে এনডিএ চৰকাৰৰ ওপৰত প্ৰশ্ন উত্থাপন কৰি কৈছে যে, এনডিএ যোৱা ১১ বছৰ ধৰি ক্ষমতাত থকাৰ পিছতো অনুপ্ৰৱেশ ৰোধ কৰিবলৈ কোনো কাম কৰা নাছিলে কেন? দলৰ মুখপাত্ৰ পৱন খেড়াই কয়, "গৃহমন্ত্ৰীৰ মন্তব্যৰ অৰ্থ হৈছে যে তেওঁৰ চৰকাৰ বিগত ১১ বছৰ ধৰি সম্পূৰ্ণ নিষ্ক্ৰিয় আছিল। তেওঁ স্বীকাৰ কৰিছে যে কোনো পদক্ষেপ লোৱা নাছিল। এই মন্তব্য নিৰ্বাচনী সুবিধাৰ বাবে চিন্তাচিত্ৰিত, যাতে হিন্দু-মুছলমান বিভাজন সৃষ্টি কৰি ভোটাৰক প্ৰভাৱিত কৰিব পাৰে।" অমিত শ্বাহে নিজৰ মন্তব্যত উল্লেখ কৰিছিল যে, ১৯৫১ চনৰ পৰা ২০১১ চনলৈকে লোকপিয়লত সকলো ধৰ্মৰ জনসংখ্যা বৃদ্ধিৰ পাৰ্থক্য মূলতঃ অনুপ্ৰৱেশৰ ফলত হৈছে। তেওঁ কৈছিল, "এই সময়ছোৱাত মুছলমান জনসংখ্যা ২৪.৬ শতাংশ বৃদ্ধি পাইছে, আনহাতে হিন্দু জনসংখ্যা ৪.৫ শতাংশ হ্ৰাস পাইছে। এয়া প্ৰজননৰ বাবে নহয়, অনুপ্ৰৱেশৰ বাবে। অনুপ্ৰৱেশ মূলতঃ পাকিস্তান আৰু বাংলাদেশৰ পৰা হৈছে।" তেওঁ অৰ্থনৈতিক শৰণাৰ্থী আৰু অনুপ্ৰৱেশকাৰীৰ মাজৰ পাৰ্থক্য বুজি নোওৱাৰ বাবে বিৰোধীক সমালোচনা কৰি কৈছিল যে, ইয়াৰ ফলত দেশৰ সংস্কৃতি আৰু গণতান্ত্ৰিক মূল্যবোধ বিপন্ন হৈছে। পৱন খেড়াই শ্বাহক নিজৰ সামাজিক মাধ্যমৰ পূৰ্বৰ পোষ্টটো ডিলিট কৰাৰ বিষয়ো লক্ষ্য কৰি লৈ কয় যে, গৃহমন্ত্ৰীয়ে নিৰ্বাচনৰ পূৰ্বে মুছলমান সম্প্ৰদায়ক লক্ষ্য কৰি বিভাজনকাৰী মন্তব্য কৰিবলৈ চেষ্টা কৰিছিল, কিন্তু নিজেই জালত পৰি পড়ি পোষ্ট ডিলিট কৰিছে। "এয়াৰ দ্বাৰা সত্যক মচি পেলাব নোৱাৰি" খেড়াই যোগ কৰে। কংগ্ৰেছৰ দাবী অনুসৰি, ২০০৫-২০১৩ চনৰ ভিতৰত তেওঁলোকৰ চৰকাৰে ৮৮, ৭৯২ গৰাকী বাংলাদেশী নাগৰিকক বিতাড়িত কৰিছিল, আনহাতে বিজেপীৰ ১১ বছৰৰ চৰকাৰে মাত্ৰ ১০ হাজাৰতকৈ কম লোকক বিতাড়িত কৰিছে। "আমাৰ চৰকাৰে ভাল কাম কৰিছিল, কিন্তু ইয়াৰ বাবে হুলস্থুল কৰা নাছিলোঁ" খেড়াই কয়। পোষ্ট ডিলিট হোৱাৰ সন্দৰ্ভত অমিত শ্বাহে সামাজিক মাধ্যমত প্ৰতিক্ৰিয়া জনাই কয় যে, ভাষণৰ লাইভ টুইট কৰাৰ সময়ত এটা ভুল হৈ গৈছিল, যিটো পিছত শুধৰাই দিয়া হৈছিল। তেওঁ স্পষ্ট কৰি কয় যে, ২০০১ চনৰ পৰা ২০১১ চনলৈকে মুছলমান জনসংখ্যাৰ বৃদ্ধিৰ হাৰ ২৪.৬ শতাংশ (মুঠ জনসংখ্যা নহয়)। তেওঁ যোগ কৰে, "আমাৰ দেশ কোনো ধৰ্মশালা নহয়। মোদী চৰকাৰে অনুপ্ৰৱেশকাৰীক ধৰা, বিতাড়ন কৰিবলৈ দৃঢ় প্ৰতিশ্ৰুতিবদ্ধ।" ইফালে, এআইএমআইএমৰ নেতা আছাদুদ্দিন ওৱেছিয়াই শ্বাহৰ মন্তব্যক ভুল আৰু মিথ্যা বুলি অভিহিত কৰি কয় যে, গৃহমন্ত্ৰীৰ গণিত দুৰ্বল আৰু তেওঁ অনুপ্ৰৱেশ ৰোধ কৰিব নাপালে কেন? লোকপিয়লৰ তথ্য অনুসৰি মুছলমানৰ জনসংখ্যাৰ বৃদ্ধি ৪.৪ শতাংশ মাত্ৰ, আৰু মুছলমানৰ উৎপাদন হাৰ সৰ্বাধিক হ্ৰাস পাইছে। এই বিতৰ্কে নিৰ্বাচনী পৰিস্থিতিত নতুন মাত্ৰা যোগ কৰিছে, য'ত বিৰোধীৰ আক্ৰমণ আৰু চৰকাৰৰ প্ৰতিৰক্ষা অব্যাহত আছে।

## চচলত ভূমি উচ্ছেদ,

এক বৃহৎ প্ৰতিবাদ সমাৱেশ অনুষ্ঠিত হয়। ভূমি অধিকাৰ যৌথ সংগ্ৰাম সমিতিৰ উদ্যোগত আয়োজিত 'অধিকাৰ সমাৱেশ'ত সমগ্ৰ অসমৰ পৰা সহস্ৰাধিক লোকে অংশগ্ৰহণ কৰি ন্যায়ৰ দাবী জনায়। প্ৰতিবাদকাৰীসকলে প্ৰয়াত কণ্ঠশিল্পী জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনায় আৰু ঐক্য আৰু প্ৰতিবাদৰ প্ৰতীক ৰূপে জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰি প্ৰতিবাদ সাব্যস্ত কৰে। আয়োজক সমিতিৰ সুব্ৰত তালুকদাৰে ৰাজ্য চৰকাৰক খিলঞ্জীয়া লোকৰ অধিকাৰক আওকাণ কৰাৰ অভিযোগ উত্থাপন কৰি কয়, "খিলঞ্জীয়া লোকে আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে। চৰকাৰে হাজাৰ বিঘা ভূমি জনজাতীয় ভূমি কৰ্পৰেট দৈত্যক গতাই দিছে। আমি এই অবৈধ উচ্ছেদসমূহ শীঘ্ৰে বন্ধ কৰাৰ লগতে মূল বাসিন্দাসকলক ভূমি পট্টা প্ৰদানৰ দাবী জনাইছো।" আন এগৰাকী প্ৰতিবাদকাৰীয়ে মহিলাসকলে সন্মুখীন হোৱা সমস্যাসমূহৰ ওপৰত আলোকপাত কৰি কয়, "মাইক্ৰ'ফাইনেন্স আঁচনিৰ জৰিয়তে আমাৰ মহিলাসকলক ঋণৰ ফান্দত ঠেলি দিয়া হৈছে, আৰু এতিয়া আমাৰ মাটি কাঢ়ি লোৱা হৈছে। আমি একত্ৰিত হ'ব লাগিব — হিমন্ত বিশ্ব শৰ্মা, সাৱধান হওক।" বিশিষ্ট বুদ্ধিজীৱী ডং হীৰেন গোহাঁই, ৰাজ্যসভাৰ সাংসদ অজিত ভূঞা, কংগ্ৰেছৰ বিধায়িকা নন্দিতা দাস, এজেপিৰ সভাপতি লুৰিনজ্যোতি গগৈ, প্ৰাক্তন সাংসদ আব্দুল খালেকেকে ধৰি কেইবাগৰাকীও এই প্ৰতিবাদত অংশগ্ৰহণ কৰি ভূমি অধিকাৰ আন্দোলনলৈ সমৰ্থন প্ৰকাশ কৰে।

## আমেৰিকাৰ ১০০% শুল্কক

ষ্টেণ্ডাৰ্ড" (দ্বৈত মানদণ্ড) বুলি অভিহিত কৰিছে। বেইজিংয়ে জানাইছে যে, তেওঁলোকে ন্যায়সংগত আৰু যুক্তিসংগত নীতি গ্ৰহণ কৰি বিচক্ষণ ও মধ্যমীয়াভাৱে ৰপ্তানি নিয়ন্ত্ৰণ ব্যৱস্থা অব্যাহত ৰাখিব। চীনৰ বাণিজ্য মন্ত্ৰালয়ৰ বিবৃতিত কোৱা হৈছে যে, ৯ অক্টোবৰত চীনে পৃথিৱীৰ বিৰল খনিজ (ৰেয়াৰ আৰ্থ) আৰু সংশ্লিষ্ট সামগ্ৰীৰ ৰপ্তানিৰ ওপৰত নিয়ন্ত্ৰণ ব্যৱস্থা জাৰি কৰিছিল, যিটো চীন চৰকাৰৰ ৰপ্তানি নিয়ন্ত্ৰণ আইন-কানুনৰ অধীনত স্বাভাৱিক পদক্ষেপ। তেওঁলোকে যোগ কৰি কয় যে, এখন দায়িত্বশীল মহাশক্তি হিচাপে চীনে সদায় নিজৰ ৰাষ্ট্ৰীয় নিৰাপত্তা আৰু আন্তৰ্জাতিক উমৈহতীয়া নিৰাপত্তা সুৰক্ষিত কৰে, আৰু ৰপ্তানি নিয়ন্ত্ৰণক উদাৰ ও বিচক্ষণভাৱে ৰূপায়িত কৰে। চীনৰ ৰাষ্ট্ৰপতি জি জিনপিংৰ সৈতে চলিত মাহৰ শেষত অনুষ্ঠিত হ'বলগীয়া বৈঠক বাতিল কৰাৰ হুমকি দিয়াৰ লগতে ট্ৰাম্পে চীনৰ ৰপ্তানি নিষেধাজ্ঞাক "আক্ৰমণাত্মক" বুলি বৰ্ণনা কৰিছিল। বেইজিংয়ে অভিযোগ কৰিছে যে, ছেপ্টেম্বৰৰ পৰা আমেৰিকাই চীনৰ বিৰুদ্ধে অৰ্থনৈতিক চাপ বৃদ্ধি কৰিছে, য'ত চীনা কোম্পানীসমূহক এ'পৰ্ট কণ্ট্ৰ'ল তালিকাত যোগ কৰা আৰু অৰ্ধপৰিবাহী চিপসহ সামগ্ৰীৰ ওপৰত একপক্ষীয় অধিকাৰক্ষেত্ৰ আৰোপ অন্তৰ্ভুক্ত। মন্ত্ৰালয়ে কয়, "আমেৰিকাই দীৰ্ঘদিন ধৰি ৰাষ্ট্ৰীয় নিৰাপত্তাৰ ধাৰণাটোক অতিৰঞ্জিত কৰি ৰপ্তানি নিয়ন্ত্ৰণৰ অপব্যৱহাৰ কৰিছে, যিয়ে চীনৰ স্বাৰ্থক গুৰুতৰ ক্ষতি কৰিছে আৰু দুয়োখন দেশৰ মাজৰ অৰ্থনৈতিক-বাণিজ্যিক আলোচনাৰ বাতাৱৰণ নষ্ট কৰিছে।" চীনা বিবৃতিত আমেৰিকাৰ বাণিজ্য নিয়ন্ত্ৰণ তালিকা (CCL)ত ৩, ০০০তকৈ অধিক সামগ্ৰী অন্তৰ্ভুক্ত হোৱাৰ লগতে চীনৰ দ্বৈত ব্যৱহাৰৰ সামগ্ৰীৰ ৰপ্তানি তালিকাত মাত্ৰ ৯০০ সামগ্ৰী থকাৰ বৈষম্যৰ ওপৰত আলোকপাত কৰা হৈছে। লগতে, আমেৰিকাৰ "ডি মিনিমিছ" নিয়ম (ন্যূনতম সীমা ০ শতাংশ)ক কোম্পানীসমূহৰ বৈধ অধিকাৰক ক্ষতি কৰা আৰু আন্তৰ্জাতিক যোগান শৃংখলক বিঘ্নিত কৰা বুলি সমালোচনা কৰি কোৱা হৈছে যে, ই বিশ্বৰ ঔদ্যোগিক নিৰাপত্তা আৰু স্থিতিশীলতাক গুৰুতৰভাৱে ক্ষতিগ্ৰস্ত কৰিছে। এই তীব্ৰ বাণিজ্য সংঘাতে বিশ্ব অৰ্থনীতিত নতুন অনিশ্চয়তাৰ সৃষ্টি কৰিছে, য'ত ইলেকট্ৰনিৰ পৰা ইলেকট্ৰিক যানলৈকে চেক্টৰসমূহ প্ৰভাৱিত হৈছে।

## গাজা শান্তি সন্মিলনলৈ

আয়োজিত হ'ব 'গাজা শান্তি সন্মিলন'ত আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্প আৰু ইজিপ্তৰ ৰাষ্ট্ৰপতি আব্দেল ফাত্তাহ এল-চিছি যুটীয়া সভাপতি হিচাপে অংশগ্ৰহণ কৰিব। এই সন্মিলনৰ লক্ষ্য হৈছে গাজাৰ যুদ্ধবিৰতি নিশ্চিত কৰি মধ্যপ্ৰাচ্যত স্থায়ী শান্তি আৰু স্থিতিশীলতা প্ৰতিষ্ঠা কৰা। সূত্ৰ অনুসৰি, ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক এই গুৰুত্বপূৰ্ণ সন্মিলনলৈ আনুষ্ঠানিক আমন্ত্ৰণ জনোৱা হৈছে। কিন্তু মোদী নিজে উপস্থিত থাকিব নোৱাৰি; তেওঁৰ প্ৰতিনিধিত্ব কৰিব গৃহ ৰাজ্য মন্ত্ৰী কীৰ্তি বৰ্ধন সিঙে। ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এই খবৰ নিশ্চিত কৰিছে। এই আমন্ত্ৰণে ভাৰতক গাজা শান্তি প্ৰক্ৰিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালনৰ সুবিধা দিব। সন্মিলনত ৰাষ্ট্ৰসংঘৰ মহাসচিব এণ্টনিঅ' গুটেৰেছ, ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কেইৰ ষ্টাৰমাৰ, ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেলনি, স্পেইনৰ প্ৰধানমন্ত্ৰী পেড্ৰ' সানচেজ আৰু ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰনসহ ২০খনতকৈ অধিক দেশৰ নেতাসকল অংশগ্ৰহণ কৰিব। এই সন্মিলনে ইজৰাইল-হামাছ যুদ্ধবিৰতিৰ পিছত শান্তি প্ৰক্ৰিয়াৰ দিশত এক বৃহৎ পদক্ষেপ হিচাপে গণ্য কৰা হৈছে। ইজৰাইলে ইতিমধ্যে সৈন্যসকলক আংশিকভাৱে প্ৰত্যাহাৰ কৰি থকাৰ ফলত হাজাৰো সংখ্যক স্থানচ্যুত প্যালেষ্টাইনীয়ে ধ্বংসস্তূপত পৰিণত নিজৰ ঠাইলৈ উভতি যোৱাৰ সুযোগ পাইছে। কিন্তু শান্তি প্ৰতিষ্ঠাৰ পথ সহজ নহয়। হামাছে চুক্তিৰ আনুষ্ঠানিক স্বাক্ষৰ অনুষ্ঠানত অংশগ্ৰহণ নকৰাৰ ঘোষণা দিছে, বিশেষকৈ নিৰস্ত্ৰীকৰণ আৰু গাজাৰ প্যালেষ্টাইনীয়াসকলক স্থানচ্যুত কৰাৰ প্ৰস্তাৱক তেওঁলোকে "হাস্যকৰ" আৰু অগ্ৰহণীয় বুলি বৰ্ণনা কৰিছে। ২০২৩ চনৰ ৭ অ'ক্টোবৰত হামাছৰ আকস্মিক আক্ৰমণৰ পিছত আৰম্ভ হোৱা এই দুবছৰীয়া যুদ্ধত ৬৭, ০০০তকৈ অধিক প্যালেষ্টাইনীয় চিভিলিয়ানসহ হাজাৰো মানুহ প্ৰাণ হেৰুৱাইছে। শান্তি চুক্তিৰ প্ৰথম পৰ্যায়ত ইজৰাইলে ২৫০জন বন্দীক মুক্তি দিব আৰু বিনিময়ত হামাছে ৪৭জন ইজৰাইলী পণবন্দীক মুক্তি দিব। চুক্তি কাৰ্যকৰী কৰিবলৈ আমেৰিকাৰ নেতৃত্বত ইজিপ্ত, কাতাৰ, তুৰ্কী আৰু সংযুক্ত আৰব আমিৰাতসহ বহুজাতিক নিৰাপত্তা বাহিনী গঠন কৰা হ'ব। কিন্তু বিশে-যকসকলে কয় যে, নিৰস্ত্ৰীকৰণ, ৰাজনৈতিক নিয়ন্ত্ৰণ আৰু প্ৰশাসনিক ব্যৱস্থাৰ ওপৰত মতভেদৰ বাবে গাজাত স্থায়ী শান্তি এতিয়াও অনিশ্চিত। তথাপি, এই সন্মিলনে আৰব বিশ্বৰ ইতিহাসত শান্তিৰ নতুন অধ্যায় মুকলি কৰিব বুলি আন্তৰ্জাতিক সমাজে আশা প্ৰকাশ কৰিছে।

## সেনা জোৱানৰ ত্যাগৰ

আৰু দেশবাসী শান্তিত শুব পাৰে।" গুৱাহাটীৰ সাতগাঁৱৰ ২২২ এবি ওডি খেলপথাৰত দেওবাৰে অনুষ্ঠিত 'ভেটেৰান্স স্বাভিমান ৰেলী ২০২৫'ত অংশগ্ৰহণ কৰি তেওঁ এই মন্তব্য প্ৰকাশ কৰে। ৰাজ্যপালে এই ৰেলীৰ আনুষ্ঠানিক উদ্বোধন কৰে। এইচ কিউ ইষ্টাৰ্ণ কমাণ্ডৰ তত্ত্বাৱধানত আয়োজিত এই অনুষ্ঠানত ৰাজ্যপালে শ্বহীদ জোৱানৰ পত্নী আৰু পৰিয়ালৰ লগতে আঘাতপ্ৰাপ্ত সেনা জোৱানসকলক আৰ্থিক সাহায্য আৰু উপহাৰ প্ৰদান কৰে। তেওঁ আঘাতপ্ৰাপ্ত জোৱানসকলৰ সৈতে মতবিনিময় কৰি তেওঁলোকৰ সমস্যাৰ কথা শুনে। এই ৰেলীৰ মূল উদ্দেশ্য হৈছে অসম তথা চুবুৰীয়া অঞ্চলৰ প্ৰবীণ সৈনিকৰ সেৱা আৰু ত্যাগক সন্মান জনোৱাৰ লগতে তেওঁলোকৰ সমস্যা সমাধানৰ প্ৰচেষ্টা। অনুষ্ঠানত ৰাজ্যপালে কয়, "দেশৰ সুৰক্ষা সেনা জোৱানৰ জীৱনৰ প্ৰধান লক্ষ্য। তেওঁলোকৰ বলিদানৰ বাবেই দেশৰ মৰ্যাদা অটুট আছে।" তেওঁ আয়োজকসকলক ধন্যবাদ জনাই কয়, "এই ৰেলীৰ জৰিয়তে প্ৰবীণ সৈনিকৰ গৌৰৱ আৰু আত্মবিশ্বাস বৃদ্ধিৰ লগতে চিকিৎসা, আৰ্থিক সাহায্য আৰু আত্মনিৰ্ভৰশীলতাৰ বাবে পদক্ষেপ লোৱাটো প্ৰশংসনীয়।" অনুষ্ঠানত নাৰেংগী সেনা শিবিৰৰ মেজৰ জেনেৰেল এ কে শৰ্মা, এয়াৰ মাৰ্চেল এ কে গগৈ, অৱসৰপ্ৰাপ্ত বিষয়া ৰাণা প্ৰতাপ কলিতাসহ কেইবাগৰাকী শীৰ্ষ সেনা বিষয়া উপস্থিত আছিল। এই ৰেলীয়ে প্ৰবীণ সৈনিকৰ প্ৰতি চৰকাৰৰ দায়বদ্ধতা আৰু তেওঁলোকৰ ত্যাগৰ সন্মান প্ৰদৰ্শন কৰিছে।

## মোদী চৰকাৰৰ দিনত

প্ৰতিশ্ৰুতি দিয়া এই আইনখনৰ দুটা দশক পূৰ্তি সময়ত চৰকাৰৰ স্বচ্ছতা আৰু জবাবদিহিতাক লৈ প্ৰশ্ন উত্থাপন কৰে বিৰোধী কংগ্ৰেছে। ৰাজীৱ ভৱনত আজি অনুষ্ঠিত এক সংবাদমেলত অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই কয় যে মোদী চৰকাৰৰ কাৰ্যকালত এই আইনখনৰ স্বাধীনতা আৰু ফলপ্ৰসূতা ধাৰাবাহিকভাৱে প্ৰভাৱিত হৈছে, যাৰ ফলত গণতন্ত্ৰৰ স্বচ্ছতা আৰু জবাবদিহিতাৰ ভেটি দুৰ্বল হৈ পৰিছে। উল্লেখ্য যে, প্ৰয়াত প্ৰধানমন্ত্ৰী মনমোহন সিং নেতৃত্বাধীন ইউ পি এ চৰকাৰ আৰু ছোনিয়া গান্ধীৰ দূৰদৰ্শী নেতৃত্বত ২০০৫ চনৰ ১২ অক্টোবৰৰ পৰা বলৱৎ হৈছিল আৰ টি আই আইন। তাৰ পিছৰে পৰাই এই আইনখনে সাধাৰণ নাগৰিকক চৰকাৰী তথ্য জনাৰ অধিকাৰ প্ৰদান কৰি প্ৰশাসনিক জবাবদিহিতা নিশ্চিত কৰি আহিছে। ইয়াৰ ধাৰাবাহিকতাৰে ইউ পি এ চৰকাৰে পৰৱৰ্তী সময়ত এম জি এনৰেগা, বন অধিকাৰ আইন, শিক্ষাৰ অধিকাৰ আইন, ভূমি অধিগ্ৰহণৰ ন্যায্য ক্ষতিপূৰণ আইন আৰু ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ দৰে আন কেইবাখনো অধিকাৰভিত্তিক আইন প্ৰণয়ন কৰে। কংগ্ৰেছে অভিযোগ কৰে যে ২০১৪ চনৰ পৰাই আৰ টি আই আইনখনৰ গাঁথনি ইচ্ছাকৃতভাৱে দুৰ্বল কৰা হৈছে। ২০১৯ চনৰ সংশোধনীৰ জৰিয়তে তথ্য আয়োগৰ স্বাধীনতা হ্ৰাস কৰি পাঁচ বছৰৰ নিৰ্দিষ্ট ম্যাদ আৰু সেৱাৰ চৰ্তসমূহ আঁতৰাই কেন্দ্ৰীয় চৰকাৰক কাৰ্যকাল নিৰ্ধাৰণৰ ক্ষমতা প্ৰদান কৰা হৈছে। ইয়াৰ ফলত কাৰ্যবাহী প্ৰভাৱ বৃদ্ধি পোৱাৰ লগতে আয়োগৰ স্বায়ত্তশাসন হ্ৰাস পোৱা বুলিও শইকীয়াই অভিযোগ উত্থাপন কৰে। ইফালে, ডিজিটেল পাৰ্চনেল ডাটা প্ৰটেকচন এক্ট, ২০২৩ক আৰ টি আই দুৰ্বল কৰাৰ আন এক উদাহৰণ হিচাপে কংগ্ৰেছে চিহ্নিত কৰে। এই আইনখনে আৰ টি আইৰ ধাৰা ৮(১)(জ) সংশোধন কৰি "ব্যক্তিগত তথ্য" প্ৰকাশ কৰাত সম্পূৰ্ণৰূপে নিষেধাজ্ঞা আৰোপ কৰে। শইকীয়াৰ মতে, ইয়াৰ ফলত চৰকাৰী ধন, ভোটাৰ তালিকা বা জনস্বাৰ্থৰ ব্যয়ৰ সৈতে জড়িত তথ্য গোপনীয় ৰখাৰ সুযোগ সৃষ্টি হয়, যিটো আৰ টি আই আইনখনৰ মূল উদ্দেশ্যৰ বিৰুদ্ধ। বিৰোধী দলটোৱে আৰু অভিযোগ কৰে যে কেন্দ্ৰীয় আৰু ৰাজ্যিক তথ্য আয়োগৰ গাঁথনি আজি কাৰ্যতঃ অকাৰ্যকৰী হৈ পৰিছে। ১১টা অনুমোদিত পদৰ বিপৰীতে কেন্দ্ৰীয় তথ্য আয়োগত মাত্ৰ দুজন আয়ুক্ত দায়িত্বত আছে, আনকি মুখ্য আয়ুক্তৰ পদটোও ২০২৫ চনৰ ছেপ্টেম্বৰৰ পৰা খালী হৈ আছে। 'সতৰ্ক নাগৰিক সংঘ'ৰ এক প্ৰতিবেদন অনুসৰি দীৰ্ঘদিন ধৰি ৭টা ৰাজ্যিক তথ্য আয়োগ সম্পূৰ্ণৰূপে নিষ্ক্ৰিয় হৈ আছে। মন কৰিবলগীয়া যে, ২০২৪ চনৰ জুন মাহলৈকে সমগ্ৰ দেশতে প্ৰায় চাৰি লাখ পাঁচ হাজাৰ আপীল আৰু অভিযোগ বিচাৰাধীন হৈ আছে। কংগ্ৰেছে কয় যে আৰ টি আই ব্যৱহাৰ কৰা নাগৰিক আৰু কৰ্মীসকলৰ ওপৰত আক্ৰমণ আৰু হাৰাশাস্তি বৃদ্ধি পাইছে। ভূপালত পৰিৱেশ কৰ্মী শ্বেহলা মাছুদ আৰু মহাৰাষ্ট্ৰত সতীশ ছেট্টীৰ হত্যাকাণ্ড এই বাস্তৱতাৰ প্ৰতীক। ইউ পি এ চৰকাৰৰ দিনত হুইচেল ব্ল'ৱাৰৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে গৃহীত হোৱা হুইচেল ব্ল'ৱাৰ সুৰক্ষা আইন আজিও কাৰ্যকৰী হোৱা নাই। ফলত হুইচেল ব্ল'ৱাৰসকলে আইনী সুৰক্ষা লাভ কৰা নাই, যিটো গণতান্ত্ৰিক গাঁথনিৰ বাবে বিপদজনক বুলি বিৰোধী দলপতিগৰাকীয়ে প্ৰকাশ কৰে। তদুপৰি তথ্য জনাৰ অধিকাৰ আইনখন কেৱল আইন নহয়, ই নাগৰিকৰ সাংবিধানিক আৰু সামাজিক সবলীকৰণৰ প্ৰতীক বুলিও কংগ্ৰেছ নেতাগৰাকীয়ে কয়। এই আইনখন দুৰ্বল কৰাৰ অৰ্থ হ'ল গণতন্ত্ৰ দুৰ্বল কৰা। সেয়ে আৰ টি আইৰ ২০ বছৰীয়া জয়ন্তী উপলক্ষে কংগ্ৰেছে নিজৰ স্বাধীনতা পুনৰুদ্ধাৰ, তথ্য আয়োগৰ খালী পদ ক্ষিপ্ৰতাৰে পূৰণ, ডিজিটেল ডাটা আইন সংশোধন আৰু হুইচেল ব্ল'ৱাৰ সুৰক্ষা আইন শীঘ্ৰে কাৰ্যকৰী কৰাৰ দাবী জনায়। শইকীয়াই কয় যে স্বচ্ছতা, জবাবদিহিতা আৰু নাগৰিক অধিকাৰৰ এই যুঁজখন আজিও আগৰ দৰেই প্ৰাসংগিক। আজিৰ এই সংবাদমেলত প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰদ্যুৎ ভূঞা আৰু জ্যেষ্ঠ কংগ্ৰেছ নেতা গোপাল শৰ্মা উপস্থিত থাকে।

## প্ৰেমজনিত কাৰণত অট্টালিকাৰ

তৃতীয় তলাৰ পৰা এক ২২ বছৰীয়া যুৱতীয়ে হঠাৎ জঁাপ দি দিলে, যাৰ ফলত তেওঁলোকৰ জীৱন বিপন্ন হৈ পৰিছে। এই ঘটনাই স্থানীয় বাসিন্দাসকলক গভীৰভাৱে চিন্তিত কৰি তুলিছে। জানিব পৰা অনুসৰি, যুৱতীটো পানীঘাইটিৰ বাসিন্দা আছিল আৰু তেওঁলোকে শুভ এনক্লেভত ভাড়াত বসবাস কৰিছিল। তেওঁলোকৰ সৈতে হোজাইৰ বিশাল গুপ্তা নামৰ এক যুৱকৰ ঘনিষ্ঠ সম্পৰ্ক আছিল, যি প্ৰেমৰ সম্পৰ্ক হিচাপে পৰিচয় লাভ কৰিছিল। কিন্তু এই সম্পৰ্কত প্ৰেমৰ উপৰিও ধনৰ লেনদেনৰ বিষয়ো জড়িত আছিল বুলি সন্দেহ হৈছে। । বৰ্তমান যুৱতীগৰাকী চিকিৎসাধীন হৈ আছে। পুলিচে ঘটনাস্থলীৰ সন্দৰ্ভত সকলো প্ৰমাণ সংগ্ৰহ কৰি তদন্ত আৰম্ভ কৰিছে। লগতে, সন্দেহৰ ভিত্তিত বিশাল গুপ্তাক আটক কৰা হৈছে। তদন্তৰ ক্ৰমত এখন স্কুটাৰো জব্দ কৰিছে, যাৰ নম্বৰ হৈছে AS-09G-4046। এই বাহনখন ঘটনাৰ সৈতে জড়িত বুলি সন্দেহ হৈছে আৰু তদন্তত সহায়ক হ'ব পাৰে। বশিষ্ঠ থানাৰ পুলিচে স্থানীয় সকলৰ সহযোগিতাত পাৰিস্থিতি নিয়ন্ত্ৰণত আনিছে আৰু ঘটনাৰ পিছৰ সকলো দিশ বিবেচনা কৰি চলিছে।

## জুবিন গাৰ্গৰ সমাধিক্ষেত্ৰত

সামাজিক মাধ্যমত ভাইৰেল হোৱাত বহুতে সমৰ্থনৰ লগত লগে বহুজনে তীব্ৰ বিৰোধিতা জনাইছে। এই কাৰ্যক জুবিনৰ অনুকৰণ কৰি ন্যায়ৰ দাবী কৰা বুলি দাবী কৰা হৈছিল, কিন্তু ইয়াক ধৰ্মীয় পৰম্পৰাৰ অপমান বুলি কোৱা হৈছে। অসমৰ মন্ত্ৰী পীযুষ হাজৰীকাই সামাজিক মাধ্যমত এই ঘটনাৰ তীব্ৰ নিন্দা কৰি কয়, "মই পুনৰবাৰ কওঁ যে মই এজন জুবিন অনুৰাগী। জুবিনদাৰ 'অনামিকা', 'মায়া' আদি কেতিয়াবা গান মই নিজ হাতেৰে দোকানৰ পৰা ক্ৰয় কৰিছো। তেওঁৰ গান শুনি আমি যৌৱন পাৰ কৰিছো আৰু আজিও জুবিনপ্ৰেমী। ব্যক্তিগতভাৱে জুবিনদাৰ পৰিয়ালৰ সৈতে আমাৰ আন্তৰিক সম্পৰ্ক আছে। আমাৰ প্ৰাণৰ শিল্পীৰ ন্যায় পোৱাটো আমিও বিচাৰো। অসম চৰকাৰৰ মন্ত্ৰী হিচাপে কওঁ যে মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত তদন্ত ক্ষিপ্ৰতাৰে চলি আছে। কিন্তু ইয়াৰ বাবে ৰাজহুৱা কেমেৰাৰ সন্মুখত লগুণ ছিঙি পেলাই দি নেতিবাচক বাৰ্তা প্ৰেৰণ কৰাটোৰ মই তীব্ৰ বিৰোধিতা কৰিছো। এয়া আমাৰ সনাতন পৰম্পৰাৰ বিৰোধী। জুবিনদাই এনে সমাজ বিচাৰিছিল য'ত সকলোৱে মিলি-জুলি বাস কৰে। গতিকে কোনোবাই এনে কাৰ্য নকৰে, মই অনুৰোধ জনাইছো।" এই ঘটনাৰ তীব্ৰ বিৰোধিতা কৰিছে সদৌ অসম ব্ৰাহ্মণ যুৱ পৰিষদ। পৰিষদৰ বিবৃতিত কোৱা হয়, "চান ভাগৱতীৰ দ্বাৰা জুবিন গাৰ্গৰ সমাধিস্থলত সংঘটিত অশোভন কাণ্ডই অসমবাসীক স্তম্ভিত কৰিছে। তেওঁ লগুন ছিঙি অসংযমীয়া আৰু ধৰ্মবিৰোধী নাটক। ই ব্ৰাহ্মণ সমাজৰ পবিত্ৰ বিশ্বাসৰ ওপৰত আঘাত। আমাৰ সন্দেহ যে ই পূৰ্বপৰিকল্পিত ৰাজনৈতিক নাটক, যাৰ পিছত সমাজবিভেদৰ ষড়যন্ত্ৰ আছে। অখিল গগৈৰ এনে মন্তব্যৰ নিন্দা কৰি ২৪ ঘণ্টাৰ ভিতৰত উঠাই লোৱাৰ আৰু ক্ষমা প্ৰাৰ্থনাৰ দাবী কৰিছো। আমিসকলক আহ্বান জনাই যে ধৰ্মঅপমানৰ বিৰুদ্ধে একতাবদ্ধ হৈ সমাজৰ শান্তি ৰক্ষা কৰক।" আনহাতে, অখিল ভাৰত ব্ৰাহ্মণ ফ্ৰণ্টৰ অসম প্ৰদেশৰ মুখ্য সম্পাদক পবিত্ৰ কুমাৰ শৰ্মাই কয়, "লগুণ ইচ্ছা কৰিলে ছিঙিব নোৱাৰে। পাব্লিচিটিৰ বাবে যুৱকে এনে কৰিছে; ইয়াৰ আঁৰত ইছলামিক শক্তিৰ সন্দেহ আছে। আমি গৰিহণা কৰিছো আৰু নিন্দা জনাইছো। যুৱকে ব্ৰাহ্মণ নেহওক সন্দেহ আছে। পৰৱৰ্তীতে ঘটনাৰ বিচাৰ কৰা হ'ব।" চান ভাগৱতীৰ এই কাৰ্যৰ পিছত তেওঁৰ পৰিচয় আৰু উদ্দেশ্যৰ ওপৰত প্ৰশ্ন উঠিছে। সূত্ৰ অনুসৰি, তেওঁ জুবিনৰ অনুসৰণকাৰী আৰু এই কাৰ্যক ন্যায়ৰ প্ৰতীক হিচাপে কৰা বুলি দাবী কৰিছে, কিন্তু ধৰ্মীয় সংগঠনসমূহে ইয়াক সমাজবিভেদৰ চেষ্টা বুলি সন্দেহ কৰিছে। এই বিতৰ্কে জুবিনৰ ন্যায়ৰ দাবীক আৰু জোৰ দিছে, যদিও তদন্ত অব্যাহত আছে।

## ভিছেৰা ৰিপ'ৰ্টত তদন্তৰ

মুখ্যমন্ত্ৰীয়ে জুবিন গাৰ্গৰ তদন্ত প্ৰক্ৰিয়াকে ধৰি কেইবাটাও বিষয়ত প্ৰতিক্ৰিয়া ব্যক্ত কৰে মুখ্যমন্ত্ৰীয়ে। তেওঁ কয়, "জুবিন গাৰ্গৰ তদন্ত সঠিক দিশৰে আগবাঢ়িছে। সোমবাৰে ছিংগাপুৰৰ চাৰিজন প্ৰবাসী অসমীয়া গুৱাহাটীত উপস্থিত হ'ব।" "ক্ষিপ্ৰগতিত চলি আছে জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত। জুবিন গাৰ্গৰ তদন্ত সঠিক দিশৰে আগবাঢ়িছে। ছিংগাপুৰৰ আন ছয়গৰাকীকো শীঘ্ৰে অসমলৈ আহিবলৈ আহ্বান জনাইছো। তেওঁলোক অসমলৈ নাহিলে অন্য পন্থা গ্ৰহণ কৰিবলৈ সাজু আছো। আপোনালোক অসমলৈ আহিবই লাগিব। অসমলৈ নিজে নাহিলে কেনেকৈ আনিব লাগে তাৰ বাবে আইনৰ ব্যৱস্থা ল'বলৈ আমি কুণ্ঠাবোধ নকৰো।" "তদন্তত এটা আকাংক্ষিত ফলাফল লাভ কৰাতো নিশ্চিত। শীঘ্ৰে আমি সকলো তথ্য আদালতত দাখিল কৰিম। ছিংগাপুৰৰ পৰা অহা মানুহখিনিৰ ষ্টেটমেণ্ট ল'লে শীঘ্ৰে আমি সকলো তথ্য আদালতত দাখিল কৰিম। ন্যায় আদালতে দিব, কিন্তু ন্যায় দিয়াৰ প্ৰক্ৰিয়া আমি তৰান্বিত কৰিম।" তেওঁ কয়।

## যোৰহাট সদৰ থানাৰ লক-

ভিতৰতে ৰহস্যজনক মৃত্যু হোৱাৰ ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। মৃত যুৱকজনৰ নাম প্ৰীতম দত্ত, যি ২ নং চেঙেলিগাঁৱৰ বাসিন্দা। আৰক্ষীৰ তথ্য অনুসৰি, চুৰিৰ অভিযোগত ভোগদৈ আৰক্ষী চকীৰ এটা দলে শনিবাৰে নিশা প্ৰায় ১১: ৩০ বজাত যুৱকজনক গ্ৰেপ্তাৰ কৰি থানালৈ আনিছিল। আৰক্ষী সূত্ৰৰ মতে, প্ৰীতম দত্তই লক-আপৰ শৌচাগাৰত আত্মহত্যা কৰিছে বুলি প্ৰাথমিকভাৱে ধাৰণা কৰা হৈছে। ঘটনাৰ পিছতে লক-আপটো বন্ধ কৰি দিয়া হৈছে আৰু ফৰেনছিক বিশেষজ্ঞৰ দলৰ দ্বাৰা পৰীক্ষাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা হৈছে। আৰক্ষীৰ মতে, লক-আপৰ ভিতৰত সংঘটিত এই ঘটনাৰ কিছু অংশ থানাৰ CCTV কেমেৰাত ধৰা পৰিছে। ফুটেজত দেখা গৈছে যে যুৱকজনে চৰম পন্থা গ্ৰহণ কৰিছে। তথাপি, মৃত্যুৰ প্ৰকৃত কাৰণ নিৰ্ণয়ৰ বাবে ফৰেনছিক পৰীক্ষাৰ ফলাফলৰ প্ৰতীক্ষা কৰা হৈছে। জানিব পৰা মতে, প্ৰীতম দত্তই ড্ৰাগছৰ প্ৰতি আসক্ত আছিল আৰু পূৰ্বেও তেওঁ কেইবাবাৰো বিভিন্ন অপৰাধৰ গোচৰত গ্ৰেপ্তাৰ হৈ জে'ললৈ গৈছিল। এই ঘটনাৰ পিছত প্ৰীতমৰ পৰিয়ালৰ সদস্যসকলে ভোগদৈ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া বৰ্ণালী গোহাঁইৰ বিৰুদ্ধে যোৰহাট সদৰ থানাত এখন এজাহাৰ দাখিল কৰিছে। পৰিয়ালৰ লোকে এই মৃত্যুৰ পিছত আৰক্ষীৰ ভূমিকাৰ ওপৰত সন্দেহ প্ৰকাশ কৰিছে। আৰক্ষীৰ জ্যেষ্ঠ বিষয়াসকলে জানিবলৈ দিছে যে এই ঘটনাৰ নিৰপেক্ষ তদন্তৰ বাবে যোৰহাটৰ বাহিৰৰ এজন আৰক্ষী বিষয়াক তদন্তৰ দায়িত্ব দিয়া হ'ব। ইতিমধ্যে মৃতদেহৰ মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰা হৈছে। আৰক্ষীয়ে পৰিয়ালৰ লোকসকলক তদন্তৰ স্বচ্ছতাৰ আশ্বাস দিছে। এই ঘটনাই যোৰহাটত ব্যাপক চৰ্চাৰ সৃষ্টি কৰিছে। লক-আপৰ ভিতৰত এনে ঘটনাৰ পুনৰাবৃত্তি ৰোধৰ বাবে আৰক্ষী বিভাগৰ তৎপৰতা আৰু নিৰাপত্তা ব্যৱস্থাৰ প্ৰতি প্ৰশ্ন উত্থাপিত হৈছে। তদন্তৰ ফলাফলৰ ওপৰত সকলোৰ দৃষ্টি নিবদ্ধ হৈ আছে।

## চিআইডিৰ লকআপত মহৰ

শেখৰজ্যোতি আৰু অমৃতপ্ৰভা মহন্ত মহৰ কামোৰৰ যন্ত্ৰণাত ভুগি আছে। এই সমস্যাৰ পৰা পৰিত্ৰাণৰ বাবে দেওবাৰে গুৱাহাটী মহানগৰ নিগমে (GMC) চিআইডি কাৰ্যালয়ত ফগিংৰ ব্যৱস্থা কৰিছে। ইফালে, লকআপত থকা অভিযুক্ত শ্যামকানু আৰু অমৃতপ্ৰভা মহন্তই বিশুদ্ধ পানীৰ অভাৱত হতাশা প্ৰকাশ কৰিছে। যিসকলে পূৰ্বতে বিলাসী জীৱন যাপন কৰিছিল, তেওঁলোকে বিগত ১২ দিন ধৰি বিশুদ্ধ পানীৰ সুবিধা পোৱা নাই। এই সমস্যা সমাধানৰ বাবে দেওবাৰে চিআইডি কাৰ্যালয়ত নতুন পানীৰ টেংক স্থাপনৰ ব্যৱস্থা কৰা হৈছে। কাৰ্যালয়ত কৰ্মচাৰীসকলক এই টেংক লগোৱাৰ কামত ব্যস্ত দেখা গৈছে। এই ঘটনাই চিআইডিৰ লকআপৰ পৰিস্থিতিৰ ওপৰত নতুন পোহৰ পেলাইছে, য'ত অভিযুক্তসকলৰ মৌলিক সুবিধাৰ অভাৱে জনমানসত প্ৰশ্নৰ সৃষ্টি কৰিছে। মহৰ উপদ্ৰৱ আৰু পানীৰ সমস্যা সমাধানৰ বাবে চিআইডি কাৰ্যালয়ত এই তৎপৰতা অব্যাহত আছে।

## তালিবানৰ আক্ৰমণত নিহত

তালিবানৰ নেতৃত্বত আফগান বাহিনীয়ে অস্থিৰ কুনাৰ আৰু হেলমাণ্ড প্ৰদেশকে ধৰি ডুৰাণ্ড লাইনৰ কাষৰ একাধিক পাকিস্তানী সেনাৰ আউটপোষ্ট দখল কৰে বুলি আফগানিস্তানৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে জানিবলৈ দিয়ে। আফগান প্ৰতিৰক্ষা বিভাগৰ এজন বিষয়াই এক বিবৃতিত কয় যে, তালিবান বাহিনীয়ে কুনাৰ আৰু হেলমাণ্ড প্ৰদেশৰ ডুৰাণ্ড লাইনৰ সিপাৰে পাকিস্তানী সেনাৰ কেইবাটাও আউটপোষ্ট দখল কৰিছে। সূত্ৰই জনোৱা মতে, চলি থকা সীমান্ত সংঘৰ্ষত কমেও ১২জন পাকিস্তানী সৈনিক নিহত হৈছে আৰু কেইবাজনো আহত হৈছে। বাহৰামচা জিলাৰ ছাকিজ, বিবি জানি আৰু ছালেহান অঞ্চলৰ লগতে সমগ্ৰ পাকটিয়াৰ আৰিউব জাজী জিলাত তীব্ৰ সংঘৰ্ষৰ বাতৰি পোৱা গৈছে। পাকিস্তানী নিৰাপত্তা বিষয়াসকলে কয় যে, তেওঁলোকৰ বাহিনীয়ে আফগানিস্তানৰ পৰা অপ্ৰৰোচিত গুলীচালনা কৰা বুলি অভিহিত কৰা কাৰ্য্যক "সম্পূৰ্ণ শক্তিৰে" সঁহাৰি জনাইছে। আফগানিস্তানৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ মুখপাত্ৰ এনয়াতুল্লাহ খোৱাৰাজমীয়ে এই অভিযানক পাকিস্তানে আফগান আকাশমাৰ্গ উলংঘাৰ প্ৰতিশোধমূলক ব্যৱস্থা বুলি অভিহিত কৰিছে। স্থানীয় সময় অনুসৰি মাজনিশাৰ ভিতৰত সংঘৰ্ষ সমাপ্ত হোৱা বুলিও তেওঁ জনায়। খোৱাৰাজমীয়ে লগতে কয় যে, যদিহে বিৰোধী পক্ষই পুনৰ আফগানিস্তানৰ আকাশমাৰ্গ উলংঘা কৰে তেন্তে আমাৰ সশস্ত্ৰ বাহিনীয়ে নিজৰ আকাশমাৰ্গ ৰক্ষা কৰিবলৈ সাজু হৈছে আৰু ইয়াৰ তীব্ৰ সঁহাৰি দিব। ইফালে কাটাৰে পাকিস্তান আৰু আফগানিস্তানৰ মাজত সীমান্তৰ উত্তেজনা বৃদ্ধি পোৱাত উদ্বেগ প্ৰকাশ কৰি দুয়োপক্ষক সংযম আৰু আলোচনাৰ জৰিয়তে নিজৰ মতানৈক্য সমাধান কৰিবলৈ আহ্বান জনায়। কাবুলৰ ওচৰত পাকিস্তানে বিমান আক্ৰমণ চলোৱাৰ মাত্ৰ কেইদিনমানৰ পিছতে এই তীব্ৰ সীমা অতিক্ৰম কৰি সংঘৰ্ষ সংঘটিত হৈছে — যিটো কাৰ্য্যই আফগানিস্তানৰ ২০১ চনৰ খালিদ বিন ৱালিদ সেনাবাহিনীয়ে নাংগাৰহাৰ আৰু কুনাৰত পাকিস্তানৰ সামৰিক স্থানসমূহক লক্ষ্য কৰি "প্ৰতিশোধমূলক" অভিযানৰ সূচনা কৰা বুলি কয়। অৱশ্যে ইছলামবাদে এই অভিযান নিশ্চিত বা অস্বীকাৰ কৰা নাই। স্থানীয় সূত্ৰই জনোৱা মতে, পাকটিয়া প্ৰদেশৰ আৰউব জাজী জিলাতো সংঘৰ্ষৰ সৃষ্টি হৈছে, যিটো বিবাদিত সীমাৰ কাষৰ স্পিনা শ্বাগা, গিৰি, মণি জাভা আৰু ওচৰৰ অঞ্চলসমূহলৈ বিয়পি পৰিছে। আফগান প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ মতে, আজি নিশাৰ আক্ৰমণত পাকিস্তানী পক্ষৰ সুবিধা আৰু সঁজুলি ধ্বংস হয়। ইয়াৰ উপৰিও দাবী কৰা হৈছে যে কুনাৰ আৰু হেলমাণ্ডৰ ওপৰেৰে এটাকৈ আউটপোষ্ট ধ্বংস কৰা হৈছে, আনহাতে পাকিস্তানী বাহিনীয়ে তালিবান যোদ্ধাসকলৰ হাতত ক্ষতিগ্ৰস্ত হোৱাৰ লগতে কেইবাটাও অস্ত্ৰ-শস্ত্ৰ আৰু বাহন হেৰুৱাই পেলোৱাৰ বাতৰি পোৱা গৈছে। এই সংঘাতৰ সম্প্ৰসাৰণ হোৱা যেন লাগে, পাকটিয়া, পাক্তিকা, খোষ্ট, কুনাৰ, হেলমাণ্ড, আৰু নংগাৰহৰ প্ৰদেশত একেলগে যুদ্ধৰ বাতৰি পোৱা গৈছে।

## জুবিন গাৰ্গৰ মৃত্যুৰ স্বচ্ছ

জনপ্ৰিয়তা লাভ কৰিছে, য'ত কৰ্তৃপক্ষৰ কথিত গাফিলতিৰ অভিযোগ উত্থাপিত হৈছে। দাখিলৰ কেইঘণ্টামানৰ ভিতৰতে শতাধিক লোকে এই ন্যায়ৰ দাবীত স্বাক্ষৰ কৰি সমৰ্থন জনাইছে। এই আন্দোলনে জুবিনক অসমৰ সাংস্কৃতিক কণ্ঠ হিচাপে গণ্য কৰা শিল্পী, অনুৰাগী আৰু সাংস্কৃতিক ব্যক্তিত্বসকলৰ আৱেগিক সমৰ্থন লাভ কৰিছে। সমৰ্থকসকলে কয় যে, এই আবেদন কেৱল জুবিনৰ মৃত্যুৰ ন্যায়ৰ দাবী নহয়, বৰং ৰাজ্যৰ কলাজগতৰ প্ৰতি জবাবদিহিতা আৰু সন্মানৰ প্ৰতিও এক আহ্বান। আন্দোলনত যোগ কৰি জুবিনৰ কনিষ্ঠ ভগ্নী ডং পলমী বৰঠাকুৰে তেওঁৰ ফেচবুক প্ৰফাইলত আবেদনৰ লিংক শ্বেয়াৰ কৰি এক হৃদয়বিদাৰক মন্তব্য কৰিছে: "ন্যায়ৰ বাবে জৰুৰী! JusticeForZubeenGarg।" এই আন্দোলনে জুবিন গাৰ্গৰ অকাল মৃত্যুৰ তদন্তত স্বচ্ছতা আৰু দ্ৰুততাৰ দাবীক আৰু জোৰদাৰ কৰিছে।

## জুবিনক বুকুত লৈ

আতজবাজী ব্যৱহাৰ কৰিবলৈ। জুবিন গাৰ্গৰ আদৰ্শক আমি জীয়াই ৰাখিব লাগিব। বৰপেটাৰ আতজবাচী কেন্দ্ৰক আমি মৰিবলৈ নিদিওঁ। জুবিনক বুকুত লৈ আমি দিপাৱলী পালন কৰিম। আমাৰ সভ্যতা-সংস্কৃতি আমি এৰি নিদিওঁ।" মুখ্যমন্ত্ৰীয়ে কয়, "মনৰ দুখৰ মাজতো আমি দ্বীপান্বিতা পালন কৰিম। এই কেইদিন বহুতে ফটুৱা জাৰি কৰিছে। এনেকে ৰাজ্যখন নচলে। জুবিন গাৰ্গে কেতিয়াও এনে বিচৰা নাছিল। আমি জুবিন গাৰ্গৰ আদৰ্শক জীয়াই ৰাখিব লাগিব। অসমবাসী ৰাইজৰ প্ৰতি আহ্বান যে আমি আমাৰ সভ্যতা-সংস্কৃতি আগুৱাই লৈ যাব লাগিব। এই বছৰ বৰপেটাৰ আতচবাচী মই নিজে কিনিম। জুবিনক বুকুত লৈ আমি দিপাবলী পালন কৰিম।"

## ব্যক্তিগত কোম্পানীক বিদ্যুৎ

প্ৰৱেশৰ অনুমতি দিয়া হ'ব। এই পদক্ষেপৰ ফলত দেশৰ প্ৰতিটো অঞ্চলত বেচৰকাৰী কোম্পানীসমূহে বিদ্যুৎ বিতৰণৰ দায়িত্ব গ্ৰহণ কৰিব পাৰিব, আনকি এটা অঞ্চলত একাধিক কোম্পানীয়ে বিদ্যুৎ যোগানৰ প্ৰস্তাৱ আগবঢ়াব পাৰিব। চৰকাৰৰ মতে, এই পদক্ষেপৰ ফলত বিদ্যুৎ বিতৰণ ব্যৱস্থাত এক সুস্থ প্ৰতিযোগিতাৰ সৃষ্টি হ'ব, যাৰ জৰিয়তে গ্ৰাহকসকল উন্নত সেৱা লাভ কৰিব। ইয়াৰ উপৰিও বিতৰণকাৰী কোম্পানীসমূহৰ মাজত প্ৰতিযোগিতা বৃদ্ধি পোৱাৰ ফলত সেৱাৰ মান উন্নত হ'ব বুলি চৰকাৰৰ দাবী। লগতে, বৰ্তমানৰ চৰকাৰী বিদ্যুৎ বিতৰণ কোম্পানীসমূহৰ আৰ্থিক বোজা লাঘৱ কৰাতো এই পদক্ষেপে সহায় কৰিব বুলি কেন্দ্ৰৰ যুক্তি।

## চিআইডি কাৰ্যালয়ত

কাৰ্যালয়ত উপস্থিত হৈছিল অৰুণ গাৰ্গ। চিআইডিৰ তদন্তকাৰী দলে অৰুণ গাৰ্গৰ ভাষ্য গ্ৰহণ কৰে। জানিব পৰা মতে, অৰুণ গাৰ্গ আছিল প্ৰয়াত জুবিন গাৰ্গৰ ঘনিষ্ঠ সহযোগী আৰু ভাতৃসম ব্যক্তি। উল্লেখযোগ্য যে, জুবিন গাৰ্গৰ শেষকৃত্যৰ কাৰ্যতো মুখ্য ভূমিকা পালন কৰিছিল এই অৰুণ গাৰ্গে। চিআইডি কাৰ্যালয়ৰ বাহিৰত সাংবাদিকৰ সন্মুখত অৰুণ গাৰ্গে এটা গুৰুত্বপূৰ্ণ মন্তব্য প্ৰকাশ কৰি তদন্তৰ গতি সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰে। তেওঁ কয়, "জুবিনৰ তদন্তৰ নামত এই পৰিমাণৰ সময় কিয় লাগিছে? মোক অকল দাদাৰ ন্যায়ৰ প্ৰয়োজন। কালি গোটেই ৰাতি বৌৱে (জুবিনৰ পত্নী) কান্দি আছিল। মই ঘৰত কাম কৰো, দাদাৰ লগত থাকো। এইবিলাকৰ বিষয়ে মই একো নাজানো। মোৰ একমাত্ৰ দাবী হৈছে দাদাৰ ন্যায় অতি সোনকালে নিশ্চিত কৰা হওক।" অৰুণৰ এই আবেগপূৰ্ণ মন্তব্যই এতিয়া সামাজিক আৰু সংবাদ মাধ্যমত ব্যাপক চৰ্চাৰ সৃষ্টি কৰিছে। জুবিন গাৰ্গৰ তদন্তৰ সন্দৰ্ভত চিআইডিৰ তৎপৰতা আৰু অগ্ৰগতিৰ বিষয়ে জানিবৰ বাবে জনমানসত কৌতূহল বৃদ্ধি পাইছে। তদন্তৰ পৰৱৰ্তী পৰ্যায়ত কি পদক্ষেপ গ্ৰহণ কৰা হ'ব, সেয়া এতিয়া পৰ্যবেক্ষণৰ বিষয় হৈ পৰিছে।

### জনজাতিকৰণ নহ'লে ৰাজপথ কঁপাই তোলাৰ হুংকাৰ

## ছয় জনগোষ্ঠীৰ জনজাতিকৰণ বিৰোধিতাত কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ তীব্ৰ প্ৰতিক্ৰিয়া

**ষ্টাফ ৰিপ'টাৰ, বঙাইগাঁও, ১২ অক্টোবৰ ঃ** কোচ ৰাজবংশী জনগোষ্ঠীকে ধৰি অসমৰ ছয় জনগোষ্ঠীক অনুসূচিত জনজাতিৰ সাংবিধানিক মৰ্যাদা দিলে বৰ্তমানৰ জনজাতিসকলৰ ক্ষতি হ'ব বুলি আদিত্য খাখলাৰীয়ে কৰা মন্তব্যত প্ৰতক্ৰিয়া ব্যক্ত কৰিছে কোচ ৰাজবংশী সংগ্ৰাম সমিতিয়ে। সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সভাপতি নাৰায়ণ মেধিয়ে এক বিবৃতিত ক্ষোভ প্ৰকাশ কৰি কয় যে, বিটিচিত নিৰ্বাচনৰ যোগেদি বিটিচিত চৰকাৰ গঠন হল। মেধিয়ে আকৌ কয় বিটিচিত বড়ো ভাইসকলে শাসন কৰি থাকিব অথচ ছয় জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা দিলে তেওঁলোকৰ ক্ষতি হ'ব বুলি কৈ ইয়াৰ বিৰোধিতা কৰিব। এনে হ'ব নোৱাৰে বুলি কয় সভাপতি মেধিয়ে। বিবৃতিটোত আকৌ উল্লেখ কৰে যে কোচ ৰাজবংশী জনগোষ্ঠীৰ জনজাতিকৰন কৰাৰ অৰ্হতা আছেবাবেই বিগত ১৯৯৬ চনতে ভাৰতৰ মহামহিম ৰাষ্ট্ৰপতিয়ে অসমৰ কোচ-ৰাজবংশী সকলক অধ্যাদেশৰ দ্বাৰা জনজাতিকৰনৰ মৰ্যাদা প্ৰদান কৰিছিল। শিক্ষা, কলা-সংস্কৃতিৰ লগতে অৰ্থনৈতিক আৰু ৰাজনৈতিকভাৱে বড়ো ভাইসকলৰ হোৱা উন্নয়ন দেখি আমাৰ ভাল লাগে, নজ্বলে গা। এই বোৰক লৈ কোচৰাজবংশী জনগোষ্ঠীয়ে কেতিয়াও প্ৰশ্ন উত্থাপন কৰা নাই। এনেক্ষেত্ৰত অসমত বসবাস কৰা ১৪টা জনজাতিৰ ভিতৰত বড়ো 'ভাইসকলৰ জনজাতিকৰণৰ বিষয়টো পুনৰ বিবেচনা কৰাৰ বাবে চৰকাৰৰ ওচৰত দাবী জনায় সংগ্ৰাম সমিতিয়ে। তদুপৰি উল্লে কৰে যে কোচৰাজবংশী জনগোষ্ঠীয়ে এতিয়া আৰু জনজাতিকৰণৰ বাবে আশা পালি ঘৰতে বহি নাথাকে। ২০ ২৬ৰ বিধান সভা নিৰ্বাচনৰ পূৰ্বেই জনজাতিৰ মৰ্যাদা আজুৰি আনিবলৈ ৰাজপথলৈ ওলাই আহি গণতান্ত্ৰিকভাৱে আন্দোলন কৰিবলৈ সাজু বুলিও হুংকাৰ দিয়ে সমিতিখনে। একেটা বিবৃতিতে সংগঠনটোৰ সাধাৰণ সম্পাদক দুলাল ৰায়ে, আদিত্য খাখলাৰীৰ ঘৰৰ পৰা জনজাতিকৰণৰ মৰ্যাদা দিব নেকি বুলিও প্ৰশ্ন উত্থাপন কৰে। সমাগত বিধান সভা নিৰ্বাচনৰ পূৰ্বে কোচ ৰাজবংশী জনগোষ্ঠীৰ জনজাতিকৰণ নহ'লে ৰাজপথ কঁপিব বুলিও হুংকাৰ দিয়ে। তদুপৰি হয় জনজাতিকৰণ নহয় পৰিবৰ্তনৰ লক্ষ্যৰে ঐক্যবদ্ধ সংগ্ৰাম চলাই নিয়াৰ বাবেও সাজু বুলি বিবৃতিটোত উল্লেখ কৰে।

# ডুমডুমাত চাহ জনজাতি ছাত্ৰী নিবাস উদ্বোধন, চিলাই মেচিন, খেলৰ সামগ্ৰী বিতৰণ মন্ত্ৰী ৰূপেশ গোৱালাৰ



**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১২ অক্টোবৰ ঃ** অসম চাহ শ্ৰমিক কল্যাণ পৰিষদৰ দ্বাৰা ডুমডুমাৰ সমীপৰ ৰূপাই চাইডিঙৰ ডনবক্স স্কুলৰ পাছফালে নিৰ্মাণ কৰা চাহ জনজাতি ছাত্ৰী নিবাসটি আজি অসম চৰকাৰৰ শ্ৰমিক কল্যাণ আৰু চাহ জনজাতি আৰু আদিবাসী কল্যাণ বিভাগৰ কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই উপলক্ষে ডুমডুমাৰ গ্ৰেণ্ড ইন ৰিজৰ্টৰ সভাগৃহত অনুষ্ঠিত হোৱা এখন ৰাজহুৱা সভাত ভাষণ দি মন্ত্ৰী গোৱালাই কয় যে এই ছাত্ৰী নিবাসটো কেইবাবছৰ পূৰ্বেই নিৰ্মাণ কৰা হৈছিল যদিও উদ্বোধন কৰা হোৱা নাছিল। বহুদিন ধৰি পৰিত্যক্ত অৱস্থাত থকাৰ বাবে গৃহটি ব্যৱহাৰৰ অনুপযোগী হৈ পৰাত গৃহটি মেৰামতি কৰি আজি উদ্বোধন কৰা হয়। বৰ্তমান এই ছাত্ৰী নিবাসটোত দহ গৰাকী ছাত্ৰী থকাৰ ব্যৱস্থা আছে। পৰৱৰ্তী সময়ত আৰু দহ গৰাকী ছাত্ৰী থাকিব পৰাকৈ নিবাসটো বৰ্ধিত কৰা হ'ব বুলি মন্ত্ৰী গোৱালাই কয়। ইয়াৰ উপৰিও অসম চাহ শ্ৰমিক কল্যাণ পৰিষদৰ অধীনস্থ তিনিচুকীয়া জিলাত অৱস্থিত চাহ শ্ৰমিক কল্যাণ কেন্দ্ৰসমূহৰ পৰা ২০২৩-২০২৪ শিক্ষা বৰ্ষত চিলাই কামৰ প্ৰশিক্ষণ সমাপ্ত কৰি উত্তীৰ্ণ হোৱা প্ৰশিক্ষাৰ্থীসকলক প্ৰমাণ পত্ৰ আৰু একোটাকৈ চিলাই মেচিন প্ৰদান কৰে মন্ত্ৰী গোৱালাই। তদুপৰি, ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত চাহ বাগিচাসমূহৰ পঞ্জীয়নভুক্ত ক্লাবক বিভিন্ন খেলৰ সামগ্ৰীও বিতৰণ কৰে বিভাগীয় মন্ত্ৰীগৰাকীয়ে। এই উপলক্ষে অনুষ্ঠিত ৰাজহুৱা সভাখনত মুখ্য অতিথি হিচাপে ভাষণ দি মন্ত্ৰী ৰূপেশ গোৱালাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰে চাহ শ্ৰমিকসকলৰ কল্যাণৰ বাবে হাতত লোৱা বিভিন্ন উন্নয়নমূলক আঁচনিৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়। অসম চৰকাৰে চাহ শ্ৰমিকৰ দৈনিক হাজিৰা বৃদ্ধি কৰিবলৈ আৰু চাহ শ্ৰমিকসকল ভূমি পট্টা প্ৰদান কৰিবলৈও ব্যৱস্থা লোৱা বুলি মন্ত্ৰী গোৱালাই জানিবলৈ দিয়ে। তেওঁ লগতে অসম চৰকাৰৰ শ্ৰমিক কল্যাণ বিভাগে অন্যান্য ক্ষেত্ৰৰ শ্ৰমিকসকলৰ কল্যাণৰ বাবে হাতত লোৱা বিভিন্ন উন্নয়নমূলক আঁচনিৰ বিষয়েও উল্লেখ কৰে। সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি ডিগবৈ বিধানসভা সমষ্টিৰ বিধায়ক সুৰেন ফুকনে বৰ্তমানৰ ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰখনৰ দিনত অসমৰ অন্যান্য জনগোষ্ঠীসমূহৰ লগতে চাহ জনগোষ্ঠীৰ লোকসকলৰো প্ৰভুত উন্নতি হোৱা বুলি কয়। সভাত ঝুমইৰ সম্ৰাট পদ্মশ্ৰী দুলাল মানকি, তিনিচুকীয়া জিলাৰ সহকাৰী শ্ৰম আয়ুক্ত ভাস্কৰ মিলি, ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতা, বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰজিৎ শইকীয়া, অসম চাহ মজদুৰ সংঘৰ ডুমডুমা শাখাৰ সম্পাদক ৰাহুল তাঁতী, অসম চাহ কৰ্মচাৰী সংঘৰ সাধাৰণ সম্পাদক ঋষভ কলিতা, প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত আছিল। আৰম্ভণিতে চাহ শ্ৰমিক কল্যাণ আয়ুক্ত কণপাই দাসে আদৰণি ভাষণ প্ৰদান কৰে। অনুষ্ঠানত 'ঝুমইৰ সম্ৰাট' দুলাল মানকিয়ে পৰিৱেশন কৰা ঝুমইৰ গীতৰ তালে তালে চাহ জনগোষ্ঠীৰ যুৱতীসকলে এটি সুন্দৰ ঝুমইৰ নৃত্য প্ৰদৰ্শন কৰে। আজিৰ সভাত ডুমড়ুমা অঞ্চলৰ বিভিন্ন চাহ বাগিচাৰ পৰিচালক, শ্ৰমিক, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় বহু সংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

# সৃজনগ্ৰাম শিক্ষাখণ্ডত নিবিদা প্ৰক্ৰিয়া ত্ৰুটিপূৰ্ণ হোৱাৰ অভিযোগ

**অসম বাৰ্তা, অভয়াপুৰী, ১২ অক্টোবৰ ঃ** ৰাজ্য চৰকাৰে চৰকাৰী বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ অধ্যায়ন কৰা সকলো ছাত্ৰ-ছাত্ৰীক দুযোৰকৈ বিনামূলীয়া ইউনিফৰ্ম দিবলৈ সমগ্ৰ শিক্ষাৰ মিছন সঞ্চালকে যোৱা ৭ আগষ্টত সমগ্ৰ শিক্ষাৰ পত্ৰ নং-৬৮৭৪০৪/এছ এছ এ-১৫০২২/০৫/২০২৫নং মৰ্মে ৰাজ্যৰ সকলো জিলা মিছন সমন্বয়ক সকলোক অৱগত কৰিছে। সমগ্ৰ শিক্ষাৰ ৱেব চাইটতো যোৱা ৮ আগষ্টত নিয়মাৱলী আপলোড কৰিছে। সেই মৰ্মে বঙাইগাঁও জিলাৰ মাণিকপুৰ, বইটামাৰী, বঙাইগাঁও আৰু সৃজনগ্ৰাম শিক্ষাখণ্ডত বিনামূলীয়া ইউনিফৰ্মৰ নিবিদাৰ কাম চলি আছে। ইতিমধ্যে জিলাখনত ১৬৮ গৰাকীৰ তলত ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়সমূহত ক'টেশ্বন লোৱা প্ৰায় সম্পূৰ্ণ হৈছে কিন্তু ১৬৮ বা ততোধিক ছাত্ৰ-ছাত্ৰী থকা বা ১ লাখৰ পৰা ২০ লাখলৈ মূল্যৰ ইউনিফৰ্মৰ নিবিদাৰ কাম এতিয়াও সম্পূৰ্ণ হৈ উঠা নাই। খণ্ড প্ৰাথমিক শিক্ষা বিষয়া সকলোৰ তৎপৰতাত নিবিদাৰ কাম তীব্ৰ গতিত চলি আছে যদিও এতিয়ালৈকে নিবিদাৰ সকলো কাম সম্পূৰ্ণ হোৱা নাই। যিহেতু ১ লাখৰ পৰা ২০ লাখলৈ থকা নিবিদাৰ ক্ষেত্ৰত "আছাম পাব্লিক প্ৰকিউৰমেণ্ট এক্টছ-২০১৭" আৰু "আছাম পাব্লিক প্ৰকিউৰমেণ্ট ৰুল-২০২০" মতে নিবিদাৰ কাম কৰিব লাগিব। কিন্তু একাংশ বিদ্যালয়ৰ বিদ্যালয় পৰিচালনা সমিতিয়ে এই আইন আৰু নিয়মৰ সম্পূৰ্ণ বোধগম্যতাৰ অভাৱৰ বাবে নিবিদাৰ বহু নিয়ম অনিচ্ছাকৃত মানি নচলাৰ অভিযোগ পোৱা গৈছে। বিশেষকৈ সৃজনগ্ৰাম শিক্ষাখণ্ডৰ বৃহৎ সংখ্যক বিদ্যালয়ত নিবিদাৰ নিয়ম সম্পূৰ্ণৰূপে মানি নচলাৰ অভিযোগ উঠিছে। যাৰ ফলত নিবিদা প্ৰক্ৰিয়াৰ ১৫ ছেপ্তেম্বৰৰ সময়সীমা প্ৰায় এমাহ পাৰ হৈ যোৱাৰ পিছতো নিবিদা প্ৰক্ৰিয়া চূড়ান্ত কৰিব পৰা নাই। সৃজনগ্ৰাম শিক্ষাখণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নৱজিত বায়নৰ শূন্য সহনশীলতাৰ পিছতো একাংশ বিদ্যালয়ত "আছাম পাব্লিক প্ৰকিউৰমেণ্ট এক্টছ-201" আৰু "আছাম পাব্লিক প্ৰকিউৰমেণ্ট ৰুল-২০২০" মানি চলা নাই। অভিযোগ মৰ্মে নিবিদাৰ নিয়ম নমনা একাংশ বিদ্যালয়ত বছা বছা একাংশ নিবিদাকাৰীয়ে ২শতাংশ "বিড ছিকিউৰিটি" জমা দিয়া নাই। সেই একাংশ বিদ্যালয়ত যিহেতু অকল দুটা নিবিদা পৰিছে, সেই দুটা নিবিদাক তিনিটা কৰি নিবিদা প্ৰক্ৰিয়া শুদ্ধ বুলি দেখুৱাবলৈ এনেদৰে চেষ্টা কৰা হৈছে বুলি অভিযোগ উঠিছে। নিবিদাৰ নিয়মাৱলীৰ ১.৭.১ মৰ্মে 'টেকনিকেলি কোৱালিফাইড' নিবিদাকাৰীৰ "প্ৰাইজ বিড" খুলিছে যদিও পৰৱৰ্তী সময়ত নিবিদাৰ নিয়ম উলংঘন কৰি নিম্ন(এল-১) দৰৰ ঠাইত তাতোকৈ বেছি দৰ দিয়া নিবিদাকাৰীক নিৰ্বাচন কৰা হৈছে। অন্যপিনে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ ইউনিফৰ্মৰ বাবে উৰ্ধতম একে ৬০০ টকা নিৰ্ধাৰণ কৰা আছিল যদিও একাংশ নিবিদাকাৰীয়ে ভিন্ন ভিন্ন দৰত নিবিদা দাখিল কৰিছে আৰু পৃথক পৃথক দৰক কেনেদৰে বিদ্যালয় পৰিচালনা সমিতি একাংশই কিহৰ ভিত্তিত মূল্যায়ন কৰিলে সেইটোও এক গুৰুত্বপূৰ্ণ কথা। উত্থাপন কৰা এনে একাধিক গুৰুতৰ অভিযোগ যদি সঁচা প্ৰমাণিত হয় তেন্তে নিবিদাৰ প্ৰক্ৰিয়া নতুনকৈ পুনৰ হ'ব নে নিবিদাৰ বিভিন্ন নিয়ম জলাঞ্জলী দিয়া এই প্ৰক্ৰিয়াই অব্যাহত থাকিব? এই প্ৰক্ৰিয়া সন্দৰ্ভত বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম শিক্ষাখণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ নৱজিত বায়নৰ স্পষ্ট উত্তৰ- "চৰকাৰৰ জনমুখী আঁচনিৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীক বিদ্যালয়মুখী কৰিবলৈ সকলো বাধা আঁতৰাই বিনামূলীয়া ইউনিফৰ্ম নিবিদাৰ ক্ষেত্ৰত সকলো তথ্য তন্ন তন্ন কৈ পৰীক্ষা কৰি ব্লক পৰ্যায়ৰ সমিতিৰ প্ৰতিবেদনৰ ভিত্তিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।" শিক্ষা বিষয়াগৰাকীয়ে ৰাইজক নিজৰ কাষৰ বিদ্যালয়খনত চকু দিবলৈ অনুৰোধ জনায় যাতে ছাত্ৰ-ছাত্ৰীয়ে ৩১ ডিচেম্বৰৰ ভিতৰত উন্নত মানৰ ইউনিফৰ্ম লাভ কৰিবলৈ সক্ষম হয়।

# কঠীয়াতলি উন্নয়ন খণ্ডত কমিউনিটি কেদাৰক স্কুটি বিতৰণ

**অসম বাৰ্তা, কামপুৰ, ১২ অক্টোবৰ ঃ** নগাঁও জিলাৰ নৱগঠিত কঠীয়াতলি উন্নয়ন খণ্ডৰ কাৰ্যলয়ত আজি বড়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে "সখী এক্সপ্ৰেছ" আচনিৰ অধীনত স্কুটি বিতৰণ কৰে। উল্লেখ্য যে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ বড়মপুৰ বিধানসভা সমষ্টিৰ নৱগঠিত কঠীয়াতলি আৰু বড়মপুৰ উন্নয়ন খণ্ডৰ সমষ্টিৰ কমিউনিটি কেডাৰক ৬৩খন স্কুটি বিতৰণ কৰে বিধায়ক গোস্বামীয়ে। এই সম্পৰ্কত বিধায়ক গৰাকীয়ে উন্নয়ন খণ্ডৰ সভাগৃহত অনুষ্ঠিত অসম ৰাজ্যিক জীৱিকা অভিযানৰ মতবিনিময় আৰু ধন্যবাদ জ্ঞাপন অনুষ্ঠানত অংশ লৈ বক্তব্য প্ৰদান কৰে। বিধায়ক গৰাকীয়ে মহিলা সৱলীকৰণৰ বাবে চৰকাৰে লোৱা বিভিন্ন আঁচনিৰ বহলাই ব্যাখ্যা কৰে। সভাখনত বিধায়ক গৰাকীৰ লগত উপস্থিত থাকে তিৰা স্বায়ত্ত্ব পৰিষদৰ অধ্যক্ষ মদন বৰদলৈ; কামপুৰ পৌৰসভাৰ বাৰ্ড কমিচনাৰ অংকুমনি ৰয় শইকীয়া; ৰাঙলু সমবায় সমিতিৰ সভাপতি মাণিক মজুমদাৰ, নগাঁও জিলা প্ৰকল্প প্ৰবন্ধক শংখ প্ৰৱাল চাণ্ডিল; কঠীয়াতলি খণ্ড প্ৰকল্প প্ৰবন্ধক দুলাল হাজৰিকা, বড়মপুৰ খণ্ডৰ প্ৰকল্প প্ৰবন্ধক চন্দ্ৰন বৰবৰা; পাখীমৰীয়া খণ্ড প্ৰকল্প প্ৰবন্ধক গৰাকীও উপস্থিত থকাৰ উপৰিও কঠীয়াতলি উন্নয়ন খণ্ডৰ সভানেত্ৰী বৰ্ণালী শইকীয়া, বড়মপুৰ উন্নয়ন খণ্ডৰ সভাপতি নৃপেন খাখলাৰী, কঠীয়াতলি উন্নয়ন খণ্ডৰ বিষয়া শ্বেয়াতা শৰ্মা, কলিয়াবৰ জিলা বিজেপিৰ সাধাৰণ সম্পাদক অৰবিন্দ চৌধুৰী, কলিয়াবৰ জিলা চাহ মৰ্চাৰ সভাপতি বিজু ৰাউতিয়া আদি উপস্থিত থাকে। অনুষ্ঠানটোৰ আঁত ধৰে বেংক মিত্ৰ সীমা বৰাই।

# জনজাতিকৰণৰ দাবীত ১৩ অক্টোবৰত ডিব্ৰুগড় কঁপাব কেবাটাও চাহ জনগোষ্ঠীয়ে

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১২ অক্টোবৰ ঃ** অসমৰ চাহ বাগিচা আৰু অসমৰ চুকে-কোণে বসবাস কৰা চাহ জনগোষ্ঠীয় লোকসকলক অনুসূচীত জনজাতিৰ মৰ্যাদা প্ৰদানৰ দাবীকলৈ ১৯৪৭ চনৰ পৰাই চাহ শ্ৰমিকসকলে ৰাজপথত সংগ্ৰাম কৰি আহিছে যদিও কোনো এখন চৰকাৰে জনগোষ্ঠীটোৰ দাবীৰ প্ৰতি ন্যাৰ্য্যতা প্ৰদান নকৰিলে। আনহাতে, উত্তৰ-পূৰ্বাঞ্চলৰ সকলো ৰাজ্যতে খিলঞ্জীয়া লোকসকলে ভূমি অধিকাৰ পাইছে যদিও যুগ যুগ ধৰি অসমৰ চাহ বাগিচাত বসবাস কৰা লাখ লাখ চাহ শ্ৰমিক পৰিয়ালে আজি পৰ্যন্ত নেপালে ভূমি অধিকাৰ। শাসনৰ বাঘজৰী দখল কৰিয়ে বিজেপি চৰকাৰে চাহ জনগোষ্ঠীয় লোকসকলক জনজাতিৰ মৰ্যাদা প্ৰদান, ভাৰত চৰকাৰৰ নিম্নতম মজুৰি আইনৰ অধীনত চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধি আৰু চাহ জনগোষ্ঠীয় লোকসকলক ভূমি অধিকাৰ প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি দিছিল বিজেপি চৰকাৰে। কিন্তু বিজেপি চৰকাৰৰ প্ৰতিশ্ৰুতি আজিও প্ৰতিশ্ৰুতি হৈ ৰ'ল। বিজেপিৰ শাসনকালত বিভিন্ন ৰাজপথ, পঞ্চতাৰকা হোটেল, উদ্যোগ, বিমানবন্দৰ আদিৰ বাবে চাহ বাগিচাৰ হাজাৰ হাজাৰ বিঘা ভূমি উচ্ছেদ কৰাৰ লগতে চাহ বাগিচাৰ ১০শতাংশ ভূমি অন্য কামত ব্যৱহাৰ কৰাৰ বাবে নতুন আইন প্ৰণয়ন কৰি খাটিখোৱা চাহ শ্ৰমিকৰ জীৱনলৈ বিজেপি চৰকাৰে চৰম সংকট নমাই আনিছে। আনহাতে ১০ শতাংশ চাহ বাগিচাৰ ভূমি অন্য কামত ব্যৱহাৰ কৰাব নতুন আইন প্ৰণয়ন হোৱাৰ লগে লগে চাহ নগৰী ডিব্ৰুগড় জিলাৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ব্যক্তিগত খণ্ডৰ বাগিচাৰ মালিকসকলে চাহ শ্ৰমিকৰ অধিকাৰপ্ৰদত্ত বাগিচাৰ মাটি খণ্ড খণ্ডকৈ বিক্ৰী কৰি শ্ৰমিকৰ অস্তিত্বৰ প্ৰতি নমাই আনিছে চৰম ভাবুকি। গতিকে অসমৰ চাহ জনগোষ্ঠীয় লোকসকলক শীঘ্ৰে অনুসূচীত জনজাতিৰ মৰ্যাদা প্ৰদান কৰা, চাহ শ্ৰমিক পৰিয়ালক পট্টাসহ ভূমি অধিকাৰ প্ৰদান কৰা আৰু ভাৰত চৰকাৰৰ নিম্নতম মজুৰি আইনৰ আধাৰত চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৫৫১ টকালৈ বৃদ্ধি কৰাৰ মূল দাবীক লৈ অসম চাহ জনজাতি ছাত্ৰ সন্থা, অসম চাহ মজদুৰ সংঘ, অসম চাহ জনগোষ্ঠী জাতীয় মহাসভা, ৩৬ জনজাতি পৰিষদ আৰু সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ যৌথ উদ্যোগত অহা ১৩ অক্টোবৰত ডিব্ৰুগড়ত হ'ব বিশাল গণ আন্দোলন। যৌথ সংগঠনসমূহৰ অন্যতম আহ্বায়ক আছা ডিব্ৰুগড় জিলা সমিতিৰ উপদেষ্টা লখিন্দৰ কুৰ্মি, সভাপতি বিমল বাঘ আৰু সম্পাদক চনু উৰাঙে জানিবলৈ দিয়া মতে ১৩ অক্টোবৰৰ দিনা পাঁচটা দিশৰ পৰা ডিব্ৰুগড় জিলাৰ সকলো চাহ বাগিচা বন্ধ কৰি প্ৰায় দুই লাখৰ পৰা তিনি লাখ চাহ শ্ৰমিক ৰাইজ গোট খাব বুলি সদৰি কৰে। সেয়েহে চাহ শ্ৰমিকৰ অস্তিত্ব ৰক্ষাৰ দাবীত ঘোষণা কৰা এই গণ আন্দোলনত সকলো শ্ৰেণীৰ ৰাইজক সহযোগ কৰিবলৈ আছা নেতৃত্বই আহ্বান জনাইছে।

# লংকাৰ কৃষ্ণ বৰা বি.এড. কলেজৰ নৱাগত আদৰণী সভাত বাৰ্ষিক আলোচনী, কবি নুৰ আহমদ বৰভূঞাৰ কবিতা সংকলন 'চৰৈৱেতী'ৰ উন্মোচন



**অসম বাৰ্তা, লংকা, ১২ অক্টোবৰ ঃ** লংকাৰ কৃষ্ণ বৰা বি.এড কলেজৰ নৱাগত আদৰণী সভা বন্তি প্ৰজ্বলন ও সংগীত সম্ৰাট জুবিন গাৰ্গ লৈ শ্ৰদ্ধাঞ্জলি জনাই সমবেত সংগীতেৰে অনুষ্ঠিত হয়। এই আদৰণী সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে হোজাই জিলাৰ জিলা উপায়ুক্ত শ্ৰী বিদ্যুত বিকাশ ভাগৱতী, বিশিষ্ট অতিথি হিচাপে কৃষ্ণ বৰা বি.এড কলেজৰ পৰিচালনা সমিতিৰ সভাপতি মহম্মদ ইছমাইল আলী, লংকা চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ শ্ৰী নাৰায়ণ দেৱনাথ, লামডিং মহাবিদ্যালয়ৰ অধ্যক্ষ অনুৰাধা চৌধৰী, কৃষ্ণ বৰা বি.এড কলেজৰ অধ্যক্ষ ড° মোস্তাফিজুৰ ৰহমান, আভ্যন্তৰীণ মান নিৰূপণ কোষৰ তত্বাৱধায়ক ও সহকাৰী অধ্যাপক শ্ৰী তাৰা শংকৰ দত্ত, সহকাৰী অধ্যাপক হেমন্ত কুমাৰ চাঙ্গৰ লগতে কলেজৰ অধ্যাপক-অধ্যাপিকা, কৃষ্ণ বৰা বি.এড কলেজৰ ছাত্ৰ-ছাত্ৰী পৰিষদৰ প্ৰাক্তন সাধাৰণ সম্পাদক ও উদীয়মান বিশিষ্ট কবি, গল্পকাৰ ও ঔপন্যাসিক নুৰ আহমদ বৰভুঞা, অনা শিক্ষক কৰ্মচাৰী বৃন্দ, বি.এড, ডি.এল.এডৰ প্ৰশিক্ষাৰ্থী সকলৰ লগতে স্নাতক মহলাৰ ছাত্ৰ-ছাত্ৰী সকল। নৱাগত আদৰণী সভাৰ মুকলি সভা কলেজৰ অধ্যক্ষ ড° মোস্তাফিজুৰ ৰহমানৰ সভাপতিত্বত অনুষ্ঠিত কৰা হয় আৰু এই নৱাগত আদৰণী সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বি.এড দ্বিতীয় বৰ্ষৰ প্ৰশিক্ষাৰ্থী প্ৰিয়ংকা ঘিমিৰে। উক্ত সভাত কৃষ্ণ বৰা বি.এড কলেজৰ বাৰ্ষিক আলোচনী "অৰুণাভ"-ৰ সপ্তম সংখ্যাৰ উন্মোচন কৰাৰ লগতে হোজাই জিলাৰ ছাত্ৰ নেতা ও কৃষ্ণ বৰা বি.এড কলেজৰ ছাত্ৰ ছাত্ৰী পৰিষদৰ প্ৰাক্তন সাধাৰণ সম্পাদক আৰু বৰ্তমান সাহিত্য সংস্কৃতি সাধনা মঞ্চ অসমৰ হোজাই জিলাৰ জিলা সমিতিৰ সভাপতি উদীয়মান কবি নুৰ আহমদ বৰভূঞাৰ দ্বিতীয়খন কবিতাপুথি 'চৰৈৱেতী'ৰ উন্মোচন কৰা হয়। নৱাগত প্ৰশিক্ষাৰ্থী ও ছাত্ৰ-ছাত্ৰী সকলৰ উদ্দেশ্যে হোজাই জিলাৰ জিলা উপায়ুক্ত শ্ৰী বিদ্যুত বিকাশ ভাগৱতী, কৃষ্ণ বৰা বি.এড কলেজৰ পৰিচালনা সমিতিৰ সভাপতি মহম্মদ ইছমাইল আলী, অধ্যক্ষ ড° মোস্তাফিজুৰ ৰহমান, সহকাৰী অধ্যাপিকা পৰিস্মীতা মহন্ত, সহকাৰী অধ্যাপক ড° ৰাজু দাসৰ লগতে ছাত্ৰ-ছাত্ৰী পৰিষদৰ সহ-সাধাৰণ সম্পাদক সৌভিক চৰকাৰ আৰু প্ৰাক্তন সাধাৰণ সম্পাদক নুৰ আহমদ বৰভূঞাই ভাষণ প্ৰদান কৰে। মুকলি সভাৰ সফল সামৰণিত বি.এড. দ্বিতীয় বৰ্ষৰ প্ৰশিক্ষাৰ্থী জিনা ভঁৰালীয়ে শলাগৰ শৰাই আগবঢ়ায়। দিনযোৱা কাৰ্যসূচীৰ শেষত আবেলি ৫ বজাত নৱাগত আদৰণী সভা ও সাংস্কৃতিক অনুষ্ঠানৰ সফল সামৰণি পৰে।

# বৰপেটা জিলাত ডিডিচি বৈঠকত বিকাশমূলক কামৰ অগ্ৰগতি সম্পৰ্কে পৰ্যালোচন

**অসম বাৰ্তা, বৰপেটা সদৰ, ১২ অক্টোবৰ ঃ** বৰপেটা জিলাৰ জিলা উন্নয়ন সমিতি (DDC) ৰ বৈঠক আজি জিলা উন্নয়ন আয়ুক্ত সঞ্জীৱ কুমাৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হয়। বৈঠকত কেন্দ্ৰীয় আৰু ৰাজ্যিক পৃষ্ঠপোষকতাৰ অধীন চলিত বিভিন্ন যোজনা আৰু প্ৰকল্পৰ অগ্ৰগতি সম্পৰ্কে বিস্তৃত আলোচনা কৰা হয়। জনস্বাস্থ্য আৰু কাৰিকৰী, পি ডব্লিউ ডি, জলসম্পদ, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, সমাজকল্যাণ, কৃষি, পশুপালন, শিক্ষা আদি বিভাগ সমূহৰ বিষয়া সকলে তহবিল ব্যয়, কাৰ্যসম্পাদন আৰু চলিত কামৰ অগ্ৰগতি সম্পৰ্কে তথ্য উপস্থাপন কৰে। জল জীৱন মিছন, পিএমজিএছৱাই, এমজিএনআৰইজিএ, পিএমএৱাইসহ বিভিন্ন যোজনা কোনো বাধা বিঘিনী নোহোৱাকৈ সুচাৰুৰূপে আগবঢ়াই লৈ গৈ তীব্ৰ গতিত কাম কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। জিলা উন্নয়ন আয়ুক্তয়ে সময়সীমা মানি কাম সম্পন্ন কৰা, ব্যয়ৰ ক্ষেত্ৰত স্বচ্ছতা ৰক্ষা কৰা আৰু চলিত কামবিলাক নিজে পৰ্যবেক্ষণ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত উল্লেখ কৰে। তেওঁ আন্তঃবিভাগীয় সমন্বয় বৃদ্ধি কৰি একতাবদ্ধ প্ৰচেষ্টাৰ মাধ্যমেৰে উন্নয়নমূলক লক্ষ্য পূৰণৰ বাবে আহ্বান জনায়। লগতে ৰাইজৰ সেৱা প্ৰদানৰ প্ৰতি মনোনিবেশ কৰি আৰু ৰাইজৰ অভিযোগ নিষ্পত্তি প্ৰক্ৰিয়া অধিক সক্ৰিয়ভাৱে সমাধান কৰাৰ বিষয়েও আলোচনা কৰা হয়। সভাৰ অন্তত সকলো বিভাগে অধিক দায়বদ্ধতা, সঠিক বাস্তৱায়ন আৰু জিলা বিকাশৰ লক্ষ্যেৰে সকলোৰে একেলগে আগবঢ়াৰ সংকল্প প্ৰকাশ কৰে।

## দুৰ্ঘটনা,অগ্নিকাণ্ডৰ আশংকা; গুৰুত্বপূৰ্ণ পথসমূহত গধূৰ টেংকাৰৰ চলাচল নিষিদ্ধ কৰাৰ দাবী অসমীয়া যুৱ মঞ্চৰ

# চেলেংহাটত অইল মে'ৰ টেংকাৰৰ বাবে পথ বিধ্বস্ত

**অসম বাৰ্তা, আমগুৰি, ১২ অক্টোবৰ ঃ** যোৰহাট জিলাৰ চেলেংহাটত সাম্প্ৰতিক সময়ত ধোদৰ আলিকে ধৰি প্ৰায়বোৰ গুৰুত্বপূৰ্ণ পথৰ অৱস্থা শোচনীয়। বিধ্বস্ত হোৱা পথে অঞ্চলবাসী ৰাইজক যাতায়তৰ ক্ষেত্ৰত জলা কলা খুৱাইছে। ইয়াৰ মাজতে ভুতৰ ওপৰত দানহ পৰাদি অইলমে' নামৰ তৈল খনন কাৰ্যত কৰ্মৰত এটা বহুজাতিক কোম্পানীৰ গধুৰ গধুৰ যান বাহন দৈনিক চলাচল কৰাৰ ফলত চাহ বাগিচা অঞ্চলৰ সৰু সৰু পথৰ লগতে ঐতিহাসিক ধোদৰ আলিৰ বিস্তৰ ক্ষতি সাধন কৰিছে। ফলত অঞ্চলটোৰ ৰাইজে দুৰ্ভোগ ভুগিবলগীয়া হৈছে। এই পথেৰে অঞ্চলটোৰ ৰোগী তথা ছাত্ৰ-ছাত্ৰীসকলে দৈনিক অহা-যোৱা কৰাৰ ক্ষেত্ৰত আশংকাৰ সন্মুখীন হ'বলগীয়া হয়। ইয়াৰোপৰি বিধ্বস্ত পথেৰে বিপজ্জনক ভাৱে অত্যন্ত জ্বলনশীল "ক্ৰুড অইল" কঢ়িয়াই নিয়াৰ ফলত অঞ্চলটোত ভয়ঙ্কৰ দুৰ্ঘটনাৰ আশংকাই দেখা দিছে। উল্লেখ্য যে এনে ক্ৰুড অইল কঢ়িওৱা টেঙ্কাৰ দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ ফলত টীয়কৰ জগদোৱাৰত সংঘটিত দুৰ্ঘটনাৰ পিছত অগ্নিকাণ্ডৰ সংঘটিত হয়। সমগ্ৰ বিষয়টোক লৈ অসমীয়া যুৱ মঞ্চই অসম চৰকাৰৰ পৰিবহণ মন্ত্ৰী যোগেন মোহনলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। স্মাৰক পত্ৰৰ যোগেদি যুৱ মৰ্চাই অভিযোগ কৰিছে যে, ৫০-৬০ টন ওজনৰ টেংকাৰসমূহে বছৰ বছৰ ধৰি চলাচল কৰি পথসমূহ ডাঙৰ ডাঙৰ পুখুৰী সদৃশ কৰি তুলিছে, যাৰ ফলত বিদ্যালয়, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু চিকিৎসালয়লৈ অহা-যোৱা কৰা ৰোগীসকলক প্ৰতিদিনে যাতায়তৰ জটিলতাৰ সন্মুখীন হ'বলগীয়া হৈছে। ইয়াৰোপৰি, যুৱ মৰ্চাই সকীয়াই দিছে যে যদি কৰ'বাত টেংকাৰবোৰ পথত বাগৰি পৰে তেনেহ'লে অঞ্চলটোত বৃহৎ অগ্নিকাণ্ডৰ সৃষ্টি হ'ব পাৰে। সম্প্ৰতি যোৱা ১৩ ছেপ্টেম্বৰত, এন এল ০১ এ জে ০৯৫৯ নম্বৰৰ টেংকাৰ এখন টীয়কৰ ওচৰৰ জগদুৱাৰত দুৰ্ঘটনাগ্ৰস্ত হৈ দুগৰাকী মহিলাক গুৰুতৰভাৱে দগ্ধ হোৱাৰ তথ্য উল্লেখ কৰি তেওঁলোকক ডিব্ৰুগড় মেডিকেলত ভৰ্তি কৰোৱা হৈছে। সংগঠনটোৰ সভাপতি যাদব গগৈ, সম্পাদক অনুপম শইকীয়া আৰু সহকাৰী সম্পাদক আকাশ শইকীয়া স্বাক্ষৰিত স্মাৰক পত্ৰত অভিযোগ কৰে যে অইল মে'ৰ তেলৰ ক'লা ব্যৱসায়ত জড়িত বেংগল কেৰিয়াৰ, পিপিচি ইণ্টাৰনেছনেল প্ৰাঃ লিমিটেড, নৰ্থ ইষ্ট পেইণ্ট উদ্যোগ, চ'নী পেট্ৰ' কেমিকেল আদি কোম্পানীসমূহে অবৈধভাৱে তেলৰ ক'লা ব্যৱসায় চলাই আছে। আনকি যোৱা ২৫ আগষ্টত ১২,০০০ লিটাৰ তেল লৈ যোৱা এন এল ০১ এল ৫৯০৮ নম্বৰৰ টেংকাৰখন গোলাঘাটৰ খুমটাই পথেদি অহা-যোৱা কৰা দেখা গৈছিল, যিটো অনুমোদিত পথ নহয়। স্থানীয় ৰাইজৰ সুৰক্ষা, পথৰ অৱস্থাৰ উন্নতি, আৰু দুৰ্ঘটনা প্ৰতিৰোধৰ বাবে যুৱ মৰ্চাই চেলেংহাট অইল মে'ৰ গধূৰ টেংকাৰ চলাচল তৎক্ষণাত নিষিদ্ধ কৰাৰ দাবী জনাইছে। লগতে তেওঁলোকে কোম্পানীটোৰ ক'লা ব্যৱসায় বন্ধ কৰি জড়িত ব্যক্তিসকলৰ বিৰুদ্ধে দৃষ্টান্তমূলক ব্যৱস্থা ল'বলৈ কৰ্তৃপক্ষক আহ্বান জনায়। নহ'লে সংগঠনটোৱে গণতান্ত্ৰিকভাৱে তীব্ৰ প্ৰতিবাদ গঢ়ি তুলিবলৈ বাধ্য হ'ব বুলি জনাইছে। পৰিবহণ মন্ত্ৰী যোগেন মোহনে স্মাৰক পত্ৰখন গ্ৰহণ কৰি যোৰহাট জিলাৰ আয়ুক্তলৈ বিষয়টো তদন্ত কৰি উচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে।

# গোসাঁইগাঁৱৰ তেলিপাৰাত 'প্ৰধানমন্ত্ৰী ধন ধান্য কৃষি যোজনা' অনুষ্ঠান

**অসম বাৰ্তা, গোসাঁইগাঁও, ১২ অক্টোবৰ ঃ** গোসাঁইগাঁৰ তেলিপাৰাস্থিত কৃষি বিজ্ঞান কেন্দ্ৰ (Krishi Vigyan Kendra - KVK)ত আজি এক বিশেষ কাৰ্যসূচী ৰূপে 'প্ৰধানমন্ত্ৰী ধন ধান্য কৃষি যোজনা' (PM-DKY)ৰ অধীনত এক গম্ভীৰ সভা আৰু প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। এই কাৰ্যসূচীৰ মূল উদ্দেশ্য আছিল স্থানীয় কৃষকসকলক আধুনিক কৃষি প্ৰযুক্তি, উৎপাদন বৃদ্ধি, আৰু বজাৰ সংযোগ সম্পৰ্কে সচেতন কৰা। কোকৰাঝাৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ প্ৰধান ড° শুনিল কুমাৰ পাল ভাষণত কয় "এই যোজনা মাধ্যেমে কৃষকসকলে কেৱল অধিক উৎপাদনেই নহয়, লাভজনক বজাৰ ব্যৱস্থাও লাভ কৰিব পাৰিব। এই ধৰণৰ প্ৰশিক্ষণ কৃষি ক্ষেত্ৰত এক যুগান্তকাৰী পৰিবৰ্তনৰ সূচনা কৰিব। লগতে পালে উল্লেখ কৰে আধুনিক ধানৰ জাত, জৈৱিক সাৰ ব্যৱহাৰ, আৰু খৰাং প্ৰতিৰোধী চাষৰ বিষয়ে বিস্তাৰিত ব্যাখ্যা দিয়ে। লগতে এক প্ৰদৰ্শনী শিবিৰৰ জৰিয়তে কৃষি সামগ্ৰী, নতুন প্ৰযুক্তি আৰু সফল কৃষকৰ উদাহৰণো প্ৰদৰ্শন কৰা হয়। উক্ত অনুষ্ঠানত চাৰিশোতকৈ অধিক কৃষকে অংশগ্ৰহণ কৰে। তেওঁলোকে এই ধৰণৰ অনুষ্ঠানৰ দ্বাৰা কৃষি শিক্ষাৰ প্ৰতি অধিক উৎসাহিত হোৱা বুলি জনায়। এই ধৰণৰ কাৰ্যসূচী আগলৈও অব্যাহত থাকিব বুলি ড° শুনিল কুমাৰ পালে জনায়।

# সদৌ অসম ভাওনা প্ৰতিযোগিতাত ৰেংমাইৰ বেদান্ত চুতীয়ালৈ শ্ৰেষ্ঠ বায়নৰ খিতাপ

**অসম বাৰ্তা, ধনশিৰি, ১২ অক্টোবৰ ঃ** কৃষ্টি-সংস্কৃতিৰ পথাৰখনত ক্ৰমাং উজ্জ্বলিবলৈ সক্ষম হৈছে সৰুপথাৰ সমজিলা। যোৱা ২৭চেপ্তেম্বৰ তাৰিখৰ পৰা ২ অক্টোবৰ তাৰিখলৈকে ৫৭৭তম শংকৰদেৱ জন্মোৎসৱ উপলক্ষে যোৰহাট জিলাৰ চেলেংহাট স্থিত টেঙাবাৰী অঞ্চলত অনুষ্ঠিত হোৱা সদৌ অসম শিশু ভাওনা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি সৰুপথাৰ সমজিলাৰ 'সমন্বয় শিশু শিল্পী সমাজ সৰুপথাৰ' নামৰ দলটিয়ে তৃতীয় শ্ৰেষ্ঠ দলৰ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হৈছে। বিশিষ্ট সাংস্কৃতিক কৰ্মী ৰেৱ চুতীয়াৰ পৰিচালনাৰে পৰিচালিত হোৱা ভাওনা দলটিৰ বেদান্ত চুতীয়া নামৰ শিশু শিল্পীজনে শ্ৰেষ্ঠ বায়নৰ খিতাপ অৰ্জন কৰি অঞ্চলটিলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। আনহাতে উক্ত প্ৰতিযোগিতাত 'সমন্বয় শিশু শিল্পী সমাজ সৰুপথাৰ' নামৰ দলটিৰ দেৱজিত শইকীয়াই প্ৰথম শ্ৰেষ্ঠ সূত্ৰ, বিদ্যাদিপ্তা বৰুৱাই দ্বিতীয় শ্ৰেষ্ঠ অভিনেত্ৰী আৰু জনচন বৰাই বিছাৰকৰ বিশেষ বটা পাবলৈও সক্ষম হৈছে। সদৌ অসম ভিত্তিত আয়োজিত ভাওনা প্ৰতিযোগিতাখনত বেদান্ত চুতীয়া আৰু সমগ্ৰ দলটোৰ পাৰদৰ্শিতাই সকলোকে মন্ত্ৰমুগ্ধ কৰি ৰাখিবলৈ সক্ষম হয়।

# অসম আৰক্ষীত পুৰণিগুদামৰ দৰিদ্ৰ পৰিয়ালৰ যুৱক-যুৱতীৰ সফলতা

**অসম বাৰ্তা, পুৰণিগুদাম, ১২ অক্টোবৰ ঃ** নগাঁও জিলাৰ বড়মপুৰ সমষ্টিৰ অধীনৰ বিভিন্ন স্থানত আজি ঘোষণা অসম আৰক্ষীৰ চাকৰিৰ ফলাফলত বহু কেইগৰাকী যুৱক-যুৱতীয়ে সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। আজি ঘোষণা হোৱা এই ফলাফলত পুৰণিগুদাম চলচলিৰ ৰাজেশ হাঞ্চে নামৰ এজন যুৱক অসম আৰক্ষীত নিযুক্তি লাভ কৰিছে। দৰিদ্ৰতাৰ বাবেই পাঁচ বছৰ বয়সত ৰাজেশক লৈ আহিছিল গাঁওখনৰ প্ৰবীণ বৰা আৰু অৰ্পণা বৰাৰ পৰিয়ালটোৱে সৰুৰে পৰা তুলি ডাঙৰ-দীঘল কৰি উচ্চ শিক্ষিত কৰা ৰাজেশ হাঞ্চেৰ সপোন আছিল এজন আৰক্ষী জোৱান হোৱা। কাৰ্বি সম্প্ৰদায়ৰ যুৱক হৈয়ো প্ৰবীণ বৰাৰ পৰিয়ালে ৰাজেশক শিকাইছিল অসমীয়া কৃষ্টি-সংস্কৃতি। নিজৰ পাৰদৰ্শিতাৰে অসমীয়া কৃষ্টি-সংস্কৃতিৰে পৰিপক্ক ৰাজেশ আছিল এজন ভাল শিল্পী। বিশিষ্ট কণ্ঠশিল্পী জুবিন গাৰ্গৰ গীতকে ধৰি কেইবাগৰাকী গায়কৰ গীতত সুন্দৰভাৱে কণ্ঠদান কৰিব পৰা ৰাজেশে এটা চাকৰিৰ বাবে কৰিছিল কঠোৰ সংগ্ৰাম। দিন-ৰাতি একাকাৰ কৰি কৰা কঠোৰ সংগ্ৰামৰ আজি ফল পালে ৰাজেশে। অসম আৰক্ষীৰ ড্ৰাইভাৰ পদত নিযুক্তি লাভ কৰি ৰাজেশে ধন্যবাদ জনাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক। স্বচ্ছ আৰু নিকা নিযুক্তি পদ্ধতিৰ বাবে ৰাজেশে লাভ কৰে এনে সফলতা। ইফালে, পুৰণিগুদাম মুঢ়ানি গাঁৱৰ দৰিদ্ৰ পৰিয়ালৰ যুৱতী পপী গায়নে লাভ কৰিলে অসম আৰক্ষীৰ ইউ বি কনিষ্টবলৰ চাকৰি। তিনি বছৰ বয়সতে পিতৃক হেৰুৱাই অতি কঠোৰ পৰিশ্ৰম কৰি এখন বিউটি পাৰ্লাৰেৰে কোনোমতে জীৱন-নিৰ্বাহ কৰা পপী গায়নৰ চেষ্টাৰ যেন ফল পালে। তিনি বছৰ ধৰি অসম আৰক্ষীত নিযুক্তি লাভ কৰিবলৈ চলোৱা প্ৰচেষ্টাৰ ফলত নিকা নিযুক্তিত পপী গায়নে সফলতা লাভ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰে। চামগুৰিৰ গেন্ধালী গাঁৱৰ বিশ্বজিৎ গগৈয়েও ইউ বি কনিষ্টবল পদত নিযুক্তি লাভ কৰাত উৎফুল্ল হৈ পৰিছে দিন হাজিৰা কৰা পিতৃ-মাতৃসহ গাঁৱৰ ৰাইজ। গেন্ধালী গাঁৱৰ দিনহাজিৰা কৰা পিতৃ দুৰ্লভ গগৈ আৰু মাতৃ জুনু গগৈৰ পুত্ৰ বিশ্বজিৎ গগৈয়ে অসম আৰক্ষীত নিযুক্তি লাভ কৰিছে। যাৰ পৰিপ্ৰেক্ষিতত অঞ্চলবাসী উৎফুল্ল হৈ পৰিছে। বিশ্বজিৎ গগৈয়ে ২০২০-২১ চনৰ পৰাই অসম আৰক্ষীৰ লগতে বিভিন্ন বিভাগত এটা চৰকাৰী চাকৰিৰ বাবে অনুশীলন কৰি আছিল। অৱশেষত আজি ঘোষণা কৰা অসম আৰক্ষীত নিযুক্তি লাভ কৰে। পুত্ৰই স্বচ্ছ আৰু নিকাভাৱে অসম আৰক্ষীত নিযুক্তি পোৱাৰ পাছতেই আবেগিক হৈ পৰে পিতৃ। স্বচ্ছ নিকাভাৱে ৰাজ্যৰ নিবনুৱা যুৱক-যুৱতীসকলক নিযুক্তি দিয়াক লৈ মুখ্যমন্ত্ৰীগৰাকীক ধন্যবাদ জনায়। পুত্ৰৰ এই সাফল্যৰ বাবেই পিতৃ আৰু মাতৃয়ে মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে পুত্ৰই কৰ্তব্যনিষ্ঠা, নিকা ভাৱমূৰ্তিৰে সুনাগৰিক হৈ আগবঢ়ি যাবলৈ আশীৰ্বাদ প্ৰদান কৰে।

## শ্ৰমমন্ত্ৰীৰ গৃহ সমষ্টিত চাহ শ্ৰমিকৰ দুৰৱস্থা; 'ডিজিটেল ইণ্ডিয়া'ৰ বিড়ম্বনা

# প্ৰাপ্য মজুৰি বিচাৰি তালাপ চাহ বাগিছাত প্ৰতিবাদ চাহ শ্ৰমিকৰ

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১২ অক্টোবৰ ঃ** শাসনাধিষ্ঠিত বিজেপি চৰকাৰে দেশৰ জনসাধাৰণ তথা শ্ৰমিক কৰ্মচাৰীৰ প্ৰায়বোৰ আৰ্থিক লেনদেন বেংকৰ জৰিয়তে অৰ্থাৎ 'কেচলেচ' ব্যৱস্থাৰে সমাধান কৰাৰ চেষ্টা কৰিছে যদিওঁ এই ব্যৱস্থাই যেন এচাম ৰাইজক সুবিধা কৰাৰ বিপৰীতে এচামক যেন অসুবিধাতহে পেলাইছে। তেনে এক ঘটনা সংঘটিত হৈছে তিনিচুকীয়া জিলাৰ ৮২ নং ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত তালাপ চাহ বাগিছাত। উল্লেখ্য যে, পূৰ্বতে ৰাজ্যৰ প্ৰতিখন চাহ বাগিছাতে শ্ৰমিকসকলৰ প্ৰাপ্য মজুৰি প্ৰতি পষেকে শ্ৰমিকসকলক হাতে-হাতে দিয়াৰ নিয়ম আছিল যদিও, শাসনাধিষ্ঠিত চৰকাৰখনৰ 'ডিজিটেল ইণ্ডিয়া'ৰ ধাৰণাৰ অচিলাৰে লৈ সম্প্ৰতি ৰাজ্যৰ চাহ বাগিচাৰ খাটি খোৱা চাহ শ্ৰমিকসকলক মালিক পক্ষই তেওঁলোকৰ প্ৰাপ্য মজুৰি বেংক একাউণ্টত দিয়াৰ ব্যৱস্থা কৰিছে। যাৰ পৰিপ্ৰেক্ষিতত বাগিচাৰ চাহ শ্ৰমিকসকলে উক্ত ধনৰাশি একাউণ্টৰ পৰা উলিয়াবলৈ পুৱাৰ পৰা সন্ধিয়ালৈকে বেংকৰ সন্মুখত শাৰী পাতিবলগীয়াত পৰে। কাৰণ মোদী চৰকাৰ এই তথাকথিত ডিজিটেল ইণ্ডিয়াৰ ধাৰণাই আজিপৰ্যন্ত সম্পূৰ্ণৰূপে চাহ শ্ৰমিকসকলক চুব পৰা নাই। বহুত চাহ শ্ৰমিকৰ বৰ্তমান সময়তো এ.টি.এম., ইউ. পি. আই. ইত্যাদি ইত্যাদি নথকাৰ লগতে বহু চাহ শ্ৰমিক নিৰক্ষৰ হোৱাৰ বাবে তেওঁলোকৰ একাউণ্টত জমা হোৱা ধনৰাশি উলিয়াবলৈ বহু সময়ত যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়। আনহাতে একাউণ্টত জমা থকা ধনৰাশি উলিয়াবলৈ যাওঁতে সমীপৱৰ্তী বেংকলৈ অহা-যোৱা কৰিবলৈও এজন শ্ৰমিকক সম্পূৰ্ণ এদিন দৰকাৰ হোৱাত শ্ৰমিকসকলে উক্ত দিনা বাগিছাৰ কাম খতি কৰিহে যাবলগীয়াত পৰে। যাৰ ফলত শ্ৰমিকজনৰ এদিনৰ মজুৰিৰ পৰা বঞ্চিত হ'বলগীয়াত পৰে। এনেবোৰ কাৰণতেই আজি তালাপ চাহ বাগিছাৰ চাহ শ্ৰমিকসকলে বাগিচাৰ কাম বন্ধ কৰি মালিকপক্ষৰ এনে নীতিৰ বিৰুদ্ধে শ শ চাহ শ্ৰমিকে বাগিচাৰ কাৰ্য্যালয়ৰ সন্মুখত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী শ্ৰমিকসকলে ৰাজু গগৈ মূৰ্দাবাদ (পৰিচালক), মালিক পক্ষ হুচিয়াৰ, ৰূপেশ গোৱালা মূৰ্দাবাদ, চাহ শ্ৰমিক ঐক্য জিন্দাবাদ - ইত্যাদি বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। চাহ শ্ৰমিকসকলৰ দাবী - বাগিছাৰ মালিকপক্ষই শ্ৰমিকসকলক পূৰ্বৰ দৰেই পযেকৰ মজুৰি প্ৰতিজন শ্ৰমিকৰ হাতে-হাতে দিয়াৰ ব্যৱস্থা কৰিব লাগে। অন্যথা বেংকৰ সকলো সুবিধা বাগিচাৰ কাৰ্যালয়তে কৰাৰ ব্যৱস্থা কৰিব লাগে। প্ৰায় তিনি-চাৰি ঘণ্টাযোৱা উক্ত প্ৰতিবাদৰ অন্তত অৱশেষত প্ৰতিবাদস্থলীত অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ তালাপ শাখা সমিতিৰ বিষয়ববীয়া উপস্থিত হৈ বাগিছাৰ পৰিচালকৰ সৈতে আলোচনাত মিলিত হোৱাত আৰু শেষত বাগিছাৰ পৰিচালকে অহা দহ দিনৰ ভিতৰত শ্ৰমিকসকলৰ এই মজুৰিকেন্দ্ৰিক সমস্যাটো সমাধানৰ ব্যৱস্থা কৰিব বুলি আশ্বাস দিয়াত শ্ৰমিকসকলে সাময়িকভাৱে তেওঁলোকৰ প্ৰতিবাদ স্থগিত ৰাখে। ডিজিটেল ইণ্ডিয়াৰ এনে বিড়ম্বনাই ৰাজ্যৰ লাখ লাখ চাহ শ্ৰমিকৰ প্ৰতি যে এক প্ৰকাৰ বিপদ কঢ়িয়াই আনিছে, সেয়া আজিৰ ঘটনাই স্পষ্ট কৰিলে। শ্ৰম মন্ত্ৰী ৰূপেশ গোৱালাৰ গৃহ সমষ্টিত সংঘটিত আজিৰ এই প্ৰতিবাদে ৰাজ্যৰ চাহ বাগিচাৰ আন এক ফোঁপোলা স্বৰূপ উদঙাই দিলে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☏ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন